ফেব্ৰুৱাৰী 2004 Rs. 10 /-

চান্দমামা



Help Rohan find his Fun Centre™.

O&M / 3802

Chocolate Lemon Pineapple Elaichi

Fun Centre™

Cream Biscuits

The Fun is in the Centre

MRP Rs. 8.00 inclusive of all taxes for net wt. 100 g

visit us at www.parleproducts.com

NOW AVAILABLE
AT ALL LEADING STORES

TRAPPED

GAMES AND ACTIVITY CD-ROM



PROF. PURENOTHIN, THE RENOWNED INDOLOGIST, IS TRAPPED INSIDE THE MOUND OF MURUKKI. YOU JOIN DETECTIVE MANDOO TO SEARCH FOR THE PROFESSOR AND SAVE HIM. THE ONLY WAY TO THE MOUND OF MURUKKI IS REVEALED TO YOU. ONLY WHEN YOU CAN GET HOLD OF FOUR KEYS HIDDEN ALONG YOUR ROUTE. AND YOU HAVE TO SEARCH FOR THEM THROUGH A DOZEN DIFFERENT GAMES AND ACTIVITIES. GO FOR CLUES AND KEYS!

MIND YOU, YOU HAVE ONLY 60 MINUTES TO REACH THE PROFESSOR! GET THERE FAST, BUT BEWARE OF YOURSELF BEING TRAPPED!

*Hey, but this one is a whole lot of fun!
You have a different set of games and activities, every time you begin your search.*

A quality product from **Chandamama**

For more details, please contact :
Chandamama India Limited,
82, Defence Officers' Colony,
Ekkatuthangal, Chennai - 600 097.
www.chandamama.org

RS. 199/- ONLY

চান্দমামা

বৰ্ষ : ৩১ ফেব্ৰুৱাৰী ২০০৪ সংখ্যা-২

এই সংখ্যাত আছে

বীৰ কালীনাথ ১৩

সততা আৰু দেশভক্তি ১৯

বিষ্ণু কথা ৪৫

ভাৰতৰ পৌৰাণিক উপাখ্যান ২৬

এই মাহৰ বিশেষ আকৰ্ষণ

★দৃষ্টি ভ্ৰম...৭ ★সঞ্জীৱৰ শিক্ষা...৮ ★বীৰ কালীনাথ...১৩ ★সততা আৰু দেশভক্তি (ৰজা বিক্ৰম আৰু বেতালৰ নতুন কাহিনী)...১৯ ★সংবাদ বিচিত্ৰা...২৫ ★ভাৰতৰ পৌৰাণিক উপাখ্যান...২৬ ★ৰহস্য উদঘাটনৰ সত্য কাহিনী...৩০ ★এটা বহুৱাৰ সংঘাত...৩৪ ★পাঠকৰ বাবে গল্প প্ৰতিযোগিতা...৪০ সফল যাত্ৰা...৪১ ★বিষ্ণু কথা...৪৫ ★প্ৰকৃত মানৱ প্ৰেম...৫১ ★শিয়ালৰ বুদ্ধি-বাঘৰ অপমান...৫৫ ★চহকী কোন...৫৮ ★আৰ্য...৬০ ★জানো আহা নানা কথা...৬৪ ★ফটো নামকৰণ প্ৰতিযোগিতা...৬৬

SUBSCRIPTION

For USA and Canada
Single copy $2
Annual subscription $20

Remittances in favour of Chandmama India Ltd.
to
Subscription Division
CHANDAMAMA INDIA LIMITED
No. 82, Defence Officers Colony
Ekkatuthangal, Chennai - 600 097
E-mail :
subscription@chandamama.org

বৰঙণি

বিমান ডাকযোগে পৃথিৱীৰ সকলো দেশলৈ বাৰটা সংখ্যা ৯০০ টকা
সাধাৰণ ডাকত ভাৰতৰ ভিতৰত বাৰটা সংখ্যা ১২০ টকা
আপোনাৰ বৰঙণি ডিমান্ড ড্ৰাফট্ বা মণিঅৰ্ডাৰ যোগে
'চান্দমামা ইণ্ডিয়া লিমিটেড'ৰ নামত পঠাব লাগিব

For booking space in this magazine please contact:
DELHI Gaurav Chopra : 3/14, INS Building, Rafi Marg,
New Delhi - 110001. Tel : 23717498-23714551
MUMBAI Sonia Desai : Ph : 022-56942407 / 2408 Mobile: 98209-03124
CHENNAI Shivaji : Ph : 044-22313637 / 22347399 Fax: 044-22312447
Mobile : 98412-77347 email : advertisements @chandamama.org

© The stories, articles and designs contained in this issue are the exclusive property of the Publishers.
Copying or adapting them in any manner/ medium will be dealt with according to law.

সংস্থাপক
বি.নাগি ৰেড্ডি আৰু চক্ৰপানি

4-2-2004

পৃথিৱীক সুৰক্ষা দিও আহাঁ

নৱবৰ্ষৰ উল্লাস মাৰ নৌ যাওঁতেই মালয়েছিয়াত তীব্ৰ প্ৰাবল্যৰ এটা ভূমিকম্প অনুভূত হ'ল। এই আলোচনী প্ৰেছলৈ পঠিওৱাৰ সময়লৈকে এই ভূমিকম্পত কিমান লোক হতাহত হৈছে জানিব পৰা হোৱা নাই। এসপ্তাহৰ আগতে, ইৰাণত হোৱা এটা প্ৰৱল ভূমিকম্পত প্ৰাচীন চহৰ বামৰ প্ৰায় পঞ্চশ হাজাৰ লোকে প্ৰাণ হেৰুৱায়।

ভূমিকম্পক সাধাৰণতে প্ৰাকৃতিক দুৰ্যোগ বুলি ধৰা হয়। আমি এই সত্যৰ মুখামুখি হ'বই লাগিব। আমি মানৱ জাতি আওপকীয়াকৈ হ'লেও ভূমিকম্প হ'বলগীয়া পৰিস্থিতিৰ বাবে দায়ী।

আমাৰ দেহত আমাৰ ছালখন এটা গুৰুত্বপূৰ্ণ অংগ। এই ছালখনে বহুতো কাম কৰে। এই ছালত অসংখ্য ৰন্ধ্ৰ থাকে যাৰ সহায়ত আমি শ্বাস-প্ৰশ্বাস লওঁ আৰু ই দেহৰ উত্তাপৰ ভাৰসাম্য বজাই ৰাখে। যেতিয়াই এই ৰন্ধ্ৰবোৰ বন্ধ হৈ যায় তেতিয়াই ছালত জোলাৰ দৰে হয়।

ঠিক সেইদৰে, অত্যধিক নগৰীকৰণে পৰিবেশৰ ভাৰসাম্যত ব্যাঘ্যাত জন্মাই পৃথিৱীৰ উপৰিভাগত বিঘিনি ঘটাইছে। ফলত ভূ-গৰ্ভৰ ভিতৰত কিছুমান অস্থিৰতাৰ সৃষ্টি হয় যাৰ ফলত ভূ-গৰ্ভত কেতিয়াবা কেতবোৰ ভয়ঙ্কৰ প্ৰক্ৰিয়া হয়, যেনে ভূমিকম্প বা জ্বালামুখীৰ উদ্গীৰণ।

মানুহৰ, পিপাসাই মানুহক পানী আৰু তেলৰ সন্ধানত খনন কাৰ্য চলাবলৈ বাধ্য কৰাইছে। সেয়ে ভূ-পৃষ্ঠতেই হওক বা ভূ-গৰ্ভতেই হওক মানুহে বিস্ফোৰণ ঘটাইছে। ফলস্বৰূপে, আমাৰ পৰিবেশ প্ৰদূষিত হৈছে, জাবৰ-জোঁথৰ পেলোৱাৰ ফলত নদীৰ স্বাভাৱিক স্ৰোত বন্ধ হৈছে। এইদৰে আমি প্ৰকৃতিক জোকাই লৈছো যাৰ সমুচিত উত্তৰ প্ৰকৃতিয়েও আমাক দিছে আনকি কেতিয়াবা কোনো আগজাননী নিদিয়াকৈয়ে।

এটা বিলাসপূৰ্ণ জীৱনৰ বাবে থকা মানুহৰ লালসাই আজি প্ৰাকৃতিক দুৰ্যোগৰ কাৰণ হৈ পৰিছে। সেয়ে আমি আমাৰ পৃথিৱীখনক সুৰক্ষা দিবৰ বাবে আৰু পাৰিপাৰ্শ্বিক ভাৰসাম্য বজাই ৰাখিবৰ বাবে সম্ভৱপৰ সকলোখিনি কৰাৰ সময় আহিছে।

সম্পাদক : বিশ্বম

Visit us at : http://www.chandamama.org

GET YOUR COPY AT YOUR DOORSTEP FOR ONE YEAR FOR JUST RS. 120/-

A TREASURE-TROVE FOR TALENTED TOTS

Junior CHANDAMAMA



THE ONE-STOP COMPLETE FUN AND ACTIVITY MAGAZINE.

- Games, puzzles, riddles, stories, colouring activity and more...
- Good habits grow when young. Check out articles and features in which values are taught subtly and let your child learn about Indian culture and heritage.

PAGE AFTER PAGE WILL KINDLE YOUR CHILD'S IMAGINATION

Mail the form below along with the remittance to : Subscription division, Chandamama India Limited, 82 Defence Officers' Colony, Ekkatuthangal, Chennai - 600 097.

SUBSCRIPTION FORM

Please enrol me as a subscriber of Junior Chandamama.

I give below the required particulars:

Name : .... Address :..

....

....PIN Code : ....

I am remitting the amount of Rs.120/- for 12 issues by Money Order/Demand Draft/ Cheque No..................... on.................................. Bank .... branch drawn in favour of Chandamama India Ltd., encashable at Chennai (outstation cheque to include Rs.25/- towards Bank Commission).

Place : ....

Date : ....

Signature

দৃষ্টি ভ্ৰম

পুৰণি কালত হত্যাকাৰী আৰু ডকাইতকেই নহয় সৰু-সুৰা চুৰ কৰা বোৰকো গুৰু শাস্তি বিহা হৈছিল । সিহঁতৰ ডিঙিত কাঠ বান্ধি দিয়া হৈছিল আৰু ৰ'দত বহি থাকিবলৈ দিয়া হৈছিল ।

ৰতন নামৰ এটা মানুহে এদিন গাৱঁৰ বাহিৰত চৰি ফুৰা এটা বলদক ধৰি পেলালে, তাৰ ডিঙিত ৰছী বান্ধি দিলে আৰু লৈ যাব ধৰিলে । এজন বাটৰুৱাই এই চুৰি দেখিলে আৰু গাঁওবুঢ়াক এই খবৰ দিলে । গ্ৰামাধিকাৰীয়ে তেওঁৰ এজন কৰ্মচাৰী পঠিয়াই ৰতনক গ্ৰেপ্তাৰ কৰোৱালে । তাৰ ডিঙিত কাঠ বান্ধি দিলে আৰু সূৰ্যাস্তৰ সময়লৈকে চোকা ৰ'দত বহি থকাৰ শাস্তি বিহিলে ।

অলপ সময় পিছত ৰতনৰ গাৱঁৰে কিৰণে যেতিয়া এই দৃশ্য দেখিলে তেতিয়া আশ্চৰ্য প্ৰকাশ কৰি তাক সুধিলে, "এয়া কি হৈছে ? তোমাৰ ডিঙিত এই কাঠ কিয় বন্ধা হ'ল ?"

"কি ক'ম । এয়া মোৰে দুৰ্ভাগ্য ।" ৰতনে ক'লে । কিৰণে সুধিলে, "সঁচাকৈ কোৱাচোন? এয়া কেনেকৈ হ'ল ?"

"গাৱঁৰ পৰা ওলাই গৈছিলো । সেউজীয়া পথাৰৰ ওচৰতে এডাল ডাঙৰ ৰছী পালো । বচ, লৈ ল'লো । মই একো ডাঙৰ অপৰাধ কৰা নাই ।" ৰতনে ক'লে ।

"ৰাস্তাত পোৱা ৰছীডাল লোৱাৰ কাৰণে ইমান ডাঙৰ শাস্তি ?" কিৰণে আচৰিত হৈ সুধিলে ।

"এই ৰছীডালৰ পিছতেই কমেও পাঁচশ - ছশ টকা দামৰ এটা বলদ আছিল । দৃষ্টি ভ্ৰমৰ বাবে মই সেইটো দেখা নাপালোঁ ।" ৰতনে দুখ কৰি ক'লে ।

- মনোহৰ

সঞ্জীৱৰ শিক্ষা

লুইতপুৰ গাৱঁৰ নিবাসী সঞ্জীৱৰ জন্ম খেতিয়ক পৰিয়ালত হৈছিল । সি সেয়েহে খেতি-বাতি কৰি দিন কটাইছিল । কিন্তু পণ্ডিতৰ সহায়ত সি শাস্ত্ৰৰ জ্ঞানো লাভ কৰিছিল । কবিতা পাঠ, গীত-মাত আৰু চিত্ৰকলাতো তাৰ অভিৰুচি আছিল । পিতাক ধীৰনাথে এদিন তাক ক'লে, “কোনো এটা কামত নিজৰ মনোযোগ নিবিষ্ট কৰা । সকলো শিকাৰ পিচতো কোনো এটা বিষয়তে দক্ষতা নাথাকিলে ভৱিষ্যতে তোমাৰ জীৱন কষ্টকৰ হৈ উঠিব, জীৱন দুৰ্বহ হৈ উঠিব ।” এইদৰে তেওঁ প্ৰায়ে নিজৰ পুত্ৰক সতৰ্ক কৰি দিছিল।

কিন্তু সঞ্জীৱে নিজৰ দেউতাকৰ কথাক আওকাণ কৰি কৈছিল, “দেউতা, দিনকাল সলনি হ'ল । আজিকালি সুখী জীৱন কটাবলৈ হ'লে আগৰ দৰে কেৱল কোনো এটা বিদ্যা শিকাটোৱেই যথেষ্ট নহয় । মই আৰু অনেক বিদ্যা শিকিম ।”

ধীৰনাথ দহ একৰ মাটিৰ মালিক আছিল। প্ৰথমতে তেওঁ দুই একৰ মাটিৰহে গৰাকী আছিল । কিন্তু তেওঁ খেতিবাতিতে নিজৰ মন বহুৱালে আৰু খুব উপাৰ্জন কৰিলে । তেওঁৰ পিতাকৰ যিখিনি ধাৰ আছিল সেয়া তেওঁ পৰিশোধ কৰিলে আৰু নিজৰ ভায়েকক সহায়ো কৰিছিল । দুগৰাকী বায়েকক বিয়াও দিলে । অলপতে বৰ ধুমধামকৈ জীয়েকৰ বিয়াও পাতিলে । ইমানখিনি কৰাৰ পিছতো তেওঁ নিজৰ পুতেকক লৈ চিন্তাগ্ৰস্ত আছিল । কিয়নো সঞ্জীৱে গাঁও এৰি চহৰলৈ গৈ থাকিব খুজিছিল । কোনোবাই কিবা ক'ব খুজিলে তাৰ আগতে সি নিজৰ বিষয়ে দীঘলীয়া ভাষণ দিবলৈ ধৰিছিল । সেয়া তাৰ অভ্যাসৰ দৰেই হৈ পৰিছিল ।

“নিজৰ বিষয়ে বকনি মেলাৰ অভ্যাস এৰ। প্ৰথমতে অইনৰ বিষয়ে জানিবলৈ চেষ্টা কৰা । তাৰপৰা কিবা শিকিব লগা আছে যদি শিক । এনে নকৰিলে তোৰ উদ্ধাৰ নহয় । য'তেই আছ তাতেই পৰি থাকিবি ।” এইদৰে ধীৰনাথে তাক প্ৰায়ে সাৱধান কৰি দিছিল ।

এদিন সঞ্জীৱৰ মোমায়েকৰ বন্ধু সীতানাথ

-মুৰলীধৰ-

তাৰ ঘৰলৈ আহিল । তেওঁ জোৰ দি ক'লে যে সঞ্জীৱেইহে তেওঁৰ জীয়েকৰ বাবে যোগ্য বৰ হ'ব । ধীৰনাথৰো এই প্ৰস্তাৱ ভাল লাগিল। কিন্তু সঞ্জীৱে ক'লে, "মই অনেক বিদ্যাতে প্ৰবীণ । যিজনী ছোৱালীক মই বিয়া কৰাম, সেইজনী ছোৱালীও তাৰ আধা বিদ্যাত পাৰ্গত হোৱা আৱশ্যক । আপোনাৰ কন্যা ৰাধাই যদি মোক বিয়া কৰাব খোজে তেন্তে তেওঁ অনেক বিদ্যাত শিক্ষিতা হ'ব লাগিব ।"

"মই তো নাজানো কি কি বিদ্যাত তুমি পাৰ্গত । তোমাৰ খ্যাতিৰ বিষয়েও মই ক'তো শুনা নাই । মই এইটোও নাজানো যে এইবোৰ বিদ্যাৰ দ্বাৰা তোমাৰ কি লাভ হৈছে। এইবোৰ বিদ্যাক কামত লগোৱা আৰু কোনো ৰাজদৰবাৰত চাকৰি বিচাৰা । তেতিয়াহে ৰাধাই এইবোৰ বিদ্যা শিকিব ।" সীতানাথে ক'লে ।

সঞ্জীৱৰ কাৰণে এয়া এক প্ৰত্যাহবানৰ দৰে হ'ল । সি তুৰন্তে ৰাজধানীলৈ গ'ল । তাত গৈ পোৱাৰ পিছত সি এটা অতিথিশালাত থাকিবলৈ ল'লে । তাত তাৰ এজন ধনী, মোচাল, আদবয়সীয়া মানুহৰ লগত পৰিচয় হ'ল । সঞ্জীৱে নিজৰ সকলো গুণৰ কথা তেওঁক জনালে আৰু ক'লে, "ৰাজদৰবাৰত চাকৰি পাবলৈ মই আহিছো। মোৰ সম্পূৰ্ণ বিশ্বাস যে মই চাকৰি পামেই । কিন্তু মই এইটো ঠিক কৰিব পৰা নাই যে বেতন কিমান খুজিম ?"

আদবয়সীয়া মানুহজনে ক'লে, "তুমি দিয়া বিৱৰণৰ পৰা এই কথা স্পষ্ট যে তুমি বহুতো বিদ্যা জানা । কিন্তু ৰাজদৰবাৰত এনে

বিদ্যাৰ বাবে কোনো স্থান নাই । যদি তুমি খড়গ যুদ্ধ জানা তেন্তে দৰবাৰত তুমি চাকৰি পাবা পাৰা ।"

"খড়গ যুদ্ধ? অ', অলপ-অচৰপ জানো। কিন্তু তাত দক্ষ হ'বলৈ হ'লে গুৰুৰ প্ৰয়োজন । ইয়াত কোনো গুৰু আছেনে যি মোক সেই শিক্ষা দিব পাৰে?" সঞ্জীৱে সুধিলে।

"ইয়াত বীৰেন্দ্ৰ নামৰ এজন গুৰু আছে। খড়গ যুদ্ধত তেওঁতকৈ বেছি জনা গুৰু আৰু কোনো নাই । সক্ষম লোকক তেওঁ ধন নোলোৱাকৈ প্ৰশিক্ষণ দিয়ে ।" আদবয়সীয়া মানুহজনে ক'লে ।

পিছদিনাই সঞ্জীৱ বীৰেন্দ্ৰৰ ঘৰলৈ গ'ল আৰু তেওঁক যোৱাৰ কাৰণ জনালে । তেওঁ সঞ্জীৱক ভালকৈ চালে আৰু ক'লে, "তোমাকতো দেখাত বেচ সক্ষম আৰু

পৰিশ্ৰমী যেন লাগিছে । নিজৰ ধ্যান নিবিষ্ট কৰিব পাৰিলে এসপ্তাহতে তুমি খড়গ যুদ্ধত নিপুণ হৈ উঠিব পাৰিবা ।" এইদৰে কৈ তেওঁক নিজৰ শিষ্য কৰি ল'লে ।

এসপ্তাহৰ ভিতৰতে সঞ্জীৱে খড়্গ বিদ্যা শিকি ল'লে আৰু গুৰুৱে তেওঁৰ ভূয়সী প্ৰশংসা কৰিলে ।

এসপ্তাহৰ পিছত সেই অতিথিশালাতে পুনৰ আদবয়সীয়া মানুহজনৰ লগত তাৰ লগ হ'ল । সি তেওঁক জনালে যে কাইলৈকে সি ৰাজদৰবাৰত যোগদান কৰিব পাৰিব ।

তাকে শুনি মানুহজনে ক'লে, "চেহ, বৰ বেয়া কথা হ'ল । কালিয়েই এজন ডেকাই নিজৰ খড়্গ বিদ্যা প্ৰদৰ্শন কৰি ৰাজসভাত চাকৰি পালে । কিন্তু, ৰজাৰ কোষাগাৰত আমদানি আৰু ব্যয়ৰ হিচাব ৰাখিবৰ বাবে এজন যোগ্য ব্যক্তিৰ প্ৰয়োজন । তাতে চেষ্টা কৰা । কিন্তু কোষাগাৰৰ কাম কাজ অলপ বেলেগ ধৰণৰ । তুমি এইটো চাকৰি পাবলৈ হ'লে প্ৰথমতে গণিতজ্ঞ ভাস্কৰক লগ কৰা । তেওঁ তোমাক গণিতৰ জ্ঞান দিব ।"

সঞ্জীৱে পিচদিনা ভাস্কৰক লগ কৰিলে আৰু এসপ্তাহতে তেওঁৰ পৰা আৱশ্যকীয় শিক্ষা লৈ কোষাগাৰৰ কাম কাজ সমূহ খুব ভালদৰে শিকি ল'লে । কিন্তু, তিনিদিনৰ আগতে এজন সুযোগ্য ব্যক্তিক কোষাগাৰত নিযুক্তি দিয়া হ'ল । তথাপি সঞ্জীৱ নিৰাশ নহ'ল। সি সেই আদবয়সীয়া মানুহজনক সুধিলে যে ৰাজসভাত আৰু কিবা পদৱী খালী আছে নেকি ?

"প্ৰতি সপ্তাহতে নতুন বিদ্যা শিকিছা আৰু যথেষ্ট কষ্টও কৰিছা । তোমাৰ ইমানখিনি কৰি ভাগৰ লগা নাইনে ?" মানুহজনে সুধিলে ।

"মই বিদ্যাৰ বাবে আতুৰ । বিদ্যা আহৰণৰ বাবে কষ্ট কৰি মোৰ ভাগৰ অনুভৱ হোৱা নাই ।" সঞ্জীৱে গৰ্ব ভৰা মাতেৰে ক'লে ।

তোমাৰ মোমায়েৰাৰ বন্ধুৰ প্ৰত্যাহ্বানত তুমি ইয়ালৈ আহিলা আৰু এমাহ পাৰ হৈ গ'ল । আজিলৈকে তুমি ৰাজসভাত চাকৰি ল'ব পৰা নাই । তাতকৈ তুমি লুইতপুৰ গাৱঁলৈ ঘূৰি যোৱা আৰু নিজৰ পৰাজয় মানি লোৱা । খেতিৰ কামতে পিতাৰাক্ সহায় কৰা। "মানুহজনে উপদেশ দিলে । সঞ্জীৱে অনিচ্ছাপূৰ্বক ক'লে, মোৰ মোমাইদেউৰ বন্ধুৱে দিয়া প্ৰত্যাহ্বানত মোৰ পৰাজয় হ'ব পাৰে, কিন্তু কেতিয়াও তেওঁৰ এই মন্তব্য মই সচাঁ হ'বলৈ নিদিও যে মই যি বোৰ বিদ্যা

শিকিলো সেই সকলোবোৰ নিৰৰ্থক । এদিন নহয় এদিন ৰাজসভাত চাকৰি লৈহে এৰিম ।"

"ৰাজসভাত চাকৰি পাবৰ বাবে তোমাৰ পৰ্যাপ্ত বিদ্যা নাই ।" আদবয়সীয়া সেই মানুহজনে ক'লে ।

"তেন্তে আপোনাকো মই প্ৰত্যাহ্বান জনাইছো । ৰাজসভাত যদি মই চাকৰি পাঁও তেন্তে আপুনি মোক কি দিব ?" সঞ্জীৱে সুধিলে ।

"ৰাজসভাত চাকৰিৰ বিষয়ে তুমি মোক যি প্ৰত্যাহ্বান জনাইছা, তাত তুমি সফল হ'ব নোৱাৰা ।" মানুহজনে ক'লে ।

"ইমান প্ৰত্যয়েৰে সৈতে আপুনি কেনেকৈ ক'ব পাৰিলে ?" সঞ্জীৱে সুধিলে।

"ময়েই ৰজা, সেয়েহে ইমান বিশ্বাসৰ সৈতে ক'ব পাৰিছো ।" মানুহজনে ক'লে ।

প্ৰথমতে কিছু সময়ৰ বাবে সি স্তব্ধ হৈ ৰ'ল, তাৰ চেহেৰা শেঁতা পৰি গ'ল কিন্তু ততালিকে সি নিজক চম্ভালিলে আৰু ৰজাৰ চৰণ স্পৰ্শ কৰি প্ৰণাম জনালে ।

ৰজাই বৰ মৰমেৰে তাক উঠাই ক'লে, "সঁচাকৈয়ে যদি তুমি মোক ভক্তি কৰিছা তেনে তুমি মোৰ কথা শুনা আৰু নিজৰ গাৱঁলৈ ঘূৰি যোৱা ।"

"প্ৰভু, আপুনি সকলো প্ৰকাৰেই মোৰ পৰীক্ষা ল'লে । তাৰ পিছতো নিজৰ দৰবাৰত মোক চাকৰি দিয়াত আপোনাৰ আপত্তি কিহৰ ?" সঞ্জীৱে দুখেৰে সুধিলে ।

তাৰ এই প্ৰশ্ন শুনি ৰজাই হাঁহি ক'লে, "তোমাৰ অহঙ্কাৰ প্ৰয়োজনতকৈ অধিক । তোমাৰ ধাৰণা এইয়ে যে তুমি সকলো বিদ্যাই জানা । কিন্তু কোনোটো

বিদ্যাতে তুমি পৰিপক্ক নোহোৱা । প্ৰতিবাৰেই এইটো প্ৰমাণ হৈছে যে ৰাজসভাত চাকৰি পাবলৈ তোমাৰ যোগ্যতা যথেষ্ট নহয় । কিন্তু তুমি ইয়াৰ বিষয়ে গভীৰভাৱে কেতিয়াও চিন্তা কৰা নাই ।"

এইখিনি কথা সঞ্জীৱৰ অলপ গাত লাগিল । তথাপিও সি তেওঁক ক'লে, "প্ৰভু, আপুনি তো এইকথা মানে যে যি কোনো বিদ্যাতেই মই খুব সোনকালেই পৰিপক্কতা লাভ কৰিব পাৰোঁ । নহয় জানো ?"

"কিন্তু পৰিপক্কতা কিমানলৈকে ? ৰাজসভাত চাকৰি পাবলৈ আৱশ্যক সীমালৈকে বিদ্যা প্ৰাপ্ত কৰিবলৈ প্ৰয়াস কৰিছানে ?" ৰজাই সুধিলে ।

ৰজাৰ কথাত সঞ্জীৱ আৰু আহত হৈ ক'লে, "এতিয়া মই নিজৰ ক্ৰটী বুজিব পাৰিছোঁ । যি বিদ্যা যিমানলৈকে শিকিবলৈ

আপুনি জোৰ দিছে সিমানলৈকে নিজৰ ধ্যান কেন্দ্ৰীভূত কৰিম । অনুগ্ৰহ কৰি আপোনাৰ ৰাজসভাত মোক সংস্থান দিয়াওক ।"

প্ৰথমৰ পৰাই এনেকৈ ভবা হ'লে মই নিশ্চয় ৰাজসভাত তোমাক সংস্থান দিলোহেঁতেন । বিদ্যাসমূহত পাৰদৰ্শিতা লাভ কৰাত তুমি যি পলম কৰিলা, তাৰ কাৰণেহে মই মোৰ ৰায় ব্যক্ত কৰিলো । এই সকলোবোৰ যি হ'ল সেয়া তোমাৰ দুৰ্ভাগ্যৰ বাবেই হ'ল ।" ৰজাই ক'লে ।

"কিন্তু মই ভাবো আপোনাক অনুৰোধ কৰাত মই অলপো পলম কৰা নাই । যেতিয়াই মই গম পালো যে আপুনি মহাৰাজ, মই জীৱিকা বিচাৰিছোঁ ।" সঞ্জীৱে ক'লে ।

ৰজাই ক'লে, "এমাহৰ আগতে আমি দুয়ো লগ হৈছো । সময়ে-সময়ে মই তোমাক ৰাজসভাত কৰ্ম সংস্থাপনৰ সুবিধাৰ বিষয়ে বতৰা দি আছো । কিন্তু তুমি কেতিয়াও ভবা নাই যে মই কোন আৰু মই এই সকলোবোৰ কেনেকৈ গম পালো । জানানে ইয়াৰ কাৰণ কি ? তুমি সদায়েই নিজৰ বিষয়ে ভবাত মগ্ন থাকা । মোৰ বিষয়ে এখন্তেকৰ কাৰণে ভালকৈ ভৰাহেঁতেন মোক চিনাত পলম নহ'লহেঁতেন । অন্য ব্যক্তিৰ কথা জানিবলৈ যাৰ আগ্ৰহ নাই, তাৰ বাবে ৰাজদৰবাৰত কোনো স্থান নাই ।"

এই কথা শুনি লাজত মৰা যেন হৈ সঞ্জীৱে তলমূৰ কৰিলে । ৰজাৰ পৰামৰ্শ অনুসৰি সি লুইতপুৰ গাৱঁলৈ ঘূৰি গ'ল আৰু পিতাকৰ পৰা কৃষি সম্বন্ধীয় কাম শিকিলে আৰু সেই কামতে মন-প্ৰাণ দি লাগিবলৈ ধৰিলে । পিছত ৰাধাক বিয়া কৰালে আৰু সুখৰ জীৱন কটাবলৈ ল'লে । নিজে শিকা বিদ্যাসমূহৰ বিশিষ্টতাবোৰ সেই গাৱঁৰ যুৱকসকলক শিকাবলৈ ল'লে । সেই যুৱক-সকলে ক'বলৈ ধৰিলে, যদি ৰজাৰ দৰবাৰত তুমি চাকৰি পালাহেঁতেন তেতিয়াহ'লে আমাৰ লোকচান হ'লহেঁতেন । নহ'লে আমি এইবোৰ বিদ্যা কেনেকৈ শিকিলো-হেঁতেন ? ভালেই হ'ল, তুমি গাৱঁলৈ ঘূৰি আহিলা ।"

এই কথাত সঞ্জীৱ অত্যন্ত সুখী হ'ল এইটো ভাবি যে অন্ততঃ তাৰ বিদ্যাসমূহ ব্যৰ্থ নহ'ল । লগতে নিজৰ বিদ্যাসমূহৰ মহানতাক লৈ হোৱাই নোহোৱাই কথাৰ ফুলজাৰি মৰাৰ তাৰ অভ্যাসো নোহোৱা হ'ল ।





বীৰ কালীনাথ

2

(কালীনাথ নামৰ এজন ক্ষত্ৰিয় যুৱকে কৰ্মসংস্থান বিচাৰি যায়। বাটতে গাঁওবাসীয়ে তেওঁক কিছুমান ডকাইতৰ কথা জানিবলৈ দিয়ে। কালীনাথে গাঁৰৰ যুৱকসকলৰ সহায়ত ডকাইতবোৰক দমন কৰে। ইয়াৰ পাছত তেওঁ নগৰৰ সমীপত উপস্থিত হোৱাৰ ঠিক আগে আগে ৰজা দেৱজিতৰ অশ্বাৰোহী সেনাই তেওঁৰ ওপৰত আক্ৰমণ চলাই তেওঁক বন্দী কৰে। ইয়াৰ পাছত...)

চন্দ্ৰপুৰ নগৰৰ অশ্বাৰোহী সৈনিক কালীনাথক লগত লৈ নগৰত উপস্থিত হয়গৈ। বহুতো সৈনিকে এজন মাত্ৰ মানুহক ঘোঁৰাত বান্ধি লৈ গৈছিল। কিছুমান লোকে অশ্বাৰোহী দলৰ নেতাক সুধিলে, ঘোঁৰাত বান্ধি নিয়া এই মানুহজনে কোন? বিজয়ৰ পাছত গপতে গঙাটোপ হৈ থকা নেতাই ক'লে, "অ', এইজন বন্দী? তেওঁৰ নাম কালীনাথ। এওঁ কেৱল আমাৰ ৰাজ্যৰে নহয়, বৰঞ্চ প্ৰতিবেশী দেশ উদয়গিৰিৰ ৰজা দুৰ্মুখৰো প্ৰবল শত্ৰু। অৱণ্যত এওঁক বন্দী কৰিবলৈ আমি বহুত কষ্ট ভুগিব লগীয়া হ'ল।"

কালীনাথৰ কাহিনী শুনাৰ মানসেৰে বহুতো লোক অশ্বাৰোহী দলটোৰ পিছে পিছে ৰাজমহল অভিমুখে অগ্ৰসৰ হ'ল। অশ্বাৰোহী দলৰ নেতাই ৰাজমহলৰ প্ৰবেশদ্বাৰত নিজৰ অনুচৰসকলক ৰ'বলৈ কৈ ৰাজমহলৰ ভিতৰত প্ৰৱেশ কৰিলে আৰু এজন চিপাহীৰদ্বাৰা ৰজা দেৱজিতক জানিবলৈ দিলে যে কালীনাথক বন্দী কৰা



হৈছে। ৰজা দেৱজিতে তেওঁৰ প্ৰধানমন্ত্ৰীৰ লগত প্ৰতিবেশী ৰাজ্যৰ সম্ভাব্য আক্ৰমণ সম্পৰ্কে আলোচনা কৰি আছিল।

খবৰটো পাই তেওঁ বৰ আনন্দিত হ'ল আৰু ক'লে, "মহামন্ত্ৰী, এই ব্যক্তিজনৰ বাবেই আমি প্ৰতিবেশী ৰাজ্যৰ লগত যুদ্ধ কৰিব লগীয়া পৰিস্থিতিৰ উদ্ভৱ হৈছে। এতিয়া আপুনিয়েই কওকচোন এঁওক আমি প্ৰাণে নামাৰি ৰজা দুৰ্মুখৰ হাতত গতাই দিম নে এঁওক ফাচী দি মৃতদেহটো পঠিয়াই দিয়া ভাল হ'ব ?"

"মহাৰাজ, ৰজা দুৰ্মুখে দিয়া চিঠি অনুসাৰে এই দুয়োটা বিকল্পৰ যিকোনো এটাই তেওঁ মানি ল'ব। কিন্তু আমি প্ৰথমতে নিশ্চিত হ'ব লাগিব যে ডকাইতহঁতক উদয়গিৰিলৈ খেদি পঠিওৱা কালীনাথ এই জনেই। অন্যথা ৰজা দুৰ্মুখৰ পৰা আমি নতুন বিপদৰ সমুখীন হ'ব লাগিব।" মন্ত্ৰীয়ে পৰামৰ্শ দিলে।

"অশ্বাৰোহী দলৰ নেতাই খবৰ পঠিয়াইছে যে ৰাজদ্ৰোহী কালীনাথকেই বন্দী কৰি অনা হৈছে।" ৰজা দেৱজিতে ক'লে।

"কালীনাথ নামৰতো বহুত মানুহ থাকিব পাৰে। সেয়েহে আপুনি এইজন বন্দীক সোধপোচ কৰি লোৱাৰ পিছতহে দণ্ড দিয়া উচিত হ'ব।" মন্ত্ৰীয়ে ৰজাক বুজালে।

ইয়াৰ পিছত ৰজা আৰু মন্ত্ৰী ৰাজমহলৰ বাহিৰৰ মুকলি পথাৰলৈ ওলাই আহিল। তাত ইতিমধ্যে জনতাই ভিৰ কৰিছিলহি। মন্ত্ৰীৰ আদেশ পাই অশ্বাৰোহীসকলে কালীনাথক বন্ধনমুক্ত কৰিলে আৰু তেওঁক ঘোঁৰাৰ পিঠিৰপৰা নমাই আনিলে।

কালীনাথে ঘোঁৰাৰপৰা নামিয়েই ক'লে, "মহাৰাজ! আপোনাৰ সৈনিকসকলে অৰণ্যত মোৰ ওপৰত অতৰ্কিতে আক্ৰমণ চলাই মোক বন্দী কৰি আনিছে। আপুনি তেওঁলোকক যথাযথ শাস্তি দিয়ক।"

এই কথা শুনি ৰজা দেৱজিত বিস্ময়ত অভিভূত হ'ল আৰু ক'লে, "মোৰ দহ বছৰৰ শাসনত কোনো অপৰাধীয়ে এনে কথা কোৱাৰ ধৃষ্টতা দেখুওৱা নাই।"

ইয়াৰ লগে লগে ক্ৰোধান্বিত মন্ত্ৰীয়ে হাত দাঙি লৈ ক'লে, "তুমি মহাৰাজৰ অনুমতি নোলোৱাকৈ কিবা বলকিছা। এই অপৰাধত এতিয়াই তোমাৰ শিৰচ্ছেদ কৰিব পৰা যায়, কিন্তু আমি তোমাৰ পৰিচয় ল'ব লাগে সেয়েহে তুমি বাচি গ'লা। চন্দ্ৰপুৰ ৰাজ্যৰ অৰণ্যত বাস কৰা ডকাইতহঁতক উদয়গিৰি ৰাজ্যলৈ খেদি পঠিওৱাজন তুমিয়েই নহয় জানো ? তোমাৰ নাম কি ?"

"মোৰ নাম কালীনাথ ! মই এইখন

ৰাজ্যৰেই নাগৰিক । এইটো সঁচা যে আমাৰ ৰাজ্যৰ জনতাৰ সম্পত্তি আৰু শস্য লুটি নিয়া ডকাইতহঁতক মইয়েই গাঁওবাসীৰ সহায়ত বাধা দিছিলো আৰু সিহঁতৰ কেইটামানক নিধনো কৰিলো । কিন্তু সিহঁতৰে কেইটামান ডকাইত উদয়গিৰি ৰাজ্যৰ অৰণ্যলৈ পলাই গৈছে । এই কথাৰ বাবে মই কেনেকৈ দোষী হ'লো তাকেহে মই বুজি পোৱা নাই ।" কালীনাথে কৈফিয়ৎ দিলে ।

খঙত জ্বলি-পকি উঠা মন্ত্ৰীয়ে ক'লে, "মহাৰাজ ! এই অপৰাধীয়ে মই সোধা প্ৰশ্নৰ কেৱল কঠুৱা উত্তৰ দিয়াই নহয়, ওলোটাই সিহে আমাক প্ৰশ্ন সুধিছে সি কেনেকৈ দোষী। ইয়াক আপুনি উচিত দণ্ড দিয়ক ।"

ৰজা দেৱজিতে ক'লে, "অ', এঁওৱেই তেন্তে সেই কালীনাথ, যাক দণ্ড দিবলৈ আমি বিচাৰি ফুৰিছো । শুনা কালীনাথ, তুমি মোৰ বিনা অনুমতিত মোৰ কেইজনমান নাগৰিকক বধ কৰাই নহয়, তুমি আমাৰ প্ৰতিবেশী ৰাজ্য উদয়গিৰিৰ ৰজাই আমাৰ প্ৰতি দেখুওৱা শত্ৰুতাৰো কাৰণ হৈ উঠিছা । সেয়েহে মই তোমাক মৃত্যুদণ্ড দিছো ।"

এই আদেশ শুনি কালীনাথে ক'লে, "মহাৰাজ ! কোনখন ন্যায়শাস্ত্ৰ অনুসাৰে আপুনি মোক এই দণ্ড দিছে ? মোৰ দেউতাই আপোনাৰ ৰাজসভাত চাকৰি কৰিয়েই এখন যুদ্ধত প্ৰাণ আহুতি দিছিল । আপোনাৰ ওচৰত কৰ্মসংস্থান বিচাৰিয়েই নিজৰ গাঁও এৰি মই বাটকুৰি বাই এইখিনি পাইছোহি । ৰাইজৰ ওপৰত অত্যাচাৰ চলোৱা ডকাইত নিধন কৰাৰ পুৰস্কাৰ মৃত্যুদণ্ডইনে মহাৰাজ ?"

"তোমাৰ কপালত তাকেই লিখা আছে !"

কঠোৰ সুৰত কথাষাৰ কৈ মন্ত্ৰীয়ে সৈনিকসকলক ক'লে, "তোমালোকে ৰজাৰ আদেশ শুনিছা নহয় ? নগৰৰ সীমাত থকা আঁহত গছৰ বনত ফাঁচী দি কালীনাথৰ মৃতদেহটো উদয়গিৰি ৰাজ্যলৈ পঠিওৱাৰ ব্যৱস্থা কৰা ।"

মন্ত্ৰীয়ে কথাখিনি কৈ উঠিছেহে মাত্ৰ, জনতাৰ মাজত এটা বিৰাট কোলাহল শুনা গ'ল । তাৰে কেইজনমানে উচ্চস্বৰত চিঞৰি উঠিল, "এইটো কেনেকুৱা ন্যায় হৈছে, মহাৰাজ? কালীনাথে আমাৰ ডাঙৰ উপকাৰ কৰি থৈছে।"

"বাহ, কি আচৰিত কথা ! এই নগৰত মহাৰাজক পৰামৰ্শ দিব পৰা ইমান বিবেকশীল মানুহো আছে ।" এইবুলি কৈ মন্ত্ৰীয়ে খঙেৰে সৈনিকসকলক নিৰ্দেশ দিলে, "সেই চিঞৰ-বাখৰ কৰা ৰাজদ্ৰোহীহঁতক বন্দী কৰি কাৰাগাৰত নিক্ষেপ কৰা ।"



মন্ত্ৰীৰ আদেশ পাই অশ্বাৰোহী সৈনিক-সকলে তেওঁলোকৰ ঘোঁৰাবোৰ জনতাৰ ভিৰৰ ফালে চেকুৰাই দিলে ।

ভয়তে বিতত হোৱা প্ৰজাই থাওকতে ফৰিং চিটিকা দিলে। তাকে দেখি ৰজা দেৱজিতে ক'লে, "এই অসভ্য জনতাক নিয়ন্ত্ৰণ কৰিবলৈ দণ্ডনীতিহে উপযুক্ত অস্ত্ৰ । আপুনি ঠিক সময়তে এই আদেশ জাৰি কৰিলে, মহামন্ত্ৰী !" এইবুলি কৈ ৰজা নিজৰ প্ৰাসাদ অভিমুখে অগ্ৰসৰ হ'ল । মন্ত্ৰীয়েও ৰজাক অনুসৰণ কৰিলে ।

অশ্বাৰোহী দলৰ নেতাই কালীনাথৰ ওচৰলৈ আহি ক'লে, "তুমি ৰজাৰ আদেশ শুনা নাই জানো ? এই কথাত মই বৰ দুখ পাইছো । কিন্তু ৰজাৰ আদেশ শিলৰ ৰেখা ।"

এইখিনি কথা শুনি কালীনাথ খঙত কঁপি উঠিল । খাপৰপৰা তৰোৱাল উলিয়াবলৈ চেষ্টা কৰিও তেওঁ ৰৈ গ'ল আৰু ক'লে, "তোমাৰ ৰজাৰ আদেশ কেনে মূৰ্খামিৰ চিন সেই কথা জনতাৰ বাহিৰে আন কোনেও বুজিবলৈ চেষ্টা নকৰিলে । ৰজা দেৱজিতে, জনতাৰ কল্যাণৰ কথা ভবা মোৰ দৰে এজন লোকক ফাঁচী দিবলৈ ওলাইছে । এইয়াতো ঘোৰ অন্যায়!"

"ৰাজ্যৰ কল্যাণৰ কথা কেৱল ৰজাইহে জানে । তুমি আৰু মই এই কথা কেনেকৈ বুজিম বাৰু? যি হ'ল, হ'ল আৰু । ব'লা, তোমাক যি আঁহত গছৰ বনত ফাঁচী দিয়া হ'ব সেই বন পাঁওগৈ মানে কিজানি ফাঁচী দিয়াটো স্থগিত ৰাখিবলৈকে ৰজাই আদেশ দিয়ে !" অশ্বাৰোহী দলৰ নেতাই বুজালে ।

দৰাচলতে ৰজাই নতুনকৈ এনে এটা আদেশ দিব বুলি কালীনাথে আশা কৰা নাছিল । তেওঁ ভাবিছিল যে কিবা নহয় কিবা উপায়েৰে সৈনিকসকলৰ কবলৰপৰা পলাই যাব লাগিব ।

অশ্বাৰোহী দলৰ নেতাই তেওঁৰ অনুচৰসকলক সাৱধান কৰি কালীনাথক ক'লে, "এতিয়া তোমাৰ হাতত হাতকেৰেয়া লগাব লাগিব ।" এইবুলি কৈ তেওঁ কালীনাথৰ ওচৰলৈ আহিল ।

"কেইটিমান মুহূৰ্তৰ পাছতে মৃত্যু বৰণ কৰিব লগীয়া অপৰাধীক আকৌ কিয় হাতকেৰেয়া লগাব লাগিছে ? মই পলাই যাব পাৰো বুলি তোমালোকে ভয় খাইছা নহয় জানো? লোৱা, লাগে যদি মোৰ তৰোৱালখনকে ৰাখি থোৱা । অস্ত্ৰ-শস্ত্ৰৰে সুসজ্জিত ইমানবোৰ সৈনিকৰ মাজৰপৰা মোৰ দৰে এজন নিৰস্ত্ৰ মানুহ কেনেকৈ পলাই যাব পাৰে?" এইবুলি কৈ কালীনাথে

খাপৰপৰা তৰোৱালখন উলিয়াই অশ্বাৰোহী দলৰ নেতাৰ হাতত অৰ্পণ কৰিলে ।

নেতাই সন্তুষ্ট হৈ ক'লে, "কালীনাথ ! মৃত্যুমুখীজনৰ শেষ ইচ্ছা পূৰণ কৰা উচিত ! যদিহে তুমি পলাই যোৱাৰ চেষ্টা কৰা তেন্তে দহজন অশ্বাৰোহীৰ দহখন উদ্যত তৰোৱালে তোমাৰ ডিঙি টুকুৰা টুকুৰ কৰিব ।

ইয়াৰ পাছত কালীনাথৰ আগত পাঁচজন সৈনিক আৰু পিছফালে পাঁচজন সৈনিক মাজত কালীনাথক লৈ নগৰৰ সীমা অভিমুখে অগ্ৰসৰ হ'ল । সেই সময়ত জনতা ৰজা দেৱজিতৰ নিন্দাত ব্যস্ত আছিল ।

এঘন্টা পাছত আটাইবোৰ লোক নগৰৰ সীমাৰ ওচৰত থকা আঁহত গছৰ বনৰ ওচৰ পালেগৈ । সেই বনৰ ওচৰতে আছিল এটা ওখ পাহাৰ । এটা পাহাৰীয়া ঝৰণা বিশ-ত্ৰিশ ফুট ওপৰৰপৰা তলৰ বৃহৎ শিলবোৰত পৰি ভয়ংকৰ শব্দ হৈছিল ।

অশ্বাৰোহীসকলৰ সৈতে গছবোৰৰ মাজলৈ সোমাই আহিয়েই কালীনাথে পলোৱাৰ উপায় বিচাৰি এবাৰ চাৰিওফালে চালে আৰু সুধিলে, "তোমালোকে মোক ইয়াতেই ফাঁচী দিবা নেকি ?"

অশ্বাৰোহী দলৰ নেতাই এই প্ৰশ্নৰ উত্তৰ দিব খুজিছেহে, এনেতে এটা প্ৰকাণ্ড ম'হৰ ওপৰত উঠি অহা এটা ক'লা আকৃতি আটাইৰে দৃষ্টি গোচৰ হ'ল । ম'হৰ ওপৰত উঠি থকা ব্যক্তিজনে মূৰৰপৰা ভৰিলৈ ঢাক খাই থকা এটা কোলা পোচাক পিন্ধি আছিল। অৰশ্যে এটা ভৰিৰ কিছু অংশ ওলাই আছিল।

ওপৰত উঠি থকা ব্যক্তিজনে নিজৰ হাতত থকা কুঠাৰখন ওপৰলৈ কৰি অশ্বাৰোহীসকলৰ ফালে তীব্ৰ গতিৰে আগবাঢ়ি আহিল আৰু চিৎকাৰ কৰি উঠিল, "তোমালোক কোন ? এই প্ৰধান ঘাতকৰ



দ্বাৰা ইয়াৰ আগতে শিৰচ্ছেদ হোৱা মানুহৰ প্ৰেতাত্মা নেকি? নে নতুনকৈ শিৰচ্ছেদ কৰাবলৈ অহা মানুহৰ দল?"

তীব্ৰ গতিত আগবাঢ়ি অহা ম'হটো দেখি ঘোঁৰাবোৰে থৰকাচুটি হেৰুৱাই ইফালে-সিফালে পলাবলৈ ধৰিলে । পলোৱাৰ এইটোৱেই সুবৰ্ণ সুযোগ বুলি ভাবি কালীনাথে নিজৰ ঘোঁৰাটো আগলৈ হেঁচুকি দিব খুজিছেহে মাত্ৰ, তেনেতে ম'হৰ ওপৰত উঠি থকা ব্যক্তিজন বিজুলী বেগেৰে আহি সেইখিনি পালেহি আৰু ঘোঁৰাৰ লেকামত ধৰি ক'লে, "ভূত-প্ৰেতৰ বাবে আঁহত গছ অত্যন্ত প্ৰিয় ; সেয়েহে ৰজাই ডকাইত আৰু দেশদ্ৰোহীবোৰক ইয়াতেই মৃত্যুদণ্ড দিয়ে । তুমি ডকাইত নে দেশদ্ৰোহী ?"

"মই এই দুয়োটাৰ এটাও নহঁও । পিছে তুমিয়েই কোৱাচোন, তুমিনো কোন জাতিৰ পিশাচ ?" ব্যক্তিজনৰ হাতৰপৰা কালীনাথে নিজৰ ঘোঁৰাৰ লেকামডাল আজুৰি আনিবলৈ চেষ্টা কৰি সুধিলে । তেনেতে ইফালে-সিফালে যোৱা চাৰিজন অশ্বাৰোহী সেইখিনি পালেহি । অশ্বাৰোহীসকলৰ নেতাই ক্ৰোধান্বিত হৈ ম'হৰ ওপৰত উঠি থকা ব্যক্তিক সুধিলে, "তোমাৰ দেখিছো বৰ দৌৰাত্ম্যহে ! তোমাৰ শৰীৰত কোনো ভূত-প্ৰেত প্ৰবেশ কৰা নাইতো ?"

এই প্ৰশ্ন সুধি ম'হৰ ওপৰত উঠি থকা ব্যক্তিয়ে কালীনাথৰ ঘোঁৰাৰ লেকাম এৰি ক'লে, "এই নগৰৰ প্ৰধান ঘাতকক যিহকে-তিহকে প্ৰশ্ন কৰাৰ সাহস তুমি ক'ৰপৰা পালা? ৰজাই ইচ্ছা কৰিলে তোমাকো মৃত্যুদণ্ড দি মোৰ ওচৰলৈ পঠিয়াব পাৰে । তেতিয়া এই কুঠাৰৰ একেটা ঘাপতে তোমাৰ প্ৰাণবায়ু উৰি যাব !"

"কি ক'লি ? মই এই অপমান সহ্য কৰিব নোৱাৰো !" এইবুলি কৈ অশ্বাৰোহী দলৰ নেতাই চকুৰ পচাৰতে খাপৰপৰা তৰোৱালখন উলিয়াই ল'লে । ঠিক পিছ মুহূৰ্ত্ততে কালীনাথে ঘাতকৰ হাতৰপৰা কুঠাৰখন থাপ মাৰি আনি সেইখনেৰে অশ্বদলৰ নেতাৰ ডিঙিত বহুৱাই দিলে ।

অশ্বাৰোহীসকলৰ নেতাৰ মূৰটো দূৰত ছিটিকি পৰিলগৈ । তেনেতে দূৰৰপৰা এটা জয়ধ্বনি ভাহি আহিল, "জয় ভালুক তান্ত্ৰিকৰ জয় ! তুমিতো দেখিছো বেচ পৰাক্ৰমী ।"

(ক্ৰমশঃ)

ৰজা বিক্ৰম আৰু বেতালৰ নতুন কাহিনী

সততা আৰু দেশভক্তি

প্ৰতিজ্ঞাবদ্ধ বিক্ৰমাদিত্য পুনৰ সেই গছজোপাৰ ওচৰলৈ গ'ল। গছৰপৰা মৰাশটো নমাই নিজৰ কান্ধত তুলি লৈ তেওঁ আকৌ শ্মশানৰ ফালে অগ্ৰসৰ হ'ল। তেনেতে শটোৰ ভিতৰত থকা বেতালে মাত লগালে, "ৰাজন, তুমি বিদ্বান, চিন্তাশীল। তথাপি তুমি অনাহকতে এই শ্মশানত কষ্ট ভুগি আছা কিয় ? মই বুজি পোৱা নাই তুমি কিয় এনে কাম কৰিব লগীয়া হৈছে ? এনেকুৱা হোৱা নাইতো, কোনো কপট, স্বাৰ্থপৰায়ণ লোকে নিজৰ অভীষ্ট সিদ্ধিৰ বাবে তোমাৰদ্বাৰা এই কাম কৰোৱাই আছে, তোমাৰ সততাৰ পৰা লাভ আহৰণ কৰি আছে। এনেকুৱা স্বাৰ্থান্বেষীৰ কবলত পৰিয়েই অনন্তই পিছত অনুতাপ কৰিব লগীয়া

হৈছিল। তোমাৰ ভাগৰ দূৰ কৰিব খুজিলে এই কাহিনী মন দি শুনা।" এইবুলি কৈ বেতালে কাহিনীটো আৰম্ভ কৰিলে।

বহুত দিনৰ আগতে সৎকাৰ নামৰ এজন ৰজাই মন্দাৰক নামৰ এখন দেশ শাসন কৰিছিল। তেওঁৰ নিৰজ নামৰ এজন চেনেহৰ পুতেক আছিল। ৰজা সৎকাৰে নিৰজক শৈশৱতে উপযুক্ত শিক্ষা লাভৰ বাবে গোবিল নামৰ এজন গুৰুৰ গুৰুকুললৈ পঠিয়াইছিল।

গুৰুকুলত মুঠতে দহজন বিদ্যাৰ্থী আছিল। তেওঁলোকৰ ভিতৰত অনন্তৰ বাহিৰে আন আটাইকেউজনে নিৰজক প্ৰয়োজনতকৈ বেছি আদৰ কৰিছিল। তেওঁলোকে ভাবিছিল ৰাজকুমাৰে কেতিয়াবা তেওঁলোকক শাস্তি দিব পাৰে। এই ভয়তে তেওঁলোক নিৰজৰপৰা পৰাপক্ষত দূৰে দূৰে থাকিছিল। কিন্তু অনন্তই প্ৰথমদিনাই নিৰজৰ লগত বন্ধুত্ব গঢ়ি তুলিছিল। শান্ত আৰু নম্ৰ স্বভাৱৰ অনন্তক নিৰজৰ ভাল লাগিছিল।

পিছে ৰাজকুমাৰ হোৱাৰ বাবে নিৰজৰ এটা গৰ্ব আছিল। লগতে তেওঁ আছিল মূৰ্খও। সেয়েহে কেতিয়াবা কেতিয়াবা তেওঁ অনন্তক আদেশৰ সুৰত কথা ক'বলৈ চেষ্টা কৰিছিল। তথাপি অনন্তৰ খং উঠা নাছিল।

গুৰুৱে শিকোৱা পাঠ নিৰজে বুজি পোৱা নাছিল। কিন্তু গুৰুক তেওঁ সেই কথা জানিবলৈ নিদিছিল। সুবিধা পালেই নিৰজে অনন্তৰ পৰা কথাবোৰ শিকি লৈছিল। অনন্তই অশেষ ধৈৰ্যৰে ৰাজকুমাৰক কথাবোৰ শিকাই দিছিল। কেতিয়াবা আনকি প্ৰয়োজন হ'লে অনন্তই নিৰজক একেখিনি কথাকে বাৰে বাৰে শিকাইছিল।

লাহে লাহে নিৰজৰ পঢ়া শুনাত ধাউতি বাঢ়ি আহিল। এই কথা মন কৰি গুৰুৱে ৰাজকুমাৰক আৰু অধিক উৎসাহ দিবলৈ মাজে সময়ে নিৰজৰ প্ৰশংসা কৰিবলৈ ধৰিলে। প্ৰথমদিনা গুৰুৱে ৰাজকুমাৰক প্ৰশংসা কৰোতে নিৰজে অনন্তক ক'লে, "অনন্ত, গুৰুৱে আজি মোৰ যি প্ৰশংসা কৰিছে তাৰ সম্পূৰ্ণ কৃতিত্ব তোমাৰেই। তোমাৰ এই উপকাৰৰ কথা মই কেতিয়াও নাপাহৰো। এইখন দেশৰ ৰজা হৈয়েই মই তোমাক মোৰ প্ৰধানমন্ত্ৰী নিযুক্ত কৰিম।"

নিৰজৰ কথা শুনি অনন্ত বৰ সুখী হ'ল। এই কথা শুনি গুৰু গোবিলে নিৰজক এদিন আৰু বেছি প্ৰশংসা কৰি ক'লে, "বৎস, মানুহক পশুতকৈ পৃথক কৰা মানুহৰ উত্তম গুণবোৰৰ এটা হৈছে কৃতজ্ঞতা। তোমাৰ উদাৰতা প্ৰশংসনীয়। তুমি অনন্তক দিয়া

প্ৰতিশ্ৰুতি যিকোনো পৰিস্থিতিতে পালন কৰিবা ।"

নিৰজে ইতিবাচক ভংগীত মূৰ দুপিয়ালে। পিছে ইয়াৰ পাছৰ ঘটনাবোৰ ইয়াৰ একেবাৰে বিপৰীত হ'ল । শিক্ষাৰ ক্ষেত্ৰত নিৰজ দোপতদোপে আগবাঢ়িল । কিন্তু ইয়াৰ লগে লগে তেওঁৰ অহংকাৰো বাঢ়ি আহিল । গুৰুকুলত লাহে লাহে সকলোৱে গম পালে যে নিৰজে অনন্তক দিয়া প্ৰতিশ্ৰুতিৰ কথা পাহৰি গৈছে ।

গুৰুকুলত নিজৰ শিক্ষা সাং কৰি এদিন অনন্তই গুৰু গোবিলক ক'লে, "গুৰুদেৱ, বিদ্যাৰ প্ৰতি থকা মোৰ স্পৃহা এতিয়াও কম হোৱা নাই । আপুনি যদি অনুমতি দিয়ে তেন্তে আৰাৱলী পৰ্বতৰ ওচৰত থকা গুৰু কৃষ্ণচন্দ্ৰৰ গুৰুকুললৈ গৈ মই আৰু কিছুদিনলৈ শিক্ষা ল'ব খোজো । ইয়াৰ পাছত প্ৰয়োজন হ'লে মই নিৰজক তেওঁ দিয়া প্ৰতিশ্ৰুতিৰ কথা মনত পেলাই দিম ।"

গুৰু গোবিলে আনন্দিত হৈ ক'লে, "সেইজন মহান গুৰুৰপৰা শিক্ষা লাভ কৰিব পাৰিলে তুমি সম্পূৰ্ণ যোগ্যতা অৰ্জন কৰিব পাৰিবা । তোমাৰ জীৱন সাৰ্থক হ'ব । যোৱা, মই তোমাক আশীৰ্বাদ দিছো ।"

নিৰজেও গুৰুদক্ষিণা দি ৰাজধানীলৈ উভতি গ'ল । চকুৰ পচাৰতে ছটা বছৰ পাৰ হ'ল । নিৰজৰ ৰাজ অভিষেক সম্পন্ন হ'ল । ৰজা হোৱাৰ লগে লগে নিৰজে তেওঁক কথাই কথাই তোষামোদ কৰা সুপ্ৰতীকক তেওঁৰ প্ৰধান উপদেষ্টা নিয়োগ কৰিলে । লাহে লাহে শাসনকাৰ্যৰ প্ৰতিটো কথাতে ৰজাই তেওঁৰ প্ৰধান উপদেষ্টাৰ কথাকে বেদৰ বাণীৰ দৰে

মানিবলৈ ধৰিলে । সুপ্ৰতীক আৰু ৰজাই লগলাগি নতুন শাসন প্ৰণালীৰ নামত শাসন পদ্ধতিত অনেক পৰিৱৰ্তন, অনেক সংস্কাৰ আনিলে ।

জনতাই এইবোৰ পৰিৱৰ্তনৰ কথা বুজি নোপোৱাত তেওঁলোক এটা বিব্ৰতকৰ পৰিস্থিতিৰ মুখামুখি হ'ব লগীয়া হ'ল । এনে পৰিৱৰ্তনত অসন্তুষ্ট জনতাই খোলাখুলিকৈ ৰজাৰ বিৰোধিতা কৰিবলৈ ধৰিলে । এই পৰিস্থিতিৰ সুবিধা ল'বলৈ এখন শত্ৰু দেশৰ ৰজা উঠি পৰি লাগিল । ৰজা নিৰজে তেওঁৰ গুপ্তচৰৰ পৰা গম পালে যে শত্ৰু দেশৰ ৰজাই যিকোনো মুহূৰ্ততে তেওঁৰ ৰাজ্যৰ ওপৰত আক্ৰমণ চলাব পাৰে । ৰজা নিৰজে সুপ্ৰতীকৰপৰা পৰামৰ্শ বিচাৰিলে ।

এইটো এটা ডাঙৰ কিবা সমস্যা বুলি মানিবলৈকে সুপ্ৰতীক ৰাজী নহ'ল । সমস্যাৰ গভীৰতালৈ নোযোৱাকৈ তেওঁ ক'লে, "ভয়



কিহৰ মহাৰাজ ? যিমান পাৰি সিমান বেছিকৈ দৰমহা দি আমি ৰাজ্যৰ ডেকা ল'ৰাবোৰক সেনাবাহিনীত ভৰ্তি কৰোৱাম । শত্ৰুৱে আমাৰ ওপৰত আক্ৰমণ চলোৱাৰ আগতেই আমি শত্ৰু ৰাজ্যৰ ওপৰত আক্ৰমণ চলাম । সেই ৰাজ্য দখল কৰিব পাৰিলে দশোদিশে আপোনাৰ নাম ৰৈ বৈ যাব ।"

"তুমি যেনেকৈ কৈছা, কামটো যেন বাঁওহাতৰহে খেল । তুমি নাজানানে আমাৰ ৰাজকোষত ইমানখিনি ধন নাই বুলি ?" ৰজাই সুপ্ৰতীকক ক'লে ।

নিৰজে দক্ষিণী পৰ্বতৰ কথা জানিছিল । মন্দাৰক দেশৰ উত্তৰ ভাগত থকা ডাঙৰ পৰ্বতটোক দক্ষিণী পৰ্বত নামেৰে জনা গৈছিল। সেই পৰ্বতৰ ওপৰত আছে এক প্ৰচীন মন্দিৰ যিটোৰ মুখ্যদ্বাৰৰ ওচৰতে আছে দেৱনাগৰী লিপিত কিবা লিখি থোৱা এটুকুৰা বৃহৎ শিলাখণ্ড । মন্দিৰৰ সমুখত থকা সৰোবৰৰ ঠিক সোঁমাজতে আছে তীব্ৰ গতিত ঘূৰি ফুৰা এটা ভোমোৰা । মন্ত্ৰ তন্ত্ৰ জনা শাস্ত্ৰজ্ঞ, সাহসী তথা কোনো নিস্বাৰ্থ যুৱকে সেই ভোমোৰাৰ দেহত প্ৰবেশ কৰি যদি সেই ঠাইৰ ৰক্ষক যক্ষমায়াক পৰাভূত কৰিব পাৰে তেন্তে তেওঁ বৃহৎ ৰত্ন ভাণ্ডাৰ লাভ কৰিব পাৰিব । বৃহৎ শিলাখণ্ডত এইখিনি কথাই লিখা আছিল ।

সুপ্ৰতীকে কোৱা কথা শুনি ৰজা নিৰজৰ এই শিলালিপিৰ কথা মনত পৰিল যদিও দুখমনেৰে ক'লে, "দক্ষিণী পৰ্বতৰ এই কথা জানিওনো কি লাভ হ'ব ? নিজৰ জীৱনৰ মায়া এৰি এই বিপদজনক কাম কৰিবলৈ যোৱাটো মোৰ পক্ষে মুঠেই সম্ভৱপৰ নহয়।"

হাঁহি এটা মাৰি সুপ্ৰতীকে ক'লে, "মহাৰাজ, মইনো কেতিয়া ক'লো আপুনিয়েই এই কাম কৰিবলৈ যাওক বুলি । মই শুনিছো আৰাৱলী পৰ্বতৰ নামনিত থকা কৃষ্ণচন্দ্ৰ গুৰুৰ আশ্ৰমত অনন্ত নামৰ এজন ব্যক্তিয়ে মন্ত্ৰ শাস্ত্ৰৰ গভীৰ অধ্যয়ন কৰি আছে। সেই শাস্ত্ৰত তেওঁ অদ্বিতীয় ।

তেওঁ সদ্যহতে আমাৰ শ্ৰেষ্ঠ ব্যৱসায়ী কৰ্পূৰচান্দৰ ঘৰত অতিথি হৈ আছেহি । মই ইয়াকো শুনিবলৈ পাইছো যে তেওঁ বৰ সাহসী আৰু নিস্বাৰ্থ । ৰাজ্যৰ কল্যাণৰ কথা ভাবিয়েই তেওঁক দক্ষিণী পৰ্বতলৈ যাবলৈ কওক । ৰত্নভাণ্ডাৰ লৈ তেওঁ যদি ঘূৰি আহিব পাৰে তেন্তে তেওঁক বহুত ধন-সোণ দিয়া হ'ব বুলি আপুনি জনাই দিয়ক। কওক মহাৰাজ, আপুনি কি ভাবে ?"

অনন্তৰ নাম শুনিয়েই ৰজা চিন্তাত পৰিল। অলপ সময় চিন্তা কৰি তেওঁ

সুপ্ৰতীকৰ প্ৰস্তাৱ মানি ল'লে । অনন্তলৈ বাৰ্ত্তা প্ৰেৰণ কৰা হ'ল ।

ৰাজসভালৈ আহিয়েই ৰজাই চেনেহেৰে অনন্তক আলিঙ্গন কৰিলে । তাৰ পিছত ৰজাই দক্ষিণী পৰ্বতৰ কথা বিৱৰি ক'লে । পৰম মনোযোগেৰে ৰজাৰ কথাখিনি শুনি অনন্তই ক'লে, "ৰাজন, আমি দুয়ো ইজনে সিজনক খুব ভালকৈ জানো । আপুনি বিচাৰিছে যেতিয়া মই দক্ষিণী পৰ্বতলৈ নিশ্চয় যাম ।"

নিজৰ কথা মতে শুভক্ষণত অনন্ত দক্ষিণী পৰ্বতলৈ গ'ল আৰু মন্ত্ৰ জপ কৰি সৰোবৰত নামিল । নিৰজো অনন্তৰ লগত আহিছিল । তেওঁ সৰোবৰৰ পাৰত বহি অনন্তৰ বাবে অপেক্ষা কৰি থাকিল । কিছু সময়ৰ পাছত ৰজাই দেখিলে অনন্ত সৰোবৰৰ পৰা ওপৰলৈ উঠি আহিছে আৰু অনন্তৰ মুখত প্ৰতিভাত হৈ উঠিছে এটা অভাৱনীয় জ্যোতি । নিৰজে তৎক্ষণাৎ অনন্তৰ ওচৰলৈ আহি সুধিলে, "অনন্ত, ৰত্ন ভাণ্ডাৰ পালানে ? ক'ত আছে?"

অনন্তই মিচিকিয়া হাঁহি এটা মাৰি ক'লে, "ব'লক মই আপোনাক দেখুৱাই দিও । কোনো বিপদ নাই । ভয় খোৱাৰ কোনো কাৰণ নাই ।" এইবুলি কৈ অনন্তই ৰজাৰ হাতত ধৰি পুনৰ সৰোবৰৰ পানীত নামিল । সেই সৰোবৰৰ গৰ্ভত সূৰ্যৰ কিৰণৰ দৰে জিলিকি থকা বৃহৎ ৰত্ন ভাণ্ডাৰ ৰজাৰ চকুত পৰিল । ৰজা নিৰজে মন্ত্ৰমুগ্ধ হৈ সেই ভাণ্ডাৰ চাই থাকিল ।

তেতিয়া অনন্তই নম্ৰভাবেৰে ক'লে, "মহাৰাজ, মই যি অমূল্য ৰত্ন ভাণ্ডাৰ পাইছো সেইখিনি আপুনি বিচৰা মতেই ৰাজ্যৰ

কল্যাণৰ নিমিত্তে মই আপোনাৰ হাতত অৰ্পণ কৰিম । কিন্তু তাৰ বিনিময়ত মোক কোনো ধন সোণ নালাগে ।" নিৰজে আচৰিত হৈ সুধিলে, "তেন্তে লাগিব কি?"

"আপুনি গুৰুকুলত থাকোতেই মোক এটা কথা দিছিল । সেইমতে আপুনি মোক আপোনাৰ প্ৰধানমন্ত্ৰী হিচাপে নিযুক্তি দিয়ক। মোক তাকে লাগে ।"

এই কথা শুনি ৰজা অবাক হ'ল । লাজত মূৰ দোঁৱাই তেওঁ অনন্তৰ ভৰি চুই ক'লে, "মহাত্মা, আপুনি সাধাৰণ মানৱ নহয় । এই মুহূৰ্ত্তৰেপৰা আপোনাক মোৰ প্ৰধানমন্ত্ৰী হিচাপে নিযুক্তি দিয়া হ'ল । আপোনাৰ অনুমতি নোলোৱাকৈ মই আজিৰে পৰা কোনো কাম নকৰো ।"

এই কাহিনী কৈ উঠি বেতালে ক'লে, "ৰাজন, ৰত্ন ভাণ্ডাৰ আনিবলৈ যোৱাৰ আঁৰত নিৰজৰ যে স্বাৰ্থ আছিল সেই কথা স্পষ্ট । কিন্তু বিদ্বান আৰু সাহসী অনন্তৰ কাম কাজো কিবা অবিবেচক আৰু আচহুৱা যেন লাগে । যদিহে তেওঁ নিস্বাৰ্থ আছিল তেন্তে ৰত্ন ভাণ্ডাৰ ৰজাক সঁপি দি তেওঁ তাৰ বিনিময়ত একো নিবিচাৰি নীৰৱে গুচি যোৱা উচিত আছিল বা তেওঁ ৰত্ন ভাণ্ডাৰৰ পৰা নিজৰ অংশটো বিচাৰিব পাৰিলেহেঁতেন । তেওঁ ভালকৈ জানিছিল যে নিৰজ কপট ব্যক্তি। তথাপি তেওঁ ৰজা নিৰজৰ প্ৰধানমন্ত্ৰী হোৱাৰ ইচ্ছা প্ৰকট কৰিছিল কিয় ? মোৰ এই প্ৰশ্নৰ উত্তৰ তুমি যদি জানিও নিদিয়া তেন্তে তোমাৰ মূৰ ফাটি চিৰাচিৰ হ'ব ।"

বিক্ৰমাদিত্যই ক'লে, "দেশৰ কল্যণৰ কথা ভবা অনন্ত যে নিস্বাৰ্থ তাত সন্দেহ নাই । সেয়েহে গুৰুকুলত থাকোতে তেওঁ দেশৰ ভাবী ৰজাক সহায় কৰিছিল । নিৰজ কপট, স্বাৰ্থপৰায়ণ হ'ব পাৰে, কিন্তু সেই সময়ত দেশৰ অৱস্থাৰ কথা চিন্তা কৰিয়েই অনন্তই প্ৰধান মন্ত্ৰীৰ পদ বিচাৰিছিল। এফালেদি শত্ৰুৰ আক্ৰমণ সমাগত, আনহাতে ৰাজকোষ খালী । এনে সময়ত দেশক ৰক্ষা কৰাটো তেওঁৰ কৰ্ত্তব্য । প্ৰধানমন্ত্ৰীৰ পদ বিচাৰি অনন্তই ৰজাক কৰা অনুৰোধত তেওঁৰ দেশভক্তি আৰু ৰাজনৈতিক বিচক্ষণতাৰেই পৰিচয় পোৱা যায় । ইয়াত অবিবেচনা বুলি কোনো কথাই থাকিব নোৱাৰে ।

ৰজাৰ মৌনতা ভংগ কৰাত সফল হৈ বেতালে শটোৰ সৈতে পুনৰ অদৃশ্য হৈ সেই গছজোপাত ওলমি থাকিলগৈ ।

(কৃষ্ণ প্ৰসাদৰ ৰচনাৰ আলম লৈ)

সংখ্যাত বাঢ়িল আৰু দুটা !

বিশ্বৰ লুপ্তপ্ৰায় প্ৰাণীসমূহৰ অন্যতম ডন লেংগুৰৰ প্ৰতিপালন কৰা চুইডেনত থকা বিশ্বৰ একমাত্ৰ চিৰিয়াখানাত ইয়াৰ আৰু এটি পোৱালি জন্ম হৈছে । খুব কম সময়ৰ ভিতৰতে এইটো এনেকুৱা পোৱালি জন্ম হোৱাৰ দ্বিতীয়টো ঘটনা বুলি চিৰিয়াখানাৰ ফালৰপৰা জনোৱা হৈছে । এইটো প্ৰজাতি সচৰাচৰ ভিয়েটনাম আৰু লাওচত পোৱা যায় । আন এটা কাৰণত এই দুটা পোৱালি চাবলৈ দৰ্শনাৰ্থীৰ প্ৰচণ্ড ভিৰ লাগিছে। দুটা পোৱালিৰ বাবে চিৰিয়াখানা কৰ্তৃপক্ষই উপযুক্ত নাম বিচাৰি আছে আৰু ইয়াৰ বাবে এটা প্ৰতিযোগিতাও ঘোষণা কৰা হৈছে ।

ট্ৰেইনত কবিতা আবৃত্তি

অলপতে দেশৰ একেবাৰে দক্ষিণৰ কন্যাকুমাৰীৰ পৰা নতুন দিল্লীলৈ এখন নতুন ট্ৰেইন আৰম্ভ কৰা হৈছে । থিৰুকুৰাল এক্সপ্ৰেচ নামৰ এইখন ট্ৰেইন ইয়াৰ যাত্ৰাৰ চতুৰ্থটো দিনত ৰাজধানীত উপস্থিত হয় । ইয়াৰ প্ৰথমটো যাত্ৰাৰ যাত্ৰীসকলৰ ভিতৰত আছিল কন্যাকুমাৰীৰ ওচৰৰ কোলাথুৰ পি.প্ৰতীক্চা নামৰ এজনী ৫ বছৰীয়া ছোৱালী । যাত্ৰাৰ সময়ছোৱাত তাই মুঠতে ২০ টা ডবাৰ যাত্ৰীসকলে শুনি ভাল পোৱাকৈ কুৰালৰ স্তৱকসমূহ আবৃত্তি কৰি গৈছিল । যাত্ৰা শেষ হোৱাৰ সময়লৈকে কণমানি ছোৱালীজনীয়ে ২০০০ বছৰৰ আগেয়ে ৰচনা কৰা থিৰুকুৰালৰ কৰালৰ ১,৩৩০ টা দ্বিপদী কবিতাৰ আটাইকেউটা আবৃত্তি কৰিবলৈ সক্ষম হয় ।



তৃতীয়টো বৰ

দুজন ডেকাবন্ধুৱে ৰাস্তাৰ কাষৰ এখন হোটেলত বহি কথা পাতি আছিল। তেনেতে এজন অচিনাকি মানুহ কাষ চাপি আহিল, "আপোনালোকে এই হীৰাৰ আঙঠিটো কিনিবনে?" তেওঁ বন্ধু দুজনক সুধিলে।

সেই বন্ধু দুজনৰ এজন বিপুল সম্পত্তি-শালী আছিল। আনহাতে, আনজন বন্ধু চন্দ্ৰকান্ত এজন দুখীয়া শিক্ষক আছিল। তেওঁৰ আঙঠিটো কিনাৰ সামৰ্থ্য নাছিল। কিন্তু বিপুলে আঙঠিটো সঁচায়ে মূল্যবান বুলি গণ্য কৰিলে।

"আপুনি ক'ৰপৰা এই আঙঠিটো কিনিছে?" বিপুলে সুধিলে।

"মই এতিয়া নকওঁ। যদি এইটো আপুনি কিনিব নোখোজে, মই এজন গহনাৰ দোকানীক বেচি দিম। মোক এতিয়া অলপ পইচাৰ খুব প্ৰয়োজন, সেয়ে মই আপোনাক এইটো বেচিব খুজিছো।" অচিনাকী মানুহজনে ক'লে।

বিপুলে মানুহজনক তেওঁৰ ঘৰলৈ একেলগে আহিবলৈ ক'লে। অচিনাকী মানুহজনে আনন্দমনেৰে বিপুল আৰু চন্দ্ৰকান্তক অনুসৰণ কৰিলে। বিপুল অচিনাকী মানুহজনৰ সৈতে একেবাৰে বন্ধুৰ দৰে হৈ পৰিল আৰু ঘৰলৈ আহি আঙঠিটোৰ মূল্য দিলে। কিন্তু মানুহজনক তেওঁ ইমান সোনকালে যাবলৈ নিদিলে। "এতিয়া সন্ধিয়া হৈছেই। ৰাতিখন জেপত ইমানখিনি টকা লৈ আপুনি যাব নালাগে।" বিপুলে ক'লে। চন্দ্ৰকান্তয়ো বন্ধুৰ কথাত হয়ভৰ দিলে। অচিনাকী মানুহজনে ৰাতিটো থাকি যাবলৈ মান্তি হ'ল।

চন্দ্ৰকান্ত গুচি যোৱাৰ পিছত বিপুলে আলহীক বিভিন্ন ব্যঞ্জনেৰে নিশাৰ আহাৰ খুৱালে আৰু কেবাগিলাচো মদ খুৱালে।

অচিনাকী মানুহজনৰ কথা-বতৰাত আবুৰতা লাহে-লাহে নোহোৱা হ'ল । গৃহস্থৰ ওপৰত তেওঁ ইমানেই সন্তুষ্ট হ'ল যে আঙঠিটো ক'ৰ পৰা পাইছিল সেই বিষয়ে সকলো কথা কৈ দিলে ।

চহৰৰ পৰা অনতি দূৰত থকা এখন অৰণ্যত এজন তান্ত্ৰিক বাস কৰিছিল । প্ৰতি মাহতে অমাৱস্যাৰ দিনা কৰা এটা যজ্ঞৰ পিছত এজন মানুহৰ যি কোনো অভিলাষ পূৰণ কৰাৰ এক অদ্ভুত শক্তি তেওঁৰ আছিল । এই অপৰিচিত মানুহজনেও তান্ত্ৰিক জনক ভাল লগাবলৈ সক্ষম হ'ল । তান্ত্ৰিক জনে তেওঁক এটা শ্লোক গোৱাৰ পিছত যজ্ঞৰ অকণমান ছাই দিলে । আৰু ক'লে তিনিটা চকুৰ টিপত তিনিটা বৰ বিচাৰিব লাগে । এই মানুহজনে এটা হীৰাৰ আঙঠিৰ বাহিৰে অন্যএকোৰে ভাবি নাপালে । হীৰাৰ আঙঠিটো পোৱাৰ পাছত তেওঁ মুখেৰে কিবা ক'ব খোজোতেই খোকোজা লাগিল । পিছত তেওঁৰ বেয়া লাগিল এইটো ভাবি তেওঁ এখন ৰাজ্যনো নুখুজিলে কিয় ।

পিছদিনা, পুৱাৰ আহাৰ কৰি মানুহজন গ'লগৈ ।

বিপুলে নিজৰ বিশ্বাসী বন্ধু চন্দ্ৰকান্তক মতাই পঠালে । বিপুলে তান্ত্ৰিকজনৰ ওচৰলৈ যাবলৈ সিদ্ধান্ত কৰিছিল । কিন্তু অকলে যাবলৈ তেওঁৰ ভয় লাগিল । এই কামত তেওঁক লগ দিবলৈ চন্দ্ৰকান্তক অনুৰোধ কৰিলে ।

এই বিষয়ত চন্দ্ৰকান্তৰ অলপো আগ্ৰহ নাছিল। "তোমাৰ যথেষ্ট আছেই । তেনেস্থলত তুমি আৰু কিয় বিচাৰিব লাগে? মানুহক লাগে মানসিক শান্তি আৰু সৎভাৱে জীয়াই থকাৰ আনন্দ ।"

"তুমি কেনেকৈ ধৰি লৈছা যে মই পইচাৰ বাহিৰে আৰু একো নোখোজোঁ ?" বিপুলে যুক্তি দৰ্শালে ।

"চোৰা, বন্ধু, কিবা পাবলৈ হ'লে দুটাই শুদ্ধ পথ আছে । হয় তুমি তাৰ বাবে কাম কৰা নহয় স্বাভাৱিকভাৱে ই তোমাৰ হাতলৈ আহিব । এজন তান্ত্ৰিকৰ পৰা কিবা এটা পোৱাটো ইয়াৰ এটা শ্ৰেণীটো নপৰে । এনেকৈ অস্বাভাৱিকভাৱে পোৱা কোনো বস্তুৱে অনুশোচনা হ'ব লগীয়া পৰিণতি ঘটাব পাৰে ।" চন্দ্ৰকান্তই সাৱধান কৰি দিলে ।

কিন্তু বিপুলে তান্ত্ৰিকজনক লগ কৰিবলৈ দৃঢ়মনা হৈ পৰিছিল । চন্দ্ৰকান্তই বন্ধুৰ প্ৰতি থকা সহানুভূতি আৰু নগ'লে বিপুলে কিবা অঘটন ঘটাব পাৰে বুলি কৰা ভয় এই দুয়োটা কাৰণতে বিপুলৰ লগত গ'ল ।

দুয়ো অৰণ্যত সোমাই তান্ত্ৰিকজনৰ পঁজাটো বিচাৰি পোৱালৈ অমাৱস্যাৰ নিশাটো ওচৰ চাপি আহিল । তেওঁলোকৰ ভাল



কাৰোবাক অকমান ভস্ম হাতত দি তেওঁক যদি তিনিটা যি কোনো বৰ খুজিবলৈ কয় তেন্তে তেওঁৰ সেই ইচ্ছা পূৰণ হয়!" বিপুলে সুধিলে।

এই প্ৰশ্নত তান্ত্ৰিকজনৰ খং উঠিল। "তোমাক কোনে ক'লে ? নিশ্চয় সেই দুষ্ট মানুহজনে যি হীৰাৰ আঙঠি খুজিছিল। তেওঁক মই এই বিষয়ে কাকো এটা শব্দও ক'বলৈ মানা কৰিছিল। মই সেয়া তেওঁৰ প্ৰতি পুতৌ হোৱাতহে কৰিছিলো।" তান্ত্ৰিকে উত্তৰ দিলে।

"তেন্তে আপুনি মোৰ প্ৰতিও একে ধৰণে সহানুভূতিশীল নহয় কিয় ?" বিপুলে ক'লে।

তান্ত্ৰিকে হাঁহিবলৈ ধৰিলে। "বোপা, তুমি মোৰপৰা মৰম দাবী কৰিব নোৱাৰা। ই কাৰোবাৰ মনৰ ওপৰতহে নিৰ্ভৰ কৰে। তোমাৰ প্ৰতি মই সহানুভূতিশীল হোৱাৰ কোনো কাৰণ দেখা নাই।" তান্ত্ৰিকে উত্তৰ দিলে।

"কিন্তু মোক সেই বৰ দিলে আপোনাৰ একো লোকচান নহয়! কিয় তেনে আপুনি মোক বৰ দিব খোজা নাই ?" বিপুলে দাবী কৰিলে।

"ইয়াৰ ফল ভয়ঙ্কৰ হ'ব! মই তোমাক সাৱধান কৰি দিছোঁ।" তান্ত্ৰিকে ক'লে।

"কিন্তু মোৰ মনৰ ইচ্ছা পূৰণ নকৰিলে মই আপোনাৰ যজ্ঞ আৰম্ভ কৰিবলৈ নিদিও। মই যজ্ঞৰ যা-যোগাৰত আমনি কৰি থাকিম আৰু সেইদৰেই ৰাতিটো পাৰ হৈ যাব।" বিপুলে তান্ত্ৰিকক ভয় দেখুৱালে।

"সঁচানে ?" তান্ত্ৰিকে গহীনভাৱে সুধিলে।

চন্দ্ৰকান্তৰ বৰ অস্বস্তি লাগিল। "বিপুল, ভগৱানৰ দোহাই, তান্ত্ৰিকৰ খং নুঠাবা।

লাগিল যে তেওঁলোকক তান্ত্ৰিক জনে খুব আদৰ-সাদৰ কৰিলে। তেওঁ ভাবিছিল যে তেওঁলোকে অৰণ্যত বাট হেৰুৱাই সোমাইছে সেয়ে তেওঁ দুই বন্ধুক খোৱাবস্তু যাচিলে। "আপোনালোকে আজি ৰাতিটো মোৰ পঁজাতে থাকিব পাৰে। মই এতিয়া যজ্ঞৰ কাৰণে বহিম আৰু যজ্ঞ শেষ হোৱাৰ লগে লগে এই অৰণ্য চিৰদিনৰ বাবে এৰিম।" তান্ত্ৰিকে তেওঁলোকক ক'লে।

"কিন্তু, মহাশয়, আপুনি এই অৰণ্য একেবাৰে কিয় এৰিব লাগে ?" বিপুলে সুধিলে।

"এই কথাত তুমি কিয় চিন্তা কৰিছা ডেকা ল'ৰা ? এই কথা তোমাক জনোৱাত কোনো বিপদ নাই যে মই প্ৰতি অমাৱস্যাৰ দিনা কিবা এটা পাবৰ বাবে এটা যজ্ঞ কৰো। মোৰ আজিৰ যজ্ঞ সমাপ্ত হোৱাৰ লগে লগে এই পৰ্বৰো সমাপ্তি ঘটিব।" তান্ত্ৰিকজনে উত্তৰ দিলে।

"এইটো কথা সঁচা নে যে যদি আপুনি

তোমাৰ লোকচান হ’ব,” তেওঁ নিজৰ বন্ধুক সতৰ্ক কৰি দিলে ।

“তুমি মাত নামাতিবা । মনে মনে থাকা। মই এই সোণালী সুযোগ এৰি দিয়াত নাই ।” বিপুলে ক’লে ।

চন্দ্ৰকান্ত কেইখোজমান পিছুৱাই গ’ল আৰু কি কৰিব ভাবি নাপাই থিয় দি থাকিল। তেওঁ দেখা পালে তান্ত্ৰিকে জুই জ্বলাইছে আৰু কিছুমান শ্লোক পঢ়িছে আৰু বিপুল ওচৰতে থিয় দি আছে । অলপ পিছত তান্ত্ৰিকে অকণমান ভস্ম উঠাই লৈ বিপুলৰ তলুৱাত দিলে । বিপুলে কি বৰ খুজিছে চন্দ্ৰকান্তই শুনা নাপালে যদিও জুইৰ পোহৰত দেখা পালে তান্ত্ৰিকৰ মুখত ভ্ৰূকুটি ।

“মই তোমাক বৰ খুজিবলৈ সুযোগ দিলো কাৰণ মই তোমাক উপেক্ষা কৰিব নোৱাৰিলো কাৰণ মোৰ নিজৰ অভীষ্টৰ বাবেই মই আজি ৰাতিটো অথলে যাবলৈ দিব নোৱাৰো । এতিয়া ইয়াৰ পৰা যোৱা আৰু মোক শান্তিত থাকিবলৈ দিয়া ।” তান্ত্ৰিকে ক’লে ।

বিপুলে তেওঁক প্ৰণাম জনাই আৰু উল্লাসিত হৈ তেওঁৰ বন্ধুৰ ওচৰলৈ আহিল । দুয়ো ঘৰলৈ উভতিল ।

পিছদিনা পুৱা তেওঁলোকে নদীত গা-ধোৱাৰ পিছত গাৱঁৰ এমূৰত বৈ আছিল । কিবা এটা স্থানীয় উৎসৱৰ বাবে তাত বহুতো লোকৰ সমাগম হৈছিল । মানুহবোৰলৈ চাই বিপুলে অৱজ্ঞাৰ সুৰেৰে বন্ধুক ক’লে, “এই সকলোবোৰ মানুহ মোৰ তলতীয়া হ’ব, কাৰণ মই সোনকালেই এজন ৰজা হ’ম !”

“তুমি খোজা বৰ সেইটোৱেই আছিল নেকি ?” চন্দ্ৰকান্তই প্ৰশ্ন কৰিলে ।

“বৰবিলাকৰ মাজৰে সেইটোও এটা ।”

“বাকী দুটা বৰ কি আছিল ?”

“এটা আছিল যে মই কেতিয়াও কোনো ডাঙৰ বেমাৰত নুভুগিম আৰু মই কেতিয়াও বুঢ়া ন’হম ।”

“তুমি এটা দীৰ্ঘজীৱনৰ বাবে বৰ নুখুজিলা কিয় ?”

“তুমি যে কিমান মূৰ্খ ! মই কেতিয়াও বুঢ়া নহও মানেই হ’ল যে মই সদায় ডেকাই হৈ থাকিম ।”

হঠাতে বিপুলৰ মুখখন শেঁতা হৈ পৰিল। তেওঁ নিজৰ বুকুখন খামুচি ধৰি মূৰ্চ্চিত হৈ পৰিল । “মই কিমান মূৰ্খামি কৰিলোঁ ।” বিপুলে বিৰবিৰাই ক’লে । “মোৰ মনতে নেখেলালে যে মই খোজা বৰটোৰ দ্বাৰা মই যে বুঢ়া হ’বলৈ জীয়াই নাথাকিম !”

তেওঁ কেঁকাবলৈ ধৰিলে আৰু শেষ নিশ্বাস ত্যাগ কৰিলে ।

ওঠৰৰ সেই সাঁথৰটো

১৯৪৫ চনৰ ৩০ জুলাই । হলীউডৰ আকাশত সূৰ্য ঠিক উদয় হৈছে । হঠাতে, এটা জোপোহাৰ আঁৰৰ পৰা দুজন মানুহ আৱিৰ্ভাৱ হ'ল আৰু এটা অকলশৰীয়া ৰাস্তাইদি আহি থকা এখন সৰু ভান আগচি ধৰিলে । তাৰে এজন ওখ, লেংপেঙীয়া আৰু বিতত ধৰণৰ আছিল । আনজন চাপৰ, থাওকাল আৰু নিৰ্বিকাৰ ধৰণৰ । সিহঁতে বন্দুক দেখুৱাই গাড়ীখনৰ দুয়োজন আৰোহীকে উলিয়াই আনিলে । তেওঁলোকৰ চকুত কাপোৰ বান্ধি আৰু ভয় দেখুৱাই দুয়োজনকে সিহঁতে ওচৰৰে এজোপা গছত বান্ধি পেলালে ।

এই মানুহ দুটা কোন আছিল ? সিহঁতে কি বিচাৰিছিল । সিহঁতে ততাতৈয়াকৈ



ভানখনৰ পৰা বস্তুবোৰ নমালে । তাত আছিল ৰূপৰ মুদ্ৰাৰ ছটা বেগ আৰু এটা ডলাৰ নোটেৰে ভৰা কাঠৰ বাকচ । তাৰ পিছত সিহঁতে অলপ আঁতৰত পাৰ্ক কৰি থোৱা এখন গাড়ীত উঠিলগৈ । আৰু কুঁৱলীৰ মাজত তীব্ৰ বেগেৰে মিলি গ'ল ।

দিন দুপৰতে হোৱা এইটো এটা দুঃসাহসিক ডকাইতি ! এই ভানখন হলীউড ষ্টেটবেংকৰ আছিল । অলপ পিছতেই এই হলীউড ষ্টেটবেংকৰ কৰ্মচাৰী দুজনে ৰাস্তাইদি যোৱা মানুহৰ সহায়ত নিজকে মুক্ত কৰিবলৈ সক্ষম হ'ল । তেওঁলোক হতবাক হ'ল আৰু ভয় খালে । সকলোবোৰ ইমান মুহূৰ্ত্তৰ ভিতৰতে ঘটি গ'ল যে তেওঁলোকে নিজকে প্ৰতিৰক্ষা দিবলৈ সুযোগেই নাপালে । তেওঁলোকৰ এইটো ভাবি বেয়া লাগিল যে শ্ৰমিকৰ দৰমহা দিবৰ বাবে অনা এই পইচাখিনি লকহীড কোম্পানীত গৈ দিয়া এই দায়িত্বটো সুচাৰুৰূপে পালন কৰিব নোৱাৰিলে ।

ডকাইত দুটাই নিসন্দেহে এটা গুৰুতৰ অপৰাধ কৰিলে । সিহঁতৰ বিৰুদ্ধে অপহৰণ আৰু ডকাইতিৰ গোচৰ তৰা হ'ল । অপহৃত বস্তুখিনি ঘূৰাই পাবৰ বাবে গোচৰটো যিমান পাৰি সোনকালে মীমাংসা কৰিব লগা হ'ল। আৰক্ষী আৰু চোৰংচোৱা সংস্থা সমূহৰ বাবে এইটো সঁচাকৈয়ে এটা প্ৰত্যাহ্বানস্বৰূপ আছিল।

এতিয়া কথা হ'ল ডকাইত দুটাই কিবা চিন এৰি থৈ গৈছিলনে ? বহুতো মানুহক সোধ-পোছ কৰা হ'ল । বেংকৰ কৰ্মচাৰী দুজনকো সোধ-পোছ কৰা হ'ল ।

তেওঁলোকৰ এজনে ক'লে যে চকুত কাপোৰ বন্ধা সময়ত চাপৰ, থাওকাল মানুহজনৰ চোলাত এটা বেজ তেওঁ দেখা পাইছিল। সেইটো লকহীড ফাৰ্মৰ প্ৰতীক চিহ্ন আছিল । নিসন্দেহে, অপৰাধীজনে নিজকে লকহীড ফাৰ্মৰ কৰ্মকৰ্তা বুলি দেখুৱাবলৈকে সেইটো পিন্ধিছিল ।

এদিন, এজন আৰক্ষী বিষয়াই এখন পৰিত্যক্ত গাড়ী দেখা পালে । গাড়ীখনৰ ভিতৰত এটুকুৰা কাগজত এটা নাম আৰু ঠিকনা লিখি থোৱা আছিল । সোনকালেই আৰক্ষী বিষয়া জনে এই ঠিকনাৰ সূত্ৰ ধৰি এটা ঘৰৰ দুৱাৰত টুকুৰিয়ালেগৈ । এগৰাকী মহিলাই দুৱাৰখন খুলি সমুখত আৰক্ষী বিষয়া জনক দেখি আচৰিত হ'ল ।

"আমি অনুসন্ধান চলাবলৈ আহিছো ।" তেওঁ নম্ৰভাৱে ক'লে ।

"কোনো কথা নাই ! আপুনি অনুসন্ধান কৰিব পাৰে ।" মিচেছ এবিলাৰ্ড নামৰ আদ বয়সীয়া মহিলা গৰাকীয়ে ক'লে ।

ঘৰটোত তালাচী চলোৱাৰ পিছত তদন্তকাৰী বিষয়াসকলে এবিলাৰ্ডৰ ল'ৰা-ছোৱালীকেইটাই বল খেলি থকা চোতালখনলৈ চালে । হঠাতে বলগৈ চৌহদৰ একেবাৰে আনটো মূৰে থকা চালি ঘৰ এটাৰ দুৱাৰৰ তলত সোমালগৈ । ল'ৰা-ছোৱালীকেইটা পিছে পিছে দৌৰি গ'ল । কিন্তু দুৱাৰখন তলা লগোৱা আছিল ।

"এই ঘৰটোত কি আছে ?" এজন বিষয়াই সুধিলে ।

"যোৱা কেই সপ্তাহমান এই ঘৰটোত দুজন ডেকা ল'ৰাই ভাৰা লৈ আছিল," মিচেছ এবিলাৰ্ডে উত্তৰ দিলে । "যোৱা কেইদিন মানৰ পৰা তেওঁলোকক দেখা নাই।"

উৎসুকভাৱে বিষয়া কেইজনে চালি ঘৰটোৰ দুৱাৰখন ভাঙিলে । বলটো পাই ল'ৰা-ছোৱালীকেইটাই আনন্দ পালে । কিন্তু তদন্তকাৰী বিষয়াকেইজনে অধিক আনন্দ পালে । কাৰণ, তেওঁলোকৰ চকুৰ আগতে মজিয়াত পৰি আছিল এটা কামিজ য'ত লকহীডৰ পৰিচয়সূচক সেই বেজটো লগাই থোৱা আছিল আৰু আছিল এটা স্বয়ংক্ৰিয় ৰাইফল, আৰু বেংকৰ সেই পিয়ন দুজনৰ ৰিভলভাৰ ।

আৰক্ষী বিষয়াকেইজনে বেজটো লকহীড ফেক্টৰীলৈ লৈ গ'ল । কিন্তু তেওঁলোকে আৱিষ্কাৰ কৰিলে যে বেজটোত থকা নম্বৰ ভুৱা আৰু কৰ্মচাৰী দুজনৰ নামৰ লগত নিমিলে । ডকাইত দুজনে অতি চতুৰতাৰে প্ৰকৃত নম্বৰ আঁতৰাই পেলাইছে আৰু এটা বিশেষ কলমেৰে এটা ভুৱা নম্বৰ লিখিছে । কিন্তু বিজ্ঞান সন্মত গৱেষণাগাৰত, অতি

তেওঁলোক এতিয়া ক'ত থাকিব পাৰে ? ফেক্টৰীৰ পঞ্জীয়নৰ তালিকাৰ পৰা তেওঁলোকৰ ফটোৰে সৈতে গৈ আৰক্ষীয়ে এদিন আবেলি জনচনক ৰাস্তাৰ কাষৰ এখন হোটেলত কৰায়ত্ত কৰে। সেই দিনাই সন্ধিয়া হাৰ্ডিকো সেই একেখন হোটেলতে ধৰা পেলোৱা হ'ল। নিজকে নিৰ্দোষী বুলি অশেষ কাকুতি কৰাৰ পিছতো তেওঁলোকক আদালতত হাজিৰ কৰোৱা হ'ল।

পইচাখিনিৰ কথা সোধাত তেওঁলোকে প্ৰথমতে একো নজনাৰ ভাও ধৰিছিল। পিছত, তেওঁলোকে ক'লে, যে যদি এই কথাৰ কাৰণে তেওঁলোকক মৃত্যুদণ্ডও বিহা হয় তথাপিও পইচাখিনি ক'ত লুকাই থোৱা আছে সেই কথা কেতিয়াও তেওঁলোকে নকয়। কিন্তু

বেঙুনীয়া ৰশ্মিৰ পোহৰত এই বেজটোৰ কিছুমান আকাৰ দেখা গ'ল। আৰু প্ৰকৃত সংখ্যাকেইটা তেতিয়া দেখা পোৱা গ'ল। তাৰ পিছত আৰক্ষীয়ে লকহীড ফাৰ্মৰ কৰ্মচাৰী সকলৰ নম্বৰৰ তালিকা পৰীক্ষা কৰিলে। আৰু গম পোৱা গ'ল যে এই নম্বৰ কেইটা জনচন নামৰ এজন ওখ লেংপেঙীয়া আৰু ভয়াতুৰ ধৰণৰ মানুহৰ। অনুমান কৰা হ'ল যে তেওঁৰ হাৰ্ডি নামৰ এজন চাপৰ গাঠলু চেহেৰাৰ, নিমাখিত মানুহৰ লগত বন্ধুত্ব আছে। তেওঁও কম্পেনীটোৰ এজন কৰ্মচাৰী আছিল। অৱশেষত এটা ডাঙৰ ঘটনা আৱিষ্কাৰ হ'ল। অপৰাধী দুজন চিনাক্ত কৰা হ'ল।

কিন্তু এই অপৰাধী কেইজনে কোম্পানীটো বহুদিনৰ আগতেই এৰিছে।

এদিন ৰাতি, জনচনৰ বিচনাত তলত এটা পানীৰে পূৰ্ণ পাত্ৰ পুলিচে আৱিষ্কাৰ কৰিলে। আৰু তাত ভাঁহি আছিল এখন পুৰণি, উৰঁলি যোৱা ডলাৰ নোট।

এই অদ্ভুত ঘটনাই কি বুজাব পাৰে ? পইচাখিনি লুকাই থোৱা স্থানৰ কিবা সংকেত হ'ব পাৰে নেকি ?

খুব সম্ভৱ পইচাখিনি এটুকুৰা অতিশয় সেমেকা ঠাইত লুকাই থোৱা আছে সেয়ে অপৰাধী হঁতে চাব খুজিছে যে এখন্ নোট পচি যাবলৈ কিমান সময় লাগিব পাৰে।

দুই অপৰাধী বন্ধুক জেইলৰ নিৰ্জন কক্ষত নিক্ষেপ কৰা হ'ল। কিন্তু তেওঁলোকে এজন পহৰাদাৰৰ সহায়ত নিজৰ ভিতৰত ইংগিত সূচক কথালিখা কাগজৰ বিনিময় কৰি থাকিল।

আৰু গোপন সূত্ৰৰ দ্বাৰা বিষয়াসকলেও এনেকুৱা সন্দেহ পাই থাকিল ।

এনে কিছুমান কাগজৰ টুকুৰাত '১৮' সংখ্যাটো আৰু 'কাগজ' নামৰ শব্দটো লিখা আছিল । এখনত আছিল "যদি আমাক দীৰ্ঘদিনৰ বাবে ইয়াত ৰখা হয় তেন্তে শীতকালি বৰষুণে নোটবোৰ নষ্ট কৰি পেলাব।" অন্য এখনত আছিল, "মোৰ সৰু ভনী জনীয়ে সেইবোৰ গোটাব পাৰিব । কিন্তু কেনেকৈনো তাই..."

"কাগজ" শব্দটোৱে পইচা বুজাইছিল নেকি ? যদি সেয়ে হয় তেন্তে ইয়াক এজনী ছোৱালীয়ে পাব নোৱাৰাকৈ এটা সেমেকা ঠাইত লুকাই থোৱা হৈছে । কিন্তু "১৮" সংখ্যাটোৱে কি বুজাইছে ? ই কোনোবা ৰাস্তা চিনি পাবৰ বাবে দিয়া সংকেত নেকি ?

আৰক্ষী আৰু তদন্তকাৰী বিষয়া সকলে খুব সোনকালেই এটা ৰাস্তা আৱিষ্কাৰ কৰিলে য'ত শিলেৰে "১৮" সংখ্যাটো চিহ্নিত কৰি থোৱা আছে । তেওঁলোকে লগতে এটা পুৰণি কবৰখানাৰ চাৰিওফালে থকা দহফুট ওখ এখন জালিৰ বেৰত শেষ হোৱা এটা ঠেক গলিও লক্ষ্য কৰিলে ।

এজন বিষয়াই চিঞৰি উঠিল, "সঁচাকৈয়ে, কবৰখানাৰ শিলে উৎকৃষ্ট নিচানৰ কাম কৰে।"

"আপুনি ঠিকেই কৈছে ! এজনী সৰু ছোৱালীৰ পক্ষে ইমান ওখ বেৰা বগোৱাটো নিশ্চয় কষ্ট সাধ্য হ'ব !" অন্য এজনে ক'লে।

জটিল যেন লগা কথাবোৰ লাহে-লাহে পৰিষ্কাৰ হৈ আহিবলৈ ধৰিলে । বিষয়াকেইজনে সময়ৰ অপব্যয় নকৰিলে আৰু অসংখ্য কবৰখানাৰ কাষে-কাষে অস্থিৰ হৈ ঘূৰিবলৈ ধৰিলে । তেওঁলোকে কিছুমান পৰিষ্কাৰ চিহ্ন বিচাৰিছিল আৰু এঠাইত তেওঁলোকৰ চকু ৰৈ গ'ল । কাৰণ, ১৮৯৮ চনত মৃত্যু হোৱা এজন সৈনিকৰ শ্মশানৰ পিছফালে মাটি, ঠেঁকুলি আৰু পাতৰ এটা দ'ম আছিল ।

তেওঁলোকে সেইটো খান্দিবলৈ আৰম্ভ কৰিলে । গাঁতটোৰ তলিত, কবৰখানাৰ শিলফটাৰ তলিত অক্ষত অৱস্থাত আছে ছটা ৰূপৰ মুদ্ৰাৰ মোনা আৰু ডলাৰ নোটৰ সেই কাঠৰ বাকচটো ।

এই ডাঙৰ আৱিষ্কাৰৰ বিষয়ে দুই অপৰাধীক জনোৱা হ'ল । প্ৰথমতে, তেওঁলোকে বিশ্বাস কৰা নাছিল । কিন্তু অৱশেষত তেওঁলোকে বিশ্বাস কৰিলে আৰু অপৰাধ স্বীকাৰ কৰিলে।

গুজৰাটৰ এটা লোককথা

এটা বহুৰূৱাৰ সংঘাত

বিনয়ৰাজ নামৰ এজন ৰজা আছিল । তেওঁ পাশা খেলি বৰ ভাল পাইছিল । কিন্তু ৰজাৰ লগত পাশা খেলিবলৈ কোনে সাহস কৰিব? ৰাজসভাৰ বহুৰূৱা মাধৱৰ বাহিৰে ৰজাৰ লগত পাশা খেলিবলৈ কোনেও আগ নাবাঢ়িছিল । দুয়ো আগত পাশা লৈ বহুঘন্টা জুৰি বহি থাকিছিল । আৰু পাশাৰ পণবোৰ ? ৰজাই সদায় মূল্যৱান বস্তু পণ ৰাখিছিল । কেতিয়াবা ৰজাই ইচ্ছা কৰিয়েই এনে কৰিছিল, কাৰণ ৰজাই জানিছিল যে যদি তেওঁ হাৰে তেন্তে সেই বস্তুবোৰ তেওঁৰ প্ৰিয়পাত্ৰ মাধৱৰ হাতলৈ যাব । আনহাতে মাধৱে পণ হিচাবে খুব সাধাৰণ বস্তু ৰাখিছিল । মাধৱে পণ হিচাপে ৰখা বস্তুবোৰৰ প্ৰতি ৰজাৰ আগ্ৰহ নাছিল । ৰজাই মাধৱ বহুৰূৱাৰ পৰা এই খেলৰ কেতবোৰ অতি ভাল কৌশল জানি লোৱাতহে আগ্ৰহী আছিল । যেতিয়া তেওঁলোকে খেলিছিল, তেওঁলোকে পাহৰি গৈছিল যে সেই খেল এজন ৰজা আৰু এজন বহুৰূৱাৰ মাজত হোৱা খেল । খেলি থাকোতে দুয়ো সমান হৈ পৰিছিল ।

এদিনাখন তেওঁলোকে খেলি থাকোঁতে বহুৰূৱাৰ সৰু ভনীয়েক মোহিনী ৰাজসভালৈ সোমাই আহিল । মোহিনীয়ে ককায়েকক আনিবলৈ বুলি ৰাজসভালৈ গৈছিল । ৰজাই তাইৰ ৰূপ দেখি মুগ্ধ হ'ল । আৰু পিছদিনা যেতিয়া ৰজা আৰু মাধৱ পাশা খেলিবলৈ বহিল ৰজাই এটা অদ্ভুত পৰামৰ্শ দিলে । ৰজাই সুধিলে যে মাধৱে নিজৰ ভনীয়েকক পণ ৰাখিবনে যাতে খেলত মাধৱ হাৰিলে মোহিনী ৰজাৰ হাতলৈ যায় আৰু ৰজাই নিজৰ ৰাণী কৰি ল'ব পাৰে ।

ৰজাই ৰাজ্যখনৰ এখন ডাঙৰ নগৰ পণ ৰাখিলে যাতে যদি ৰজাৰ পৰাজয় ঘটে তেন্তে ই মাধৱৰ হাতলৈ যায় । মাধৱ যদিও এটা সামান্য বহুৰূৱা আছিল অত্যন্ত টেঙৰ আছিল।

সি ক'লে, "মহাৰাজ, পণ দুটাৰ সামঞ্জস্য নাই । মোক নগৰ এখনৰ কোনো প্ৰয়োজন নাই । সেয়ে মই আপোনাক আপোনাৰ ভনীয়েকক পণ ৰাখিবলৈ ক'ব পাৰোনে ?"

বিনয়ৰাজে কিছু সময় চিন্তা কৰিলে । বহুৰাৰ ভনীয়েকক বিয়া কৰিবলৈ ৰজাই একপ্ৰকাৰ ঠিকেই কৰিছিল । "ঠিক আছে, মই তোমাৰ পৰামৰ্শ মানি লৈছো ।"

খেল আৰম্ভ হ'ল । দুয়ো বেচ মনোযোগেৰে খেলিবলৈ ল'লে । ৰজাই বহুত ভাবি-গুণি খেলিবলৈ ধৰিলে । বহুৰাৰ পৰা শিকা কৌশলসমূহ ৰজাই মনত পেলাবলৈ ধৰিলে ।

যেতিয়া ৰজাৰ অনুভৱ হ'ল যে তেওঁ বহুৰাক একপ্ৰকাৰ পৰাজিত কৰিছে সেই সময়তে ৰজাৰ মনোযোগ ব্যাহত হ'ল । তেওঁ মোহিনীক ৰাণী হিচাবে পোৱাৰ পিছত কটাবলগীয়া ধুনীয়া সময়বোৰৰ কথা ভাবিবলৈ ধৰিলে । তেনেতে ৰজাৰ ভাবত যতি পৰিল । বহুৰাৰ জয় হ'ল আৰু ৰজাই পৰাজয় মানি ল'বলগা হ'ল ।

বহুৰা এইকথা ভাবি সুখী হ'ল যে সি অন্ততঃ নিজৰ ভনীয়েকক ৰজালৈ দিব লগা নহ'ল, যদিওবা তাই ৰাণী হ'লহেঁতেন। "মহাৰাজ, আপোনাৰ ভনীয়েকক এতিয়া মাতি পঠাওক । মই তেওঁক বিয়া কৰাম আৰু মোৰ পত্নী কৰিম।"

"তুমি বিয়া কৰাম বুলি কৈছা মাধৱ?" ৰজাই যেন নিজৰ কাণকে বিশ্বাস কৰিব নোৱাৰিলে ।

"চোৱা, মোৰ কেৱল এজনীয়েই ভনী আছে আৰু তাইৰ ইতিমধ্যেই নগৰখনৰ সবাতোকৈ ধনী সদাগৰজনৰ লগত বিয়া হৈ গৈছে । মাধৱ, তুমি অন্য কিবা বিচাৰা আৰু মই স্বইচ্ছাই সেয়া তোমাক দিম ।"

"কিন্তু সেয়া কেনেকৈ হ'ব মহাৰাজ," বহুৰাই আপত্তি কৰিলে ।

"আপুনি তেওঁক পণ ৰাখিছে আৰু এতিয়া তেওঁৰ ওপৰত মোৰ অধিকাৰ আছে। আপুনি এতিয়া নিজৰ কথা পেলাব নোৱাৰে, মহাৰাজ !"

ৰজাই গম পালে যে তেওঁৰ পাশা খেলতেই নহয়, বাহিৰতো তেওঁৰ পৰাজয় ঘটিছে । "ঠিক আছে, কাইলৈ মোৰ ভনী মাক লগ ধৰিবলৈ আহিব । তাই নিজ খুচীত তোমাৰ লগত নাযাবও পাৰে । কিন্তু তাইক লগত লৈ যাবলৈ মই তোমাক এটা সুযোগ দিম । আৰু মই তোমাক কোনো প্ৰশ্ন নকৰোঁ । বাকীখিনি তোমাৰ সামৰ্থ্যৰ ওপৰত নিৰ্ভৰ কৰিব ।"

দুদিন পিছত, বিনয়ৰাজে ৰাজকুমাৰী বণিতাক নদীৰ পাৰে পাৰে এপাক খোজকাঢ়ি আহিবলৈ লগ ধৰিলে। বাটত তেওঁলোকে পদুম ফুলেৰে ফুলি থকা এটা পুখুৰী দেখা পালে। পূৰ্ণিমাৰ নিশা আছিল। "কি সুন্দৰ দৃশ্য!" ৰজাই মন্তব্য কৰিলে।

হঠাতে, ৰজাৰ ভনীয়েকে মনতে এটা পৰিকল্পনা কৰিলে। "তোমালৈ কেইপাহমান পদুমফুল ছিঙি লওঁ ৰ'বা!" এইদৰে কৈ তেওঁ পুখুৰীৰ দাঁতিলৈ গ'ল আৰু অলপ হাউলি এপাহ ফুল ছিঙিব খুজিলে। তেনেতে তেওঁ পিছলি গ'ল আৰু পুখুৰীটোত পৰি গ'ল। বহুৱাৰ লগত আগতেই পাঙি খোৱা মতে ৰজা তাৰপৰা গুচি গ'ল।

ৰাজকুমাৰী বণিতাই চাৰিওফালে চালে। ককায়েকক নেদেখি তেওঁ ভাবিলে যে ৰজাই নিশ্চয় তেতিয়াও খোজকাঢ়িয়ে আছে সেয়ে তেওঁ পুখুৰীত পৰি যোৱাটো নেদেখিলে। "কোনোবাই মোক সহায় কৰিবনে?" তেওঁ চিঞৰিলে। "বচোৱা! অনুগ্ৰহ কৰি মোক বচোৱা!"

বহুৱাই তাৰ বাবেই অপেক্ষা কৰি আছিল। সি ততালিকে ঘোঁৰাৰ পৰা নামিল আৰু পুখুৰীটোৰ ফালে গ'ল আৰু হাতখন আগবঢ়াই দিলে। ৰাজকুমাৰীয়ে তাৰ হাতখনত ধৰি ল'লে আৰু পুখুৰীটোৰ পৰা উঠি আহিল। "হে সুন্দৰী, তুমি যিহেতু মোৰ হাতত ধৰিছা, এতিয়া আৰু মই তোমাক এৰি নিদিঁও। তুমি মোৰ লগত যাব লাগিব, মোক বিয়া কৰাব লাগিব আৰু মোৰ পত্নী হিচাবে থাকিব লাগিব।"

বণিতা আতঙ্কিত হৈ পৰিল। "মই ৰাজকুমাৰী বণিতা। মই আপোনাৰ প্ৰতি কৃতজ্ঞ ডাঙৰীয়া কাৰণ আপুনি মোক বচালে। কিন্তু মইযে বিবাহিতা।"

"সেইবোৰ কথা আমি পিছত পাতিম।" মাধৱে ক'লে। "এই মুহূৰ্ত্তত মই তোমাক ইয়াত অকলে এৰিব নোৱাৰো। সেয়ে মই তোমাক ঘৰলৈ লৈ যাওঁ। আহাঁ, মোৰ ঘোঁৰাত বহাহি।"

আন কোনো উপায় নৈদেখি ৰাজকুমাৰীয়ে বহুৱাৰ লগত ঘোঁৰাত বহিলহি। য'ত বহুৱা ৰ'লগৈ, ৰাজকুমাৰীয়ে নিজক ৰাজধানী চহৰৰ এটা নিৰ্জন প্ৰান্তত থকা এটা পৰিপাটী ঘৰৰ সমুখত আৱিষ্কাৰ

কৰিলে। ঘৰৰ ভিতৰ সোমোৱাৰ লগে লগে বহুৱাই তেওঁক নিজৰ পৰিচয় দিলে আৰু কেনেকৈ বণিতাক লাভ কৰিলে সেই কথা ক'লে। ৰাজকুমাৰীয়ে গম পালে যে ৰজাই তেওঁৰ অনুমতি নোলোৱাকৈ তেওঁক পণ ৰাখিলে, আৰু এতিয়া তেওঁ ৰজাৰ সন্মান ৰক্ষা কৰা উচিত। "ঠিক আছে, মই থাকিম ইয়াতে। কিন্তু অহা পূৰ্ণিমাৰ নিশাহে আমি বিয়া হ'ম।"

ৰাজকুমাৰীয়ে এই কথাৰ কোনো ইংগিত নিদিলে যে তেওঁ তাৰপৰা পলোৱাৰ এটা উপায় বিচাৰি আছে। পূৰ্ণিমাৰ তিনিচাৰিদিনমানৰ আগতে তেওঁ ঘৰটোৰ পৰা পলোৱাৰ এটা সুযোগ বিচাৰি পালে। প্ৰাসাদলৈ গুচি যোৱাৰ পৰিৱৰ্তে তেওঁ নিজৰ স্বামীৰ ঘৰলৈ বুলি বাট ল'লে। ভাগ্যক্ৰমে তেওঁৰ স্বামীয়ে এই সকলোবোৰ কথা গম পোৱা নাছিল।

ৰাজকুমাৰী পলাই যোৱা বুলি গম পাই মাধৱ ততালিকে ৰজাৰ ওচৰলৈ গ'ল আৰু এই কথা জনালে। বিনয়ৰাজ ক'লে, যে ৰাজকুমাৰী নিশ্চয় স্বামীগৃহলৈ গুচি গৈছে আৰু তেওঁ ভনীয়েকক মতাই পঠিয়াব নোৱাৰে। ৰজাই পৰামৰ্শ দিলে যে মাধৱে নিজে বণিতাৰ ঘৰলৈ গৈ তাৰ লগত আহিবলৈ লগ ধৰিব পাৰে।

বহুৱা এতিয়া বণিতা আৰু তেওঁৰ স্বামী থকা ঠাইলৈ বুলি আগবাঢ়িল। ৰজাই তেওঁৰ ভনীয়েকক পণ ৰখাৰ বাবে আৰু বণিতা বিবাহিতা বুলি জনাৰ পিছতো নিজৰ লগত বিয়া হ'বলৈ জোৰ কৰি থকাৰ বাবে বণিতাৰ স্বামীৰ মাধৱ বহুৱা আৰু ৰজা দুয়োৰে ওপৰত খং উঠিল। তেওঁ মাধৱক ক'লে, যে যিহেতু মাধৱে বণিতাক কেৱল পাশা খেলত জিকি লাভ কৰিছে, এতিয়া পুনৰ তেওঁৰ লগত যুদ্ধ কৰিব লাগিব আৰু পুনৰবাৰ জয়ী হ'ব লাগিব। অনিচ্ছাসত্বেও মাধৱ বহুৱাই তাত সন্মতি জনালে।

পিছদিনাখন তেওঁলোক দুয়ো খণ্ডযুদ্ধৰ বাবে সাজু হ'ল কিন্তু এই যুদ্ধ বেছি সময়লৈ নাথাকিল কাৰণ বণিতাৰ স্বামীয়ে ভাৰসাম্য হেৰুৱাই পৰি গ'ল আৰু তেওঁৰ তৰোৱালখন দুডোখৰ হৈ তাৰ এডোখৰে তেওঁৰ বুকুত

কথা ভাবিবলৈ ধৰিলে তেতিয়াই তাৰ মন অনুশোচনাৰে ভৰি পৰে । সঁচা, সি বণিতাক সঁচাকৈয়ে বিচাৰিছিল । এতিয়া তাৰ মন বণিতাৰ প্ৰতি শ্ৰদ্ধাৰে ভৰি পৰিল। তেওঁ নিজৰ স্বামীৰ প্ৰতি আনুগত্য দেখুৱাই গ'ল । মাধৱৰ এই কথা ভাবিও দুখ লাগিল যে বণিতাৰ স্বামীয়ে তাৰ কাৰণেই প্ৰাণ হেৰুৱাবলগীয়া হ'ল যদিও তাৰ বাবে সি অকণো দায়ী নহয় । সেয়া এক দুৰ্ঘটনা আছিল । কিন্তু বণিতাৰ স্বামীৰ মৃত্যুৰ বাবে মাধৱৰ দুখ লাগিল কাৰণ তেওঁ মাধৱক বণিতাক লাভ কৰিবলৈ এটা সুন্দৰ সুযোগ দিছিল ।

আঘাত হানিলে আৰু তেওঁৰ থিতাতে মৃত্যু হ'ল ।

মাধৱে সেই সময়তে বণিতাক এই কথা ক'ব নুখুজিলে যে এতিয়া আৰু তেওঁৰ মাধৱক বিয়া কৰোৱাত কোনো আপত্তি থাকিব নোৱাৰিব । কিয়নো বণিতা স্বামীৰ মৃত্যুত শোকত বিহ্বলা হৈ পৰিছিল । মাধৱে অন্ত্যেষ্টিক্ৰিয়া হৈ যোৱালৈ বাট চোৱাৰ সিদ্ধান্ত কৰিলে । অন্ত্যেষ্টিক্ৰিয়াৰ সময়ত, ৰীতি অনুসৰি ৰাজকুমাৰীয়ে চিতাৰ চাৰিওফালে সাতবাৰ ঘূৰিলে আৰু তাৰ পাছত তাত অগ্নি সংযোগ কৰিলে । যেতিয়া জুই জুলি উঠিল, তেতিয়া সেই দৃশ্য ৰাজকুমাৰী বণিতাই সহিব নোৱাৰিলে । মনৰ দুখত তেওঁ একান্ত মনে ভগৱানক আৰাধনা কৰিলে আৰু কিছু সময়ৰ পাছত ৰাজকুমাৰীয়ে প্ৰাণ ত্যাগ কৰিলে । ইফালে মাধৱৰ অৱস্থা বৰ্ণনাতীত হ'ল । সি ৰাজধানীৰ পৰা গুচি গ'ল আৰু লক্ষ্যহীনভাৱে ঘূৰি ফুৰিবলৈ ধৰিলে । যেতিয়াই সি বণিতাৰ

কেইদিনমান অনাই-বনাই ফুৰাৰ পিছত সি এখন গাঁও পালেগৈ । আৰু তাতে এজন ফকিৰ লগ পালে । ফকিৰ জনৰ জ্ঞানগৰ্ভ কথাত মাধৱে সান্ত্বনা পাবৰ চেষ্টা কৰিলে । বহু সময় ধৰি তেওঁলোকে কথা পাতিলে আৰু কথাৰ মাজতে ফকিৰে মাধৱক ক'লে যে মৰা মানুহ কেতিয়াবা পুনৰ জীৱিত হৈ উঠে । এই কথাই তাক অলপ আশ্বাস দিলে যে সি বণিতা আৰু তাইৰ স্বামীক পুনৰ জীয়াই তুলিব পাৰিব । সি সেই জ্ঞানী মানুহজনক কিছুমান প্ৰশ্ন সুধিবলৈ ধৰিলে । তেওঁ কেৱল তাক ক'লে যে পাহাৰৰ নামনিত এখনি আচৰিত গাঁও আছে, য'ত তেওঁ শুনামতে কিছুমান মানুহৰ আচৰিত শক্তি আছে । "তুমি তালৈ গৈ মানুহৰ সেৱা কৰি তেওঁলোকৰ কৃতজ্ঞতা লাভ কৰা । তেতিয়া নিশ্চয় তেওঁ-লোকে সেই মানুহ জীয়াই তুলিব পৰা যাদুকৰী মন্ত্ৰ তোমাক শিকাবলৈ ইচ্ছা কৰিব পাৰে ।"

মাধৱে সেই পাহাৰৰ ফালে যাত্ৰা আৰম্ভ

কৰিলে । কেবাদিনো খোজকঢ়াৰ মূৰত সি সেই গাওঁখন পালেগৈ । তাত সি মানুহক চৰাই হত্যা কৰি তাৰ মাংস ৰান্ধি খোৱা দেখা পালে । সিহঁতে তাৰ পিছত পাখিবোৰ আৰু ছালবোৰ গোটাই লৈ কিবা মন্ত্ৰ উচ্চাৰণ কৰে। তাতোকৈও সি বিস্ময়াভিভূত হ'ল যেতিয়া সেই পাখী আৰু ছালবোৰ পুনৰ চৰাই হৈ উৰি যোৱা দেখিলে ! মাধৱে গম পালে যে সি ফকিৰে কোৱা গাওঁখনতেই উপস্থিত হৈছেহি ।

ফকিৰে পৰামৰ্শ দিয়া মতেই সি গাওঁখনত থাকিল আৰু গাওঁবাসী সকলৰ কাম-কাজত সহায় কৰিবলৈ ধৰিলে । সি সকলো ফালৰ পৰা তেওঁলোকক মৰম লগাবলৈ ধৰিলে আৰু এদিন যেতিয়া পুনৰ সি সেই ঘটনা প্ৰত্যক্ষ কৰিলে তেতিয়া সি সাহস গোটাই সেয়া কেনেকৈ সম্ভৱ হ'ল প্ৰশ্ন কৰিলে ।

কেইজনমান গঞাই তাক এগৰাকী বুঢ়ী মানুহৰ ওচৰলৈ লৈ গ'ল । মাধৱৰ হৈ গঞাকেইজনে কাকুতি-মিনতি কৰাৰ পিছত বুঢ়ীয়ে মাধৱক সেই মন্ত্ৰ শিকাবলৈ মান্তি হ'ল। নিজৰ জুপুৰীৰ এটা অন্ধকাৰ কোঠালৈ তাক লৈ গৈ তেওঁ তাক সেই মন্ত্ৰ ছবাৰ আওৰাবলৈ দিলে ।

মাধৱে এক মুহূৰ্ত্তও বিলম্ব নকৰিলে । সি ৰাজধানীলৈ ঘূৰি আহিল । আৰু ৰাজকুমাৰী বণিতাই য'ত প্ৰাণাহুতি দিছিল তালৈ গ'ল। সি সেই ঠাইডোখৰৰ ওপৰত পানী ছটিয়াই দিলে আৰু তিনিবাৰ সেই মন্ত্ৰ আওৰালে । যেতিয়া সি চকু মেলিলে সি দেখা পালে যে বণিতা সেইঠাইৰ পৰা ওলাই আহিছে ।

সি সেই মন্ত্ৰ পুনৰ তিনিবাৰ আওৰালে আৰু এইবাৰ ৰাজকুমাৰীৰ স্বামীয়ে প্ৰাণ পাই উঠিল । মাধৱ বহুৱা বৰ আনন্দিত হ'ল । ৰাজকুমাৰীৰ স্বামীয়ে প্ৰথম কথা আৰম্ভ কৰিলে, মাধৱ, তুমি খণ্ডযুদ্ধত জয়ী হৈছিলা, গতিকে এতিয়া বণিতাৰ ওপৰত তোমাৰ অধিকাৰ আছে ।" বণিতা নিমাতে ৰ'ল আৰু মাধৱে কি কৰিব ঠাৱৰ কৰিব নোৱাৰা হ'ল ।

সেই মুহূৰ্ত্তে ফকিৰজন সেই ফালেদি যাওক। মাধৱক বিবুদ্ধিত পৰা দেখি তেওঁ ক'লে, "মনত ৰাখিবা মাধৱ, তুমি তেওঁৰ জীৱন দিছা । সেয়ে তুমি বণিতাৰ পিতৃৰ দৰে। সেয়ে এতিয়া পিতৃৰ দৰে দায়িত্ব পালন কৰা !"

মাধৱে বণিতাৰ হাত দুখনত ধৰি বণিতাৰ স্বামীৰ হাতত তুলি দিলে। কোনো শব্দ নকৰাকৈ সি তাৰ পৰা গুচি গ'ল । তাৰ পাছত আৰু সেই ৰাজ্যত মাধৱ বহুৱাক কোনেও দেখা নাপালে ।



পাঠকৰ বাবে গল্প প্ৰতিযোগিতা
শ্ৰেষ্ঠ ৰচনাৰ জন্য ২৫০ টাকা

তলত দিয়া গল্পটো পঢ়ি লোৱা :

ৰাম থাৰ্থ ৰায়দুৰ্গৰ এজন ধনী সদাগৰ আছিল। তেওঁৰ বহুতো দাস-দাসী আছিল। সিহঁতৰ মাজৰে নাৰায়ণৰ প্ৰধান কাম আছিল কোঠাবোৰ চাফা কৰা আৰু প্ৰতিটো বস্তুকে পৰিপাটিকৈ ৰখা। এদিন, সি মজিয়াৰ পৰা এটা মুদ্ৰা তুলি ল'লে আৰু সেইটো মালিকক দি দিলে। "তোমাৰ সততাত মই মুগ্ধ হৈছো। সেয়ে তুমি পুৰস্কাৰ হিচাবে সেইটো ৰাখিব পাৰা।" ৰাম থাৰ্থে ক'লে। কেইদিনমানৰ পিছত, ঘৰত এডাল হীৰাৰ হাৰ হেৰাল। ৰাম থাৰ্থে প্ৰতিটো ভৃত্যকে সুধিলে কিন্তু কোনেও সেইটো দেখা নাই বা লোৱা নাই বুলি ক'লে।

শেষত সুধিবলৈ বাকী থাকিল কেৱল নাৰায়ণ।

এতিয়া নাৰায়ণে তেওঁৰ মালিকক কি ক'ব বুলি তুমি ভাবা ?

- নাৰায়ণে হাৰডাল দেখিছিল বা দেখা নাছিল।
- যদি সি দেখিছিল, সেইডালেৰে সি কি কৰিলে ?
- নাৰায়ণৰ উত্তৰ শুনি ৰাম থাৰ্থৰ প্ৰতিক্ৰিয়া কেনে হৈছিল ?
- ৰাম থাৰ্থে নিজৰ ভৃত্যক পুৰস্কাৰ দিয়াটো উচিত আছিলনে ?

তোমাৰ উত্তৰ এশৰ পৰা ডেৰশ শব্দৰ ভিতৰত লিখি আমালৈ পঠাবা। খামৰ ওপৰত 'গল্প প্ৰতিযোগিতা' বুলি লিখি দিবা। লগতে তলত দিয়া কুপনখন গাঁথি দিবা

যোনদানৰ শেষ তাৰিখ : ২৯ ফেব্ৰুৱাৰী, ২০০৪

নাম................................ বয়স............ জন্মৰ তাৰিখ..................

স্কুল.. শ্ৰেণী.............

ঘৰৰ ঠিকনা..

....পিন নম্বৰ...................

অভিভাৱকৰ চহী   প্ৰতিযোগীৰ চহী

চান্দমামা ইণ্ডিয়া লিমিটেড

৮২, ডিফেন্স অফিচাৰ্চ কলনী, একাডুথাংগাল, চেন্নাই - ৬০০০৯৭.

সফল যাত্ৰা

ব্ৰহ্মদত্তই যেতিয়া কাশী ৰাজ্যৰ শাসনভাৰ চম্ভালিছিল তেতিয়া এটা বণিক পৰিয়ালত বোধিসত্ত্বৰ জন্ম হৈছিল । তেওঁ ল'ৰালিৰ পৰাই বেহা-বেপাৰৰ কৌশলবোৰ ডাঙৰৰ পৰা শিকি লৈছিল । তেওঁ প্ৰত্যেক বিষয়ৰে সকলোবোৰ দিশ ভালদৰে চালি-জাৰি চাইহে কোনো সিদ্ধান্তলৈ আহিছিল । এইদৰে তেওঁ নিজৰ জ্ঞান আৰু বিবেক বঢ়াইছিল । যেতিয়া তেওঁ ডাঙৰ হ'ল তেতিয়া পাঁচশ গৰু গাড়ীত মাল যুটি পূবৰ পৰা পশ্চিম আৰু পশ্চিমৰ পৰা পূবলৈ প্ৰায়ে গৈছিল আৰু বেপাৰ কৰিছিল । এনে বেপাৰৰ পৰা তেওঁ বহুত উপাৰ্জন কৰিছিল।

কাশী নগৰতেই মন্দমতি নামৰ আৰু এজন বণিক আছিল । তেওঁ অলপ মন্দবুদ্ধিৰ আছিল আৰু উপায়হীনো আছিল । এবাৰ যেতিয়া বোধিসত্ত্বই গাড়ীত মাল বোজাই কৰি যাত্ৰাৰ বাবে সাজু হৈছিল, তেতিয়া মন্দমতিয়েও তেওঁৰ লগত যোৱাৰ ইচ্ছা প্ৰকাশ কৰিলে ।

বোধিসত্বই মন্দমতিক ক'লে, "আমি দুয়োৰে গাড়ী যদি একেলগে যায় তেন্তে ৰাস্তা ঠেক হৈ পৰিব আৰু যাত্ৰা কৰিবলৈ অসুবিধা হ'ব । সেয়েহে, আমি এজন আনজনৰ পিছে পিছে যোৱাই ভাল হ'ব । তুমিয়েই ঠিক কৰা আগে আগে তুমি যাবা নে মই যাম । যেনেকৈয়ে বিচাৰা ঠিক কৰি লোৱা ।"

মন্দমতিয়ে মনতে ভাবিবলৈ ধৰিলে, "মই আগত যদি যাওঁ তেন্তে বহুত কথাত লাভ হ'ব। পথ মুকলি পাম । যাত্ৰাত কোনো বাধা নাপাম, গৰু কেইটায়ো সেউজীয়া ঘাঁহ খাবলৈ পাব । আৰু মোৰ মানুহবোৰেও খাবলৈ সতেজ ফল-মূল পাব । পৰিষ্কাৰ খোৱাপানী পোৱা যাব । য'লৈকে যাওঁ তাতেই বস্তুৰ মূল্য আগেয়ে মই ঠিক কৰিব পাৰিম আৰু বেচিব পাৰিম ।"

বোধিসত্বয়ো এই বিষয়ে ভাবিবলৈ ধৰিলে, "আগে-আগে যোৱাতকৈ পিছে-পিছে যোৱাই ভাল হ'ব । ৰাস্তা মিহি হৈ পৰিব। আগতে যোৱাবোৰৰ পানী বিচৰাত

অসুবিধা হ'ব। আৰু যদি পানী পোৱা নাযায় তেন্তে তেওঁলোকে কুঁৱা খান্দিব লাগিব। এই কুঁৱা পিছত অহাবিলাকৰো কামত আহিব। যেতিয়া নতুন ঠাইলৈ যোৱা হ'ব তেতিয়া বস্তুৰ মূল্যক লৈ তৰ্ক কৰিবলৈও ভাল নালাগিব। প্ৰথমতে যি যায়, তেওঁলোকে নিৰ্দ্ধাৰিত কৰা মূল্যৰ ওপৰত মাল বেচিবলৈ সহজ হ'ব আৰু ইয়াৰ দ্বাৰা কোনো সমস্যাও উদ্ভৱ নহ'ব। বলদ কেইটায়ো চৰিবলৈ সেউজীয়া ঘাঁহনি পাব।"

যেতিয়া মন্দমতিয়ে ক'লে, যে প্ৰথমতে তেঁৱেই যাব তেতিয়া বোধিসত্বই সেয়া স্বীকাৰ কৰি ল'লে। ইফালে মন্দমতিৰো এটা কথাত ভাল লাগিল যে তেওঁৰ কথা মানি লোৱা হ'ল আৰু সকলো সুবিধা ভোগ কৰিবলৈ সোণালী সুযোগো তেঁৱেই পালে। নিজৰ বুদ্ধিমত্তাত তেওঁ অত্যন্ত সুখী হ'ল।

মন্দমতিৰ গন্তব্যস্থল ষাঠি ক্ৰোশ দূৰত আছিল। মাজতে এখন অতি ডাঙৰ মৰুভূমি পাৰ হৈ যাব লাগে। সেইখন পাৰ হৈহে গন্তব্যস্থল পাবগৈ পাৰি। সেয়েহে, যাত্ৰাৰ বাবে আৱশ্যকীয় খাদ্য সামগ্ৰী আৰু পানীৰ ব্যৱস্থা কৰা হ'ল আৰু বোধিসত্বক ঠগিব পৰাৰ আনন্দত মতলীয়া হৈ মন্দমতিয়ে নিজৰ লগৰীয়াৰ লগত যাত্ৰাৰ বাবে সাজু হ'ল।

মন্দমতিৰ গাড়ী বহুত দিন ধৰি যাত্ৰা কৰি থাকিল আৰু অৱশেষত মৰুভূমি পালেগৈ। অলপ দূৰ যোৱাৰ পিছত তেওঁ এখন অদ্ভুত গাড়ী দেখা পালে। সেই গাড়ীত উত্তম জাতৰ বগা বলদ যুটি থোৱা আছিল। সেই গাড়ীৰ আগত তৰোৱাল, ধনু-বাণ আৰু গদা লৈ সৈনিক ঠিয় হৈ আছিল। গাড়ীখনত এজন ৰাজপুৰুষ বহি আছিল। গাড়ীৰ চকাত বোকা লাগি আছিল। সকলোৰে হাতত পদুম ফুল আছিল।

ৰাজপুৰুষজনে মন্দমতিক ক'লে, "জানানে, কিমান ডাঙৰ বৰষুণ হৈছিল, যিফালেই চোৱা, পানীয়েই পানী। অৰণ্যৰ সকলো অংশই জলমগ্ন হৈ গ'ল। সকলোবোৰ গাওঁ পানীত বুৰ গ'ল। তোমালোকো চাগে সেইফালেই যাবলৈ ওলাইছা। তেন্তে এই পানীৰ পাত্ৰবোৰ কিয়? এইবোৰ অযথা বোজা কিয় কঢ়িয়াইছা? পানী পেলাই দিয়া আৰু আৰামেৰে যোৱা।"

গাড়ীত বহি থকা সেই পুৰুষ আৰু তেওঁৰ লগত থকা লোকসকল, সেই সকলোবোৰ নৰভক্ষক যক্ষ। তেওঁলোকে মৰুভূমিলৈ যাব

লগা যাত্ৰীক এনেকৈয়ে পৰামৰ্শ দিয়ে, নিজৰ মিঠা-মিঠা কথাৰে ফুচুলায় আৰু যেতিয়া সেই যাত্ৰী পিয়াহত মৰো-মৰো হয় তেতিয়া সিহঁতক খাই পেলায়।

বেচেৰা মন্দমতিয়ে এই ষড়যন্ত্ৰৰ কথা গম নাপালে আৰু তেওঁ সেই কথা সঁচা বুলি ভাবি পাত্ৰবোৰ খালী কৰি দিলে আৰু আগবাঢ়িল। ৰাজপুৰুষে কোৱা অৰণ্য দেখা পোৱা গৈছিল কিন্তু বহুত দূৰ যোৱাৰ পিছতো গাড়ী গৈ সেইখিনি নাপালেগৈ। বৰষুণ হোৱাৰো তাত কোনো চিন দেখা নগৈছিল।

সকলো মানুহেই পিয়াহত মৰোঁ যেন হ'ল। খাবৰ কাৰণে ক'তো এটোপাও পানী নাছিল। তেওঁলোকৰ অণ্ঠ-কণ্ঠ শুকাই গ'ল আৰু এজন এজনকৈ মৃত্যুমুখত পৰিল। লাহে-লাহে বলদকেইটাও দুৰ্বল হৈ আহিল। যি যি পশু আৰু মানুহৰ মৃত্যু হৈছিল সিহঁতক যক্ষই খাই পেলাইছিল আৰু অস্থিসমূহ মৰুভূমিৰ বালিত পেলাই দিছিল।

চল্লিছ দিনৰ পিছত বোধিসত্ত্বয়ো নিজৰ মাল বোজাই কৰি সেই পথেৰে আগবাঢ়িছিল। তেওঁও নিজৰ লগত এই দীঘলীয়া যাত্ৰাৰ বাবে আৱশ্যকীয় খাদ্য সামগ্ৰী আৰু পানী লৈ আহিছিল।

মৰুভূমিত আহি উপস্থিত হোৱাৰ লগে লগে বোধিসত্ত্বই নিজৰ মানুহবোৰক ক'লে, "মোৰ অনুমতি নোহোৱাকৈ পানীৰ এটা পাত্ৰও নষ্ট নকৰিবা। এনেকুৱা মৰুভূমিত বিভিন্ন ধৰণৰ বিষবৃক্ষ থাকে। মই নোকোৱাকৈ কোনেও কোনো নতুন ফল বা পাত নাখাবা।"

মৰুভূমিত অলপ দূৰ আৰু যোৱাৰ পিছত গাড়ীত বহা সেই ৰাজপুৰুষ আকৌ আৱিৰ্ভাৱ হ'ল আৰু মন্দমতিক কোৱা কথাখিনিকে আকৌ ক'লে।

তেতিয়া বোধিসত্বই তেওঁক ক'লে, "আপুনি সেই কথা কোৱাৰ কোনো প্ৰয়োজন নাই । আমি বেপাৰী মানুহ । যেতিয়ালৈকে আমি কোনো বেলেগ ঠাইত পানী দেখা নাপাওঁ তেতিয়ালৈকে আমি পানী নেপেলাওঁ। পানী যেতিয়া দেখা পাম তেতিয়া ভাৰ কমোৱাৰ কথা চিন্তা কৰিম ।"

যক্ষই একো নমতাকৈ তাৰ পৰা গুচি গ'ল ।

এজনে যক্ষৰ কথা বিশ্বাস কৰিলে আৰু তেওঁ পাত্ৰবোৰৰ পৰা পানী পেলাই দিয়াৰ পক্ষপাতী আছিল । তেতিয়া বোধিসত্বই তেওঁক ক'লে, "তুমি এই ঠাইত কোনো জলাশয় থকা বুলি শুনিছানে ? সেই মানুহজনে তো কৈছিল যে খুব ডাঙৰ বৰষুণ হৈছিল । কিন্তু আমি এছাটিও ঠাণ্ডা বতাহ অনুভৱ কৰিছোনে ? আকাশত ডাৱৰ দেখিবলৈ পাইছোনে ? বিজুলী দেখিছানে ? মেঘৰ গাজনি শুনিছানে ? আমি যে মানুহবোৰ দেখিলো, সেইবোৰ যক্ষ । আমি পিয়াহত মৰি গ'লে আমাক খাবৰ কাৰণে সিহঁতে এই বুধি পাঙিছে । যিসকল বেপাৰী তালৈ গ'ল তেওঁলোকৰ নিশ্চয় খাই পেলাইছে । তেওঁলোকক অস্থিবোৰো ছাগে আমি ৰাস্তাত দেখিবলৈ পাম ।"

বোধিসত্বই কোৱা মতেই অলপ দূৰ আৰু যোৱাৰ পিছত তেওঁলোকে সেই গৰু-গাড়ীবোৰ আৰু মাল-বস্তুবোৰ দেখা পালে । তেওঁলোকে আৰু চাৰিটা মানুহ আৰু বলদৰ হাড়-মূৰ দেখা পালে । সেই দৃশ্য বৰ ভয়ানক লাগিছিল ।

"দেখিলানে, মন্দমতি কিমান বুৰ্বক আছিল । কোনো অচিনাকি লোকৰ কথাত বিশ্বাস কৰি তেওঁ পানী পেলাই দিছিল, যাৰ ফলত এই দশা হ'ল ।"

বোধিসত্ব আৰু তেওঁৰ মানুহবোৰ সেই ৰাতি তাতেই থাকি গ'ল । পিছদিনা পুৱা যোৱাৰ আগতে নষ্ট নোহোৱাকৈ থকা সেই মালবোৰ বান্ধি ল'লে । তাৰ পিছত গন্তব্যস্থল পালেগৈ, বহুত বেপাৰ কৰিলে আৰু বহুত ধন উপাৰ্জন কৰি স্বদেশলৈ ঘূৰিল । এই যাত্ৰাত তেওঁৰ এটাও প্ৰাণীৰো লোকচান ন'হল । বোধিসত্বই তেওঁৰ দূৰদৰ্শিতাৰ ফল হাতে-হাতে পালে ।



বিষ্ণু কথা

সত্যব্রতৰ কথা শুনি মাছটো সমুদ্ৰৰ মাজ পালেগৈ । এক বিশাল পৰ্বতৰ আকাৰ ধৰি মাছটোৱে সমুদ্ৰৰ জলৰাশি আগুৰি ক'লে, "সত্যব্রত, দেখিলা তোমাৰ বাণী কেনেকৈ অমোঘ প্ৰমাণিত হ'ল ? নাজানো, এনেকৈ আকাৰ বাঢ়ি থাকিলে মই কিহৰপৰা কি ৰূপ লওঁ?"

সত্যব্ৰতে হাতযোৰ কৰি প্ৰণাম কৰিলে আৰু সেই মৎস্যৰ স্তুতি কৰি ক'লে, "হে মৎস অৱতাৰধাৰী নাৰায়ণ! আপুনি এতিয়া নিজকে ৰক্ষা কৰাৰ অনুৰোধ কৰিছে কিন্তু মোক ৰক্ষা কৰিবলৈয়েতো আপুনি মৎস্য অৱতাৰ ল'লে। আপুনি মৎস্য অৱতাৰত নিজৰ লীলা প্ৰকাশ কৰা মহাত্মা ! মই এই অভাজনে আপোনাৰ লীলাৰ কথা কেনেকৈ বুজিম প্ৰভু?"

ইয়াৰ উত্তৰত মৎস্য অৱতাৰধাৰী বিষ্ণুৱে ক'লে, "হে ৰাজন ! সাত দিনৰ ভিতৰতে পৃথিৱীত মহাপ্ৰলয় আহিব । মহাপ্ৰলয়ৰ সময়ত সমগ্ৰ পৃথিৱী এই সলিল ৰাশিত ডুব যাব । কিন্তু তেতিয়া জ্ঞান, ঔষধি গছ আৰু বীজ ধ্বংস হ'লে নচলিব । তোমাৰ বাবে এখন বৃহৎ নাও গভীৰ অন্ধকাৰত পানীৰ ওপৰত ভাহি আহিব। তাত থাকিব সপ্ত ঋষি! তাত তুমি দেখা পোৱা ৰশ্মি তেওঁলোকৰেই হ'ব ?

তুমি নিজৰ লগতে ঔষধি গছ আৰু বীজ এই নাৱত উঠাই দিবা । মোৰ মূৰত থকা শিঙটোৰে মই নাওখন আটি আটি ধৰি থাকিম আৰু সেইখন ডুবিবলৈ নিদিম । সেই কাৰণেই মই এই ৰূপত অৱতাৰ লৈছো । এই মুহূৰ্ত্তত ব্ৰহ্মা গভীৰ নিদ্ৰাত নিমগ্ন হৈ আছে, তেওঁ সাৰ পাই উঠা সময়লৈকে নাওখনে ধ্ৰুৱ নক্ষত্ৰক দিশসূচক হিচাপে লৈ আগবাঢ়ি যাব । আসন্ন কল্পলোকত তুমি বৈৱস্বত নামৰ মনুষ্যৰূপে জন্ম ল'বা ।"

সত্যব্ৰতে বিষ্ণুৰ আজ্ঞা শিৰোধাৰ্য কৰি নিজৰ শিৰ নত কৰি বিষ্ণুক প্ৰণাম কৰিলে।

মৎসাৱতাৰে নিজৰ চাৰিখন পাখি কোবাই, প্ৰবল ঢৌৰ মাজেদি সাঁতুৰি সমুদ্ৰৰ গৰ্ভত প্ৰবেশ কৰিলে।

ব্ৰহ্মা গভীৰ নিদ্ৰাত মগ্ন হৈ আছিল। অন্ধকাৰত মহাপ্ৰলয়ে তাণ্ডৱ নৃত্য কৰিছিল।

হয়গ্ৰীৱ নামৰ সোমকাসুৰ সমুদ্ৰ গৰ্ভৰপৰা ওপৰলৈ উঠি আহিল, আৰু হঠাতে বাদুলিৰ দৰে ব্ৰহ্মাৰ সত্যলোকলৈ উৰি গ'ল।

ব্ৰহ্মাই যেতিয়া গভীৰ নিদ্ৰাত দীঘলীয়া নিশ্বাস লৈছিল, তেতিয়া তেওঁৰ চাৰিখন মুখৰপৰা বগা, ৰঙা, হালধীয়া আৰু নীলা ৰঙত জিলিকি থকা চাৰিখন বেদ বাহিৰলৈ ওলাই আহি তলত সৰি পৰিছিল। হয়গ্ৰীৱে সেই চাৰিখন বেদ তুলি লৈ সমুদ্ৰৰ গৰ্ভত লুকুৱাই থলেগৈ।

হয়গ্ৰীৱ দেৱতাসকল আৰু বিষ্ণুৰো ঘোৰ শত্ৰু আছিল। বেদ অবিহনে ব্ৰহ্মাৰপক্ষে সৃষ্টি ৰচনা কৰা অসম্ভৱ। প্ৰতিখন কল্পলোকতে বিষ্ণুৱে সততাক উৎসাহিত কৰি সেই গুণৰ বিকাশ সাধিব খুজিছিল। বিষ্ণুৰ এই সংকল্প ধূলিসাৎ কৰাই হয়গ্ৰীৱৰ উদ্দেশ্য আছিল।

প্ৰলয়কালীন সমুদ্ৰত পৃথিৱী ডুব গৈছিল। সেই মুহূৰ্ত্ততে সত্যব্ৰতে গভীৰ অন্ধকাৰত নক্ষত্ৰৰ দৰে আভাৰে দীপ্তিমান এখন নাও দূৰত দেখা পালে। সেইখনেই আছিল সপ্তঋষিৰ জ্যোতিৰে উদ্ভাসিত নাও।

সত্যব্ৰতে ঔষধি গছ আৰু বীজ নাওখনত উঠাই দিলে। নাৰায়ণৰ স্তুতি কৰি তেওঁ সেই নাওখনতে যাত্ৰা আৰম্ভ কৰিবলৈ সাজু হ'ল। মৎসাৱতাৰৰ নাকত আছিল এটা দীঘল শিং। নক্ষত্ৰৰ দৰে জকমকাই থকা সেই শিঙত মেৰিয়াই ধৰি এক মহাসৰ্পই প্ৰলয়ংকাৰী ধুমুহাৰপৰা নাওখনক বচাই ৰাখিছিল। মৎসাৱতাৰে নিজৰ পাখিৰে সমুদ্ৰৰ ঢৌবোৰ বাধা দি নাওখন সুকলমে আগবঢ়াই নিছিল। ধ্ৰুৱ নক্ষত্ৰক দিশসূচক হিচাপে লৈ নাওখন ধীৰ গতিৰে আগবাঢ়িছিল।

ইফালে সমুদ্ৰ গৰ্ভত লুকুৱাই ৰখা চাৰিখন বেদ পহৰা দি সোমকাসুৰে সমুদ্ৰৰ গৰ্ভত টহল দি ফুৰিছিল। চাৰিটি শিশুৰ ৰূপ লোৱা চাৰিখন বেদ উমলি-জামলি আছিল।

মৎসাৱতাৰে বেদকেইখন বিচাৰি ওলাল। মৎসাৱতাৰক দেখিয়েই সোমকাসুৰৰ পেটতে হাত-ভৰি লুকাল। তথাপি কোনো মতে সাহস গোটাই নিজৰ কাঁইটীয়া গদাটো সি হাতত তুলি ল'লে।

সেই সময়লৈকে বিষ্ণুৰ অৱতাৰে কঁকাললৈকে মাছৰ ৰূপ ধাৰণ কৰিছিল।

তেওঁৰ চাৰিখন হাত বাহিৰ ওলাই আছিল। চাঁওতে চাঁওতে মৎসাৱতাৰ আৰু সোমকাসুৰৰ মাজত ভীষণ যুদ্ধ আৰম্ভ হ'ল।

সোমকাসুৰে সমুদ্ৰৰ তলে তলে পলাবলৈ চেষ্টা কৰিলে। তাকে দেখি বিষ্ণুৱে নিজৰ চক্ৰৰে তাক কাটি টুকুৰা টুকুৰ কৰিলে।

বিষ্ণুৱে শিশুৰ ৰূপত থকা চাৰিখন বেদ কোলাত লৈ পানীৰ ওপৰলৈ উঠি আহিল। চাৰিটি শিশুৱে বিষ্ণুৰ কণ্ঠহাৰত শোভা বৰ্দ্ধন কৰা শ্ৰীবৎস আৰু কৌস্তভ মণিবোৰ সিহঁতৰ মৰম লগা হাতেৰে লিৰিকি বিদাৰি আছিল। চাৰিওটি শিশু বগা, ৰঙা, হালধীয়া আৰু নীলা জ্যোতিৰে জিলিকি আছিল। বিষ্ণুৰ হাতত আছিল শোভাবৰ্দ্ধক শংখ আৰু চক্ৰ।

বিষ্ণুৰ মৎসাৱতাৰ দেখি ঋষি আৰু সত্যব্ৰতে তন্ময় হৈ হাত ওপৰলৈ কৰি বিষ্ণুৰ স্তুতি কৰিবলৈ ধৰিলে। প্ৰলয়ৰ তাণ্ডৱ শান্ত হৈ আহিল, অ'ত ত'ত ভূমি দেখিবলৈ পোৱা গ'ল। ইফালে নাওখনো নিজৰ লক্ষ্যস্থানত উপনীত হৈছিলগৈ।

নিদ্ৰাৰত ব্ৰহ্মাৰ বাবে দিন আৰু ৰাতিৰ সময়ৰ কোনো পাৰ্থক্য নাছিল। তেওঁৰ নিদ্ৰা পূৰা হঁও হঁও। আকাশত ৰাঙলী আভা দেখিবলৈ পোৱা গৈছিল। নতুন কল্প আৰম্ভ হৈছিল। প্ৰথমতে সাৰ পালে দেৱী সৰস্বতীয়ে। দেৱীয়ে নিজৰ বীণাত ভূপালী ৰাগত আলাপ কৰিছিল। তাৰপিছত সাৰ পালে ব্ৰহ্মাই। তেওঁৰ এনেহে লাগিল যেন চাৰিওফালে কিবা এটা অশান্তি চলিছে। ঘূৰি চাই দেখে, বেদ চাৰিখন নাই। চিন্তাত ব্ৰহ্মাৰ কপালৰ বলিৰেখা স্পষ্টভাৱে দেখা গৈছিল; তেনেতে বিষ্ণু মৎসাৱতাৰত আৰ্বিভাৱ হৈ ব্ৰহ্মাৰ হাতত চাৰিখন বেদ অৰ্পণ কৰিলে।

অপলক নেত্ৰে ব্ৰহ্মাই বিষ্ণুৰ মৎসাৱতাৰ চাই ৰ'ল আৰু হাতযোৰ কৰি চাৰিখন মুখেৰে বিষ্ণুৰ স্তুতি কৰিবলৈ ধৰিলে!

"হে নাৰায়ণ! যি ব্যক্তিয়ে আপোনাৰ মৎসাৱতাৰ ধ্যান কৰিব তেওঁৰ সমুদায় বিপদ এনেকৈ দূৰ হ'ব যেন প্ৰলয়ৰ ৰূপত অহা বিপদ আৰু অজ্ঞানৰূপী অন্ধকাৰ পলাই ফাট মাৰিব।"

বিষ্ণুৱে মৎসাৱতাৰ লোৱাৰ লক্ষ্য পূৰণ হোৱাত অন্তৰ্ধান হৈ বিষ্ণু নিজৰ নিবাস বৈকুণ্ঠ পালেগৈ।

ব্ৰহ্মাই বেদ লৈ সৃষ্টি ৰচনাৰ কাম আৰম্ভ কৰিলে। সত্যব্ৰতে শ্ৰাদ্ধদেৱ বৈৱস্বত নামৰ মনুষ্যৰূপে জন্ম ল'লে।

সপ্ত ঋষিয়ে আকাশত নিজ নিজ স্থানত উপনীত হৈ সপ্তৰ্ষি মণ্ডল ৰূপে উদ্ভাসিত হৈ ধ্ৰুৱক প্ৰদক্ষিণ কৰিবলৈ ধৰিলে। "সূত

মহৰ্ষিয়ে কোৱা এই কাহিনী শুনাৰ পাছত মুনিগণে তেওঁক সুধিলে, "মহৰ্ষি, আমি ধ্রুৱৰ কাহিনী শুনিব খোজো ।"

সূত মুনিয়ে ক'বলৈ আৰম্ভ কৰিলে । "এই বিশাল বিশ্বত সবাতোকৈ ওখ স্থানৰ অধিকাৰী হ'ল ধ্রুৱ মণ্ডল । সেইয়াই বিশ্বস্বৰূপ বিষ্ণুৰ শিৰৰ অৱস্থান ।

এনে সন্মানীয় আসন লাভ কৰোতা ধ্রুৱ আছিল উত্তানপাদ নামৰ এজন ৰজাৰ পুতেক। ধ্রুৱৰ মাক সুনীতি ৰজা উত্তানপাদৰ জ্যেষ্ঠা ৰাণী আছিল, সৰু ৰাণীৰ নাম আছিল সুৰুচি। ৰজাই সুৰুচিক বেছি মৰম কৰিছিল ।

এদিন ৰজা উত্তানপাদে সৰু ৰাণী সুৰুচিৰ পুতেক উত্তমক তেওঁৰ কোলাত বহুৱাই মৰম কৰি আছিল । তেনেতে তাত ধ্রুৱ আহি উপস্থিত হ'লহি । ধ্রুৱৰ মনতো পিতাকৰ কোলাত আহি বহাৰ বাসনা আছিল । পৰম আশাৰে ধ্রুৱই দেউতাকৰ চকুলৈ চাই ৰ'ল । তেনেতে তাত আহি ওলালহি সুৰুচি । ৰাণী সুৰুচিৰ ভয়তে ৰজাই ধ্রুৱক দেখিও নেদেখাৰ ভাও ধৰিছিল । ধ্রুৱই ভাবিছিল তাৰ দেউতাকে ভায়েক উত্তমৰ দৰে তাকো কোলাত বহুৱাই মৰম কৰিব । কিন্তু তেনেকুৱা একো নঘটাত ধ্রুৱৰ দুখতে চকুপানী ওলাই আহিল । চকুপানীৰ টোপালবোৰ ধ্রুৱৰ গালত মুকুতাৰ দৰে জিলিকিছিল ।

ধ্রুৱৰ অৱস্থা দেখি সুৰুচিয়ে খিলখিলাই হাঁহি মাৰি ক'লে, "আয়ৈ দেহি, কি যে ফুটা কপাল তোৰ ! গোটেই জীৱন তপস্যা কৰিলেও মোৰ পুত্ৰৰ দৰে দেউতাৰৰ কোলাত বহাৰ ভাগ্য তোৰ নহ'ব । মোৰ গৰ্ভত জন্ম ল'ব পাৰিলেহে তোৰ এই সৌভাগ্য হ'ব । অঁ, তই দেখোন যেতিয়াই তেতিয়াই বিষ্ণুৰেই গুণানুকীৰ্ত্তন কৰি থাক। এতিয়া সেই বিষ্ণুকেই তপস্যা কৰি চাচোন তেওঁ তোক এই সৌভাগ্য প্ৰদান কৰেনে নকৰে ?" এনে বিভিন্ন কথাৰে সুৰুচিয়ে ধ্রুৱক উপহাস কৰিবলৈ ধৰিলে ।

বালক ধ্রুৱ বেদনাত মৰ্মাহত হ'ল । ক্ৰোধত ধ্রুৱ অগ্নিশৰ্মা হ'ল । ধ্রুৱৰ মনত সুৰুচিক হত্যা কৰাৰ বাসনা জাগি উঠিল । কিন্তু পিছ মুহূৰ্ত্ততে সুৰুচিক এক উত্তম উপদেশ দিওঁতা যেন অনুভৱ হ'ল ধ্রুৱৰ । ধ্রুৱৰ এনেহে লাগিল যেন সুৰুচিয়ে তাক এইবুলি পৰামৰ্শ দিছে, "বোপা, নাৰায়ণৰ ওপৰত বিশ্বাস ৰাখা । তেওঁৰ তপস্যা কৰা ।" ধ্রুৱই আৰু ভাবিলে, ভায়েক উত্তমৰ এনে মহান উপদেশ পোৱাৰ সৌভাগ্য হোৱা নাই। ৰজা উত্তানপাদক ধ্রুৱৰ আন্ধাৰৰূপী জালত বন্দী হৈ চটফটাই থকা হিৰণ যেন লাগিল। ইয়াৰ পাছত ধ্রুৱই সুৰুচিক

এনেভাৱে প্ৰণাম কৰিলে যেন গুৰুৰ সাৰগৰ্ভ উপদেশ পোৱাৰ পাছত শিষ্যইহে গুৰুক প্ৰণাম কৰিছে । ধ্ৰুৱ তাৰপৰা ওলাই আহিল । ধ্ৰুৱৰ এই ব্যৱহাৰত আচৰিত হৈ সুৰুচিয়ে মনতে ভাবিলে, "ল'ৰাটো দেখিছো বৰ সৰল প্ৰকৃতিৰ । গালি খাইয়ো এনেকৈ প্ৰণাম কৰে । আৰু প্ৰণাম নকৰিনো সি কৰিব কিটো ? মোৰ সমুখত মুখ খোলাৰ সাহস ? তাৰেই আছে নে তাৰ মাকৰেই আছে ?"

ধ্ৰুৱক এনেকৈ চকুপানী টুকি অহা দেখি সুনীতিয়ে দাসীৰ মুখৰপৰা সকলো কথা গমি-পিতি লৈ ধ্ৰুৱক ক'লে, "অঁতো । এই কথা সঁচা । এজনী দাসীৰ দৰে নিকৃষ্ট জীৱন কটোৱা মোৰ গৰ্ভত তই কিয় জন্ম ললি ? তোৰ মাহী আইয়ে ঠিকেই কৈছে । তোৰ বাবে আৰু মোৰ বাবেও নাৰায়ণৰ বাহিৰে আন কোনো সাৰথি নাই ।"

মাকৰ কথাকেইটা শুনি ধ্ৰুৱই মনত শান্তি অনুভৱ কৰিলে আৰু ক'লে, "মা, মই তপস্যা কৰিবলৈ ওলাইছো । মোক তুমি আশীৰ্বাদ দিয়া ।"

"কি ক'লি বোপা ? তই তপস্যা কৰিবি? তেন্তে তই সুৰুচিৰ গৰ্ভত জন্ম লোৱাৰ আশীৰ্বাদ বিচাৰিবি ।" সুনীতিয়ে ক'লে ।

"মা, এনেকুৱা কথা ভুলতো মুখত নানিবা । মই তোমাৰ পুত্ৰ । আমি কেতিয়াও নিজকে হীন বুলি ভাবিব নালাগে । ইতো আত্মহত্যাৰ সমকক্ষ । মই এই কথা প্ৰমাণ কৰি দেখুৱাম ধ্ৰুৱৰ মাক কিমান ভাগ্যশালী আছিল ? মই যেন আনক দিশৰ সন্ধান দিব পাৰো সেই বৰেই মই নাৰায়ণৰ ওচৰত বিচাৰিম ।" এইবুলি কৈ ধ্ৰুৱ সেই মুহূৰ্ত্ততে ঘৰৰপৰা ওলাল ।

ৰাস্তাতে বালক ধ্ৰুৱই নাৰদ মুনিক লগ

পালে । নাৰদে সুধিলে, "হে ধ্ৰুৱ কুমাৰ ! তুমি খেলিবলৈ ওলাইছা যেন পাইছো ।"

"স্বামী, মই তপস্যা কৰিবলৈ ওলাইছো !" ধ্ৰুৱই উত্তৰ দিলে ।

"কি ক'লা ? তপস্যা নামৰো কিবা খেল আছে নেকি ? খেলা, খেলা বোপাই, যিমান পাৰা সিমান খেলা এই খেলটো ।" নাৰদে ধেমালিতে ক'লে ।

"মুনিবৰ, এইটো কোনো খেল নহয় । মই সঁচাই তপস্যা কৰিবলৈ ওলাইছো ।" ধ্ৰুৱই স্পষ্টকৈ ক'লে ।

"অ' কথা তেনে সেইটোহে । ইমান সৰু কথা এটাতে তুমি বাৰু এনেকৈ তপস্যা কৰিবলৈ যাব লাগেনে ? ব'লা, মোৰ লগত ব'লা । মইয়ো চাঁওচোন, তোমাৰ দেউতাৰাইনো তোমাক কোলাত নবহাই কিয়?" নাৰদে ক'লে ।

"স্বামী, মই কাৰোপৰা দয়া নিবিচাৰো । সকলোতকৈ উত্তম নাৰায়ণৰ অনুগ্ৰহহে মোক লাগে । এই উদ্দেশ্য পূৰণৰ বাবেই মই তপস্যা কৰিবলৈ অৰণ্যলৈ বুলি ওলাই আহিছো ।" ধ্ৰুৱই ক'লে ।

"বোপা, তপস্যা কৰাটো কোনো হাঁহি ধেমালিৰ খেল নহয় । অৰণ্যত বাঘ, সিংহৰ দৰে অনেক হিংস্ৰ জন্তু আছে । প্ৰখৰ ৰ'দ, হাড়কপোৱা শীত আৰু ক'লহৰ কাণে ঢলা বৰষুণৰ মুখামুখি হ'ব লাগিব । মোৰ কথা মানি তুমি ঘৰলৈ উভতি যোৱা বোপা ।" নাৰদে ধ্ৰুৱক বুজালে ।

"মুনিবৰ, মই হ'লো ক্ষত্ৰিয় । অপমান সহি মই জীয়াই থাকিব নোৱাৰো । আপুনি মোক কাপুৰুষালিৰ পাঠ পঢ়াবলৈ আহিছে নেকি ?" ধ্ৰুৱই সুধিলে ।

"বোপা ধ্ৰুৱ ! তোমাৰ দৃঢ়তাৰ পৰীক্ষা লবলৈহে মই এইখিনি কথা কৈছো । এটা সময়ত মইয়ো অনাথ বালক হিচাপে অনেক অপমান আৰু অত্যাচাৰ সহিব লগীয়া হৈছিল । আৰু শেষত মইয়ো তপস্যাত বহিছিলো । তুমি মধুবনলৈ গৈ একান্ত মনে নাৰায়ণৰ আৰাধনা কৰা । মই আশীৰ্বাদ দিছো, তুমি যাতে সফল হৈ ঘৰলৈ উভতি আহিব পাৰা ।" নাৰদে বুজালে ।

এইখিনি কথা সূত মহৰ্ষিৰ মুখেদি শুনি উঠি মুনিগণে তেওঁক সুধিলে, "হে ঋষিশ্ৰেষ্ঠ! নাৰদেনো কিয় অপমান আৰু অত্যাচাৰৰ মুখামুখি হ'ব লগীয়া হৈছিল ? আমি নাৰদৰ এই কাহিনী শুনিবলৈ উদগ্ৰীৱ হৈ উঠিছো ।"

প্ৰকৃত মানৱ প্ৰেম

বনপুৰ নামৰ গাৱঁত বলোভদ্ৰ নামৰ এটা দুখীয়া ডেকা-ল'ৰা আছিল । তাৰ নিজৰ কোনো নাছিল । সি মজদুৰী কৰিছিল আৰু পেট প্ৰৱৰ্ত্তাইছিল । ৰাতি য'তেই তাৰ টোপনি আহিছিল, সি তাতেই শুই পৰিছিল।

এদিন ৰাতি সি তাৰ ঘাহঁ-বনৰ ঘৰৰ চোতালতে পৰি আছিল । টোপনি নহা বাবে সি ইকাতি সিকাতিকৈ আছিল । সেই সময়তে এজনী ছোৱালী তালৈ আহিল আৰু তাৰ ওচৰতে ঘাহঁনিতে বহি পৰিল । তাই তাত বহিয়েই নিজৰ এটা টোপোলা খুলিলে আৰু খাবৰ বাবে কিবা বস্তু তাই তাৰপৰা লৰালৰিকৈ খাবলৈ ধৰিলে ।

বলোভদ্ৰই তাইক দেখি ভয় খালে । সি ভাবিলে এই কোনো পিশাচিনী হ'ব । ভয়ত মৰোঁ যেন হৈ সি চকু বন্ধ কৰিলে । কিন্তু অলপ সময় পিছতেই সি নিজকে নিজে চম্ভালিলে আৰু চকু খুলি সুধিলে, "তুমি কোন ?"

এই যুৱতীয়ে চক খাই উঠিল আৰু নৰম সুৰত ক'লে, "মই মনোহৰৰ জীয়েক ।"

"মাজ ৰাতিখন ইয়ালৈ কিয় আহিছা ?" বলোভদ্ৰই কঠোৰ স্বৰেৰে সুধিলে ।

ছোৱালীজনীয়ে কপি উঠাৰ দৰে ক'লে, "মই এইটো নাজানো যে তুমি এই গাৱঁৰে হয় নে নহয় । মোৰ মা ঢুকোৱাৰ পিছত দেউতাই পুনৰ বিয়া কৰালে । মোৰ মাহী মা নিষ্ঠুৰ । খাবলৈ নিদিয়ে, কথাই-কথাই মোক গালি দি থাকে, ঘৰৰ সকলোবোৰ কাম মোৰ হতুৱাই কৰায় । আজি মোৰ দেউতা আৰু মাহী মা কিবা কামত বাহিৰলৈ গৈছে । মই নাজানো কোন সময়ত তেওঁ আহি ওলায়, সেয়ে ঘৰত পৰি-মেলি থকা বস্তুকে খাইছো।"

এই কথাত বলোভদ্ৰই হাঁহি হাঁহি ক'লে, "তোমাৰ মাহী মাই ৰাতিপুৱাই গম পাই যাব যে কোনোবাই আহি ঘৰৰ বস্তুবোৰ খাই পেলাইছে । যেতিয়া তেওঁ গম পাব যে এই কাম তোমাৰ বাহিৰে আন কোনোৱে কৰা নাই তেতিয়া তেওঁ তোমাক নিশ্চয় পিটিব।"

"সেইবোৰ সব পিছৰ কথা । প্ৰথমতে এই সুস্বাদু পায়স খাবলৈ দিয়া ।" সেই ছোৱালীজনীয়ে বেপেৰুৱাভাৱে ক'লে ।

" তোমাৰ পিতা মনোহৰ দৰাচলতে মোৰ তাৰৈ হয় । মোৰ মা-দেউতা যেতিয়া ঢুকাইছিল তেতিয়া মই দহবছৰীয়া আছিলো । সেই সময়ত তুমি ছবছৰীয়া আছিলা । তেতিয়া মই তোমালোকৰ ঘৰতে আছিলো আৰু তোমাৰ পিতাৰাই মোৰ চোৱাচিতা কৰিছিল । তোমাৰ মাহী মাই দুই-তিনিবাৰ মোৰ ওপৰত চুৰি কৰাৰ অপবাদ দিছিল । তোমাৰ পিতাৰাই সেই সময়ত মোক খুব মাৰিছিলেও । আনকি মোক ঘৰৰপৰা উলিয়াইও দিলো । তেতিয়াৰপৰা মই মজদুৰী কৰিছো আৰ নিজৰ পেট প্ৰৱৰ্তাইছো । য'তেই ঠাই পাইছো শুই পৰিছোঁ । মোৰ মনত পৰিছে, তোমাৰ নাম সুনীতা নহয় জানো ?" বলোভদ্ৰই মৰমেৰে সুধিলে ।

তাই 'হয়' বুলি ক'লে আৰু বলোভদ্ৰলৈ এবাৰ চাই তাৰ পৰা গুচি গ'ল ।

সুনীতা গুচি যোৱাৰ পিছত সি চিন্তা কৰিবলৈ ধৰিলে । তাৰ পুৰণা কথা মনত পৰিবলৈ ধৰিলে । যেতিয়া তাৰ মাক দেউতাক জীয়াই আছিল তেতিয়া তেওঁলাকে তাক কৈছিল যে সুনীতা তোমাৰ পত্নী । এই কথাত মনোহৰ আৰু তেওঁৰ পত্নীয়ে গিজনি মাৰি হাঁহিছিল ।

কিন্তু তেওঁৰ দ্বিতীয় পত্নী অহাৰ পিছত সকলো সলনি হৈছিল । এতিয়া মাহী মাকে সুনীতাক বহুত কষ্ট দিয়ে, ঘৰৰ সকলো কাম কৰায় আৰু খাবলৈ একো নিদিয়ে । বলোভদ্ৰই মনতে ভাবিবলৈ ধৰিলে যে সুনীতাৰ দেউতাকক নো মই লগ ধৰি সুনীতাক বিয়া কৰোৱাৰ প্ৰস্তাৱ নিদিও কিয়? তেওঁক মই এইটো আশ্বাসো দিম যে তেওঁৰ খেতি আৰু ঘৰৰ কামো চম্ভালিম আৰু তেওঁৰ বুঢ়া বয়সত সকলো প্ৰকাৰেই তেওঁক সহায় কৰিম । এই সিদ্ধান্ত কৰি পুৱাই সি মনোহৰক লগ কৰিবলৈ গ'ল । সেই সময়ত মনোহৰ ঘৰৰ আগফালে বাৰন্দাত বহি আছিল । তেওঁৰ পত্নী সুজাতা দুৱাৰৰ ওচৰতে বহি পাচলি কাটি আছিল ।

বলোভদ্ৰক দেখি মনোহৰে প্ৰথমতে মিচিকিয়াই হাঁহিলে । কিন্তু পিছ মুহূৰ্ত্ততে তেওঁ কঠুৱা সুৰেৰে ক'বলৈ ধৰিলে, "মোৰ ঘৰলৈ কিয় আহিছ ? কিবা কাম আছে যদি ৰাস্তাত লগ ধৰি ক'ব পাৰিলিহেঁতেন ।"

অকণো ভয় নকৰাকৈ বলোভদ্ৰই ক'লে, "তাৰৈদেউ, আপুনিতো জানেই মোৰ নিজৰ

বুলি কোনো নাই । সুনীতাৰ বাহিৰে আপোনাৰো নিজৰ কোনো নাই । সৰু কালতেই সুনীতাক মোৰ লগত বিয়া দিয়া হ'ব বুলি কথা দিয়া হৈছিল, এতিয়া তাইক মোৰ লগত বিয়া দি দিয়ক । মই আপোনাৰ, আপোনাৰ খেতি-বাতি, আৰু আপোনাৰ ঘৰৰ সকলো দায়িত্ব চম্ভালিম । আপোনাক আৰু মাহীক সদায় সুখত ৰাখিম ।"

এই কথা শুনি মনোহৰ স্তব্ধ হৈ গ'ল । বলোভদ্ৰলৈ ঘোপা চকুৰে চাই তেওঁ ক'লে, "বলোভদ্ৰ, এই বোৰ বহুত পুৰণি কথা । তোৰ মাৰ-দেউতাৰ ঢুকোৱাৰ পিছত নিজৰ ঘৰতে ৰাখি তোক উপযুক্ত কৰিব খুজিলো। কিন্তু নিজৰ মাহীয়েৰৰ চকুত তই এটা চোৰ। তেওঁৰ কথা আওকাণ কৰি নিজৰ ফালৰ পৰা কিবা এটা কৰাৰ অৱস্থাত মই নাই ।"

সুজাতাই গিৰিয়েকৰ কথাবোৰ মন দি শুনিলে । তেওঁ নিজকে সংযত কৰি ৰাখিব নোৱাৰিলে আৰু বাহিৰলৈ আহি খঙৰ সুৰত বকিবলৈ ধৰিলে, "ঐ ল'ৰা, তই এটা অকৰ্মণ্য, চোৰ, আমাক ভালৰি লগাবলৈ আহিছ হ'বলা । সুনীতাৰ বিয়া কেতিয়া আৰু কাৰ লগত দিব লাগে, সেয়া তাইৰ মাক-দেউতাকে ভালকৈ জানে । আকৌ যদি কেতিয়াবা বিয়াৰ কথা লৈ মোৰ ঘৰত ভৰি দিয়হি তোৰ হাত ভৰি ভাঙিম । ওলা, এতিয়াই ইয়াৰ পৰা ওলা ।" এইদৰে চিঞৰি চিঞৰি তেওঁৰ যেন শক্তি কমি আহিছিল, তেওঁৰ হাত-ভৰি কপিবলৈ ধৰিছিল আৰু ধামকৈ মাটিত পৰি গ'ল ।

মনোহৰ আৰু মাহী মাকৰ চিঞৰ-বাখৰ

শুনি পিছফালে কুঁৱাৰ পাৰত কাপোৰ ধুই থকা সুনীতা দৌৰি আহিল । তাই কি কৰিব লাগে একো উৱাদিহেই নাপালে । বলোভদ্ৰই তুৰন্তে গাৱঁৰ বৈদ্য ভদ্ৰকান্তক লৈ আহিল । তেওঁ সুজাতাক নানান ধৰণৰ পাতৰ ৰস খুৱালে আৰু অৱশেষত তেওঁ সংজ্ঞা ঘূৰাই আনিবলৈ সক্ষম হ'ল । তাৰ পিছত ক'লে, "চোৱা সুজাতা, আগতেওঁ মই তোমাক বহুতবাৰ কৈছো । তুমি উচ্চ ৰক্তচাপত ভূগিছা । সৰু-সৰু কথাবোৰতে তুমি অনাৱশ্যকভাৱে উত্তেজিত হৈ পৰা । যদি তুমি জীয়াই থাকিব খোজা তেন্তে তুমি তিনি মাহ সময় পূৰা বিশ্ৰাম কৰিব লাগিব লগতে, পুৱা-গধূলি সৰ্পগন্ধা লতাৰ কোমল পাত বতি লৈ তাৰ ৰস খাব লাগিব । সৰ্পগন্ধাৰ এই লতা আমাৰ গাৱঁৰ পশ্চিম ফালৰ ৰাণা পাহাৰত প্ৰচুৰ মাত্ৰাত পোৱা যাব । প্ৰতি দিনে এই

পাত পিহি তাৰ ৰস উলিয়াই পি খাবা । ইয়াৰ ব্যৱস্থা কৰি ল'বা আৰু নিজৰ উত্তেজনা কমাই ৰাখিবা ।"

বৈদ্য ভদ্ৰকান্ত গুচি যোৱাৰ পিছত সুজাতাই বৰ কৰুণ মাতেৰে সুনীতাক ক'লে, "এইটো নাভাবিবি যে মই বেদান্ত পাঠ কৰিছো বা বৈৰাগী তত্ত্ব শুনাইছো । সুনীতা, যেতিয়ালৈকে মানুহ সুস্থ হৈ থাকে, তেতিয়ালৈকে লগতে থকা অন্য মানুহৰ প্ৰয়োজন অনুভৱ নকৰে । মই তোক মৰমেৰে ডাঙৰ দীঘল কৰিব লাগিছিল, কিন্তু মই তেনে নকৰিলো । মাহী মাৰ দৰেই তোক কষ্ট দিলো। সেই পাপৰ ফল আজি ভুগিছো । তোক আজি মই মোৰ ভালদৰে শুশ্ৰূষা কৰিবলৈও ক'ব নোৱাৰো । মোক মোৰ পাপৰ ফল ভুগিবলৈ দে সুনীতা ।"

তেওঁৰ কথা শুনি সুনীতাৰ মন বিগলিত হৈ পৰিল আৰু তাই ক'লে, "মাহী, তুমি মোক গালি দিছা, মাৰিছা, তোমাৰ ওপৰত কেতিয়াবা কেতিয়াবা খং উঠে, কিন্তু তথাপিও তোমাক নিজৰ মা বুলিয়েই ভাবি আহিছোঁ । খুব সোনকালেই তুমি সুস্থ হৈ উঠিবা । সকলো প্ৰকাৰেই মই তোমাৰ সেৱা কৰিম ।" মাহীয়েকে কৰুণ দৃষ্টিৰে চালে ।

মনোহৰে এই দৃশ্য নিমাতে চাই আছিল। তেতিয়া বলোভদ্ৰই মাত দিলে, "মাহী, চিন্তাৰ কোনো কাৰণ নাই । প্ৰতিদিনে মই সৰ্পগন্ধাৰ লতা লৈ আহিম আৰু গুচি যাম । বচ্ কথা দিছো যে মই অহাৰ কাৰণে আৰু আপুনি উত্তেজিত হ'ব নালাগে ।"

সুজাতাই কিবা এটা ক'ব খোজোতেই মনোহৰে কৈ পেলালে, "নিজৰ মানুহলৈ মৰম বিপদৰ সময়তহে প্ৰকাশ হয় । ইয়াকেহে কয় প্ৰকৃত মানৱ প্ৰেম । যিহেতু মই তাৰ তাৰৈয়েক, সেয়েহে তোমাক নিজৰ মাক বুলি ভাবি প্ৰতিদিনে সৰ্পগন্ধাৰ লতা লৈ অনাৰ দায়িত্ব লৈছে । বুজি পালা ?"

সুজাতাই আৰু একো ক'ব নোৱাৰিলে । কঁপা কঁপা হাতেৰে নিজৰ চকুপানী মচিবলৈ ধৰিলে । কেইদিনমানৰ ভিতৰতে সুনীতা আৰু বলোভদ্ৰৰ সেৱা-শুশ্ৰূষাত সুজাতা সুস্থ হৈ পৰিল ।

ছমাহৰ ভিতৰতে সুজাতাই সিহঁতৰ বিয়া পাতি দিলে । স্বামীৰ লগত আলোচনা-বিলোচনা কৰি তেওঁলোকে বলোভদ্ৰক ঘৰ-জোঁৱাই কৰি নিজৰ ঘৰলৈ লৈ আহিল ।

শিয়ালৰ বুদ্ধি-বাঘৰ অপমান

এখন হাবিত এটা শিয়াল আৰু এটা কুকুৰনেচিয়াৰ ভেটা-ভেটি হ'ল । দুয়ো নিজৰ ভিতৰতে কথা পাতিবলৈ ধৰিলে ।

"বাৰু, এইবোৰ কথা বাদ দিয়া । কোৱাচোন, তুমি কিমানলৈকে পঢ়িলা ?"।

"সঁচা কথা কবলৈ হ'লে, মোৰ পঢ়া-শুনা সম্পূৰ্ণ ন'হল ।" শিয়ালে ক'লে । "তোমাতকৈ মই বেচি পঢ়া-শুনা কৰিছোঁ । আগলৈ 'ডাঙৰীয়া' বুলি সন্মান সহকাৰে মোক সম্বোধন কৰিবা । বুজিলানে ?" কুকুৰনেচিয়াই নিজকে জহাই ক'লে ।

ঠিক সেই সময়তে হাবিত ঘূৰি ফুৰা এটা ঢেকীয়াপতীয়া বাঘ জোপোহাৰ মাজৰ পৰা সিহঁতৰ আগত আহি ওলালহি ।

তেতিয়া শিয়ালে বিনয়েৰে কুকুৰনেচিয়াক ক'লে, 'ডাঙৰীয়া, আমি এতিয়া কি কৰিম?" ঢেকীয়াপতীয়াক দেখি কুকুৰনেচিয়া থৰ্থৰকৈ কঁপিবলৈ ধৰিলে আৰু কোনো উত্তৰ দিব পৰা অৱস্থাত সি নাছিল।

ঢেকীয়াপতীয়াই কুকুৰনেচিয়াৰ ওপৰত জপিয়াবলৈ সাজু হৈছিল । সি নিজৰ নেগুৰডাল ইফাল-সিফাল কৰি ক'লে, "তহঁত দুয়োটা পলাবলৈ বুধি পাঙিছ হ'বলা? মোৰ পৰা বছা সম্ভৱেই নহয় ।"

শিয়ালে তপৰাই ক'লে, "ডাঙৰীয়া, আমি আপোনাৰ দৰ্শনৰ কাৰণেই ওলাইছিলো। পৰম সৌভাগ্যৰ কথা এয়ে যে আপুনি আমাৰ আগত আহি ওলালহি । আমি এটা জটিল সমস্যাচ পৰিছোঁ । আপুনি অতি শিক্ষিত, আপোনাৰ জ্ঞান অপাৰ । আমাৰ বিশ্বাস যে এই সমস্যাৰ সমাধান আপোনাৰ বাহিৰে আৰু কোনেও কৰিব নোৱাৰে ।"

ঢেকীয়াপতীয়াৰ, শিয়ালে কৰা প্ৰশংসা খুব ভাল লাগিল । সি অত্যন্ত সুখী হ'ল । আৰামত গছ এজোপাৰ ওচৰতে নেগুৰ পেলাই বহি লৈ সি সুধিলে, "কচোন, সেই জটিল সমস্যাটো কি ?"

শিয়ালে বিনয়েৰে মূৰ তললৈ কৰি ক'লে,

মকন্দ গাৰ্গী

“ডাঙৰীয়া, বৰ সাহসৰ সৈতে গোটেই হাবিখন ঘূৰি নিজৰ জীৱন বিপন্ন কৰি মই দুটা শহাপহু চিকাৰ কৰিলো আৰু নিজৰ লগত লৈ আহিলো। কিন্তু এই কুকুৰনেচিয়াৰ দাবী হ’ল যে যিহেতু তেওঁ মোতকৈ অধিক লিখা-পঢ়া সেয়েহে সেই শহা দুটা তেওঁৰ হ’ব। কিন্তু তেওঁৰ এই দাবী মোৰ ন্যায়সংগত যেন লগা নাই। তেওঁক এটা শহা দিবলৈও মই ৰাজী নহয়।”

শিয়ালৰ কথা শুনি ঢেকীয়াপতীয়াই কুকুৰনেচিয়াৰ ঠেঙৰ পৰা মুৰলৈকে চালে আৰু ক’লে, “প্ৰথমতে তই এই কথা ক’ব লাগিব যে তই পঢ়া-শুনা কিমানলৈকে কৰিলি ?”

ভয়ত আধামৰা হোৱা কুকুৰনেচিয়া থৰথৰকৈ কঁপিবলৈ ধৰিলে। তাৰ মুখৰ পৰা কথা নোলাৱাৰ দৰে হ’ল। তেতিয়া শিয়ালে আগবাঢ়ি আহি ক’লে, ‘ডাঙৰীয়া, এঁও ক’ব খুজিছে যে তেওঁৰ মুখত যিমান দাঁত আছে সিমানখিনি বিদ্যা তেওঁ শিকিলে।”

“তেনে কথা সেইটোৱেই। তেনেহ’লে, মই তহঁত দুয়োটাতকৈ বেছি পঢ়া-শুনা কৰিছো।” এইদৰে কৈ ঢেকীয়াপতীয়া নিজৰ ভয়ঙ্কৰ মুখখন মেলি নিজৰ দাঁত দেখুৱালে। তাৰ জোঙা দাঁত দেখি কুকুৰনেচিয়া থৰথৰকৈ কঁপিবলৈ ধৰিলে আৰু লাহে লাহে সি বেহুচ হৈ পৰিল। ঢেকীয়াপতীয়াই তাত আচৰিত হৈ ক’লে, “কি হ’ল ?”

“ডাঙৰীয়া, ইয়াত আচৰিত হ’বলগা একো নাই। শিক্ষাৰ ক্ষেত্ৰত আপোনাৰ মহানতাক স্বীকাৰ কৰি তেওঁ আপোনাৰ জোঙা দাঁতক প্ৰণাম জনাইছে। আপুনি

আওপকীয়াকৈ আমাৰ সমস্যা সমাধানেই কৰিলে । আপুনি আমাৰ ঘৰলৈ যায় যদি সেই শহা দুটা আপোনাকে দান দিম।"

ঢেকীয়াপতীয়া আনন্দত ফুলি উঠিল । সি মনতে ভাবিলে যে প্ৰথমতে শহাপহু দুটা খাই ল'ম আৰু তাৰ পিছত ইহঁত দুটাক খাম।

"ঠিক আছে, ব'ল বাৰু, মই তোৰ পিছে পিছে যাম ।" এইদৰে কৈ সি থিয় হ'ল ।

শিয়ালে ঢেকীয়াপতীয়াক পাহাৰৰ মাজৰ সুৰংগ পথৰ ওচৰলৈ লৈ গৈ ক'লে, "ডাঙ-ৰীয়া, আমি ইয়াতে ৰ'ম । কুকুৰনেচিয়াই সুৰংগৰ মাজেৰে যাব আৰু শহাপহু দুটা লৈ আহিব ।"

"ঠিক আছে, সোনকালে যাবলৈ ক । মোৰ পেটৰ কেচুকুমতি মৰিছে ।" জিভা চেলেকি ঢেকীয়াপতীয়াই ক'লে ।

শিয়ালে যিটো সুৰংগ পথ দেখুৱালে সেইটো বৰ আন্ধাৰ আছিল কিন্তু ঢেকীয়া-পতীয়াক কথা দি দিয়াৰ বাবে কুকুৰনেচিয়া সেইফালেদি যাবলগা হ'ল ।

কিন্তু, বহুত সময় পাৰ হৈ যোৱাৰ পিছতো যেতিয়া কুকুৰনেচীয়া ঘূৰি নাহিল তেতিয়া শিয়ালে ঢেকীয়াপতীয়াক ক'লে, "ডাঙৰীয়া, যদি আপুনি অনুমতি দিয়ে তেন্তে মই গৈ চাই আহোঁ নেকি কুকুৰনেচিয়াই তাত কি কৰি আছে ?"

"ঠিক আছে, মই তোক অনুমতি দিছো। তহঁতে সেই শহা দুটা লৈ তুৰন্তে আহগৈ ।" ঢেকীয়াপতীয়াই ক'লে ।

সময় পাৰ হৈ গ'ল, কিন্তু শিয়াল আৰু কুকুৰনেচিয়াৰ ঘূৰি অহাৰ কোনো উমঘামেই নোহোৱা হ'ল ।

ঢেকীয়াপতীয়াৰ খং উঠিল আৰু সি নিজৰ মূৰ সেই সুৰংগত সুমুৱাবলৈ চেষ্টা কৰিলে । সেই চেষ্টাত বিফল হৈ গালি পাৰি সি তাৰ পৰা গুচি গ'ল ।

অলপ সময় পিছত শিয়াল আৰু কুকুৰ-নেচিয়া এই কথাত খাটাং হ'ল যে ঢেকী-য়াপতীয়া তাৰ পৰা গুচি গ'ল আৰু দুয়োটা সুৰংগৰ বাহিৰলৈ ওলাই আহিল ।

তেতিয়া কুকুৰনেচিয়াই শিয়ালৰ প্ৰশংসা কৰি ক'লে, "তোমাৰ পঢ়া-শুনা মোতকৈ কম, কিন্তু তোমাৰ বুদ্ধিৰ তুলনা নাই । নিজৰ বুদ্ধিৰে তুমি ঢেকীয়াপতীয়াকো ঠগিলা ।"

শিয়ালে ব্যংগভৰা সুৰেৰে ক'লে, "ডাঙৰীয়া, সকলো আপোনাৰ কৃপা ।"

চহকী কোন

এখন গাৱঁত ধনঞ্জয় নামৰ এজন বেপাৰী আছিল । তেওঁ জীৱন জুৰি অপাৰ সম্পত্তি গোটালে । বুঢ়া বয়সত তেওঁ এবাৰ টান নৰিয়াত পৰিল । তেতিয়া তেওঁৰ অনুশোচনা হ'ল, "মোৰ গোটেই জীৱন কেৱল ধন গোটাওতেই গ'ল । মই নিজৰ উপাৰ্জনৰ দ্বাৰা মানুহৰ কামত অহা একো কামেই কৰা ন'হল ।"

এইদৰে ভাবি তেওঁ নিজৰ পুতেক শ্ৰীকান্তক ওচৰলৈ মাতি বুজালে, "বোপা, মই নিজৰ জীৱনত ৰাইজৰ কাৰণে একো এটা কামেই কৰিব নোৱাৰিলো । কোনো দুখীয়া-দৰিদ্ৰ বা অসহায় মানুহৰ সহায় নকৰিলো । তুমি নিজৰ প্ৰয়োজনৰ বাবে ধন ৰাখি বাকী থকা ধনেৰে এখন ধৰমশালা পাতি দিয়া ।" এইদৰে কৈ ধনঞ্জয়ে চিৰদিনৰ বাবে চকু মুদিলে ।

নিজৰ পিতাকৰ অন্ত্যেষ্টিক্ৰিয়া সমাপ্ত কৰি শ্ৰীকান্তই বেহা-বেপাৰত নিমগ্ন হৈ পৰিল । সেই বছৰ বেহা-বেপাৰত তাৰ আশা কৰাতকৈ অধিক লাভ হ'ল । তাৰ নিজৰ পিতাকৰ কথা মনত পৰিল ।

শ্ৰীকান্তই ভাবিলে, "অহা বছৰত তো ব্যৱসায়ত লোকচানো হ'ব পাৰে । অহা বছৰো যদি এনেকৈ বেছি লাভ হয় তেন্তে মই ধৰমশালা নিশ্চয় পাতি দিম । ন'হলে মই অযথা ধনৰ অপব্যয় কিয় কৰোঁ ?"

পিছৰ বছৰো তাৰ দুগুণ লাভ হ'ল । তথাপিও সি সেই ধনেৰে সন্তুষ্ট ন'হল । সি ধৰমশালা গঢ়াৰ কথা আকৌ পিছুৱালে । এদিন ৰাতি শ্ৰীকান্তই বহুত দেৰীলৈকে নিজৰ হিচাব-পত্ৰ কৰি সাৰে আছিল । সেই সময়তে কোনোবাই যন্ত্ৰণাত চিঞৰি চিঞৰি আহি তাৰ ঘৰৰ সমুখৰ চোতালতে বহি পৰিল । শ্ৰীকান্তই খিৰিকীয়েদি জুমি বাহিৰলৈ চালে । এজন বুঢ়া, অন্ধ ভিখাৰী বিষত

কেঁকাই কেঁকাই চোতালতে বহি নিজৰ বাচন আৰু মোনাটোকে খামুচি ধৰিছিল ।

তেনেকুৱাতে আৰু এটা ভিখাৰী লেঙেৰাই লেঙেৰাই চোতালৰ ফালে আহিল আৰু সুধিলে, "জগত, কেঁকাইছা কিয় ? কি হৈছে তোমাৰ ?"

জগতে যন্ত্ৰণাত মৰো যেন হৈ ক'লে, "নাৰায়ণ, তুমি ! মই তো অন্ধ জানাই । পুৱা ভিক্ষা কৰিবলৈ ওলাওঁতে ভৰিত দুখ পালোঁ । সেয়ে মই এতিয়া ক'লৈকো যাব নোৱাৰো । আজি এমুঠিও ভিক্ষা নাপালো। এটা ভৰিত বিষ উঠিছে আৰু আনটো ভৰিয়ে ভোকৰ কথা সোঁৰৱাইছে । মোৰ অৱস্থাৰ কথা কি কম ?"

নাৰায়ণে জগতৰ ভৰিটোৰ ফালে চালে। ভৰিটো একেবাৰে ফুলি উঠিছে । নাৰায়ণে নিজৰ মোনাৰ পৰা বাচনটো উলিয়াই ক'লে, "মই তোমাৰ ভৰিৰ বিষটো নোহোৱা কৰিব নোৱাৰো । কিন্তু তোমাৰ ভোক পলুৱাব পাৰিম ।" এইদৰে কৈ নাৰায়ণে জগতৰ ফালে বাচনটো আগবঢ়াই দিলে ।

"তুমি নিজে কিবা খালানে গোটেইখিনি মোকে দি দিলা ?" জগতে আচৰিত হৈ সুধিলে ।

"দুয়ো সমানে-সমানে ভগাই লৈছো । মই নিজৰ ভাগটো লৈ লৈছো ।" নাৰায়ণে দুমুঠি খোৱাবস্তু লৈ জগতৰ পাত্ৰটিত দি দিলে ।

এই দৃশ্য খিৰিকীয়েদি দেখি শ্ৰীকান্তৰ চকু খোল খালে । তাৰ অন্তৰাত্মাই যেন কৈ উঠিল, নিজৰ লগত থকা সামান্য বস্তুকে ভগাই খোৱা নাৰায়ণ প্ৰকৃত চহকী মানুহ । কিন্তু কাকোৱেই একো নিদিব নোৱাৰা জগতৰ অৱস্থা গৰীৱ বুলি ক'ব পাৰি । মই ধনী হৈও আজি গৰীৱ ।"

ইয়াৰ পিছত শ্ৰীকান্তই সেই ৰাতি সেই দুই ভিখাৰীক নিজৰ ঘৰলৈ আনি পেট ভৰাই খুৱালে আৰু আশ্ৰয় দিলে ।

ধনী আৰু দুখীয়াৰ প্ৰকৃত অৰ্থ শ্ৰীকান্তই বুজি পালে আৰু তেতিয়াৰ পৰা ধন ঘটাৰ লগে-লগে সি পৰোপকাৰৰ কামত সেই ধন প্ৰয়োগ কৰি ধনৰ সদ্ব্যৱহাৰ কৰিবলৈ ধৰিলে।

জয়ানন্দ আৰু শিষ্য ৰামুৱে লগ পালে এটি শিশু আৰু এগৰাকী অসহায় তিৰোতা । চেতনা পাই উঠি তিৰোতা গৰাকীয়ে শিশুটিক এবাৰ চায় আৰু প্ৰাণ ত্যাগ কৰে । তেওঁৰ আত্মা ঋষিৰ সমুখত প্ৰকট হয় । সেই নাৰী আছিল শান্তিপুৰৰ ৰাণী । শিষ্য গোবিন্দই তেওঁক জনাই যে ৰাজ্যত হুলস্থুল লাগিছে আৰু ৰজা নিৰুদ্দেশ হৈছে ।
আৰ্য
অজ্ঞাত ৰাজকুমাৰৰ ৰহস্য
6
চিত্ৰ : গান্ধী অৰ্যা
জয়ানন্দৰ নিৰ্দেশত তেওঁৰ শিষ্যসকলে শান্তাকুমাৰীৰ নশ্বৰ দেহ সমাধিস্থ কৰিবলৈ এটা গাঁত খান্দি উলিয়ায় ।
এইটো আৰু বেছি দ কৰা, ৰামু !
আৰু গোবিন্দ, বেৰত শিলৰ এখন পৃষ্ঠ লগাই দিয়া ।
আহা বৎস, এই শ্বেতপুষ্প মাৰ দেহৰ ওপৰত ৰাখা আৰু তেওঁৰ চৰণ স্পৰ্শ কৰা ।
আন দুজন শিষ্য সহায় কৰিবলৈ আহে আৰু তেওঁলোকে লগ লাগি শৰীৰটো তললৈ নমায় ।
কাঠৰ কুণ্ডা আৰু তক্তাৰ ওপৰত মাটিৰ এটা টিলা বনোৱা । শৰীৰটো নষ্ট হোৱা অনুচিত ।

বাঘা, বাঘী ! এই স্থানত পহৰা দিবলৈ তোমালোক দুটাৰ কোনোবা এটা সদায় থকা উচিত যেতিয়ালৈকে মই মানা নকৰো ।
যোৱা আশ্ৰমলৈ ঘূৰি যোৱা । আৰু চিন্তা কৰাগৈ ল'ৰাটোক কেনেকৈ ডাঙৰ-দীঘল কৰিব পৰা যায় ।
ৰাজধানীত, ৰাজকুমাৰৰ জন্ম দিৱস সমাৰোহ হঠাতে বন্ধ হৈ যোৱাত জনতাৰ মাজত অশান্তিৰ সূত্ৰপাত হয় ।
সকলোৱে মন দি শুনক । আমাৰ ৰাজ্যত এটা সংকট আহিছে । কিছুমান দুষ্ট শক্তিৰ ইয়াত হাত আছে । ৰজা, ৰাণী আৰু ৰাজকুমাৰক ক'তো বিচাৰি পোৱা হোৱা নাই ।
সেনাপতি বীৰসিংহ ভাবপ্ৰাপ্ত শাসক হ'ব ।
ৰজা ক'ত আছে? এই কথা জনাটো আমাৰ অধিকাৰ ।
এইটো তোমাৰ কাম নহয় । তোমালোক সকলো ঘৰা-ঘৰি যোৱাগৈ ।
আনন্দেৰে ভৰা ৰাতিৰ শেষত দুখৰ বাতৰি ।
কোনো আলোচনা নহয়। মোৰ কথা শুনা ।
আমিনো ভৱিষ্যতে আৰু কি শান্তি পাম ?
মনে মনে থাকিবলৈ কৈছো নে নাই ?
ৰক্ষক ! এওঁক লৈ আহা !

আপুনি মোক মাতিছিল নেকি?
হয়, আচাৰ্য, মোৰ ৰাজঅভিষেকৰ বিষয়ে কথা পাতিবলৈ।
এই মহান আয়োজনৰ বাবে তাৰিখ ঠিক কৰক।
কিন্তু ৰাজঅভিষেক তেতিয়াহে হয় যেতিয়া...
...আমি নিশ্চিতভাৱে জানো যে ৰজা আৰু ইহ সংসাৰত নাই।
ৰক্ষক, এঁওক কাৰাগাৰত নিক্ষেপ কৰা।
ৰাজসভাত সেনাপতিয়ে মন্ত্ৰীক সম্বোধন কৰি কয়।
মানৱেন্দ্ৰ, মই চিৰদিনৰ বাবে ভাৰপ্ৰাপ্ত শাসক হৈ থাকিব নোৱাৰো। মোৰ ৰাজঅভিষেক আয়োজন কৰিব লাগে।
কিন্তু সেনাপতি, আমি জানো আৰু কেইদিনমান অপেক্ষা কৰিলে ভাল নহ'ব, মানে যেতিয়ালৈকে...
এতিয়াও আপুনি মোক সেনাপতি বুলি সম্বোধন কৰাৰ সাহস ক'ৰপৰা পালে? আপুনি নাজানেনে যে মইয়েই এতিয়া আচল ৰজা।
ৰজাতো সেইজনহে যি প্ৰজাৰ সমৃদ্ধি আৰু ৰাজ্যলৈ শান্তি আনে। তোমাৰ এই গুণ আছে যে তাত মোৰ সন্দেহ আছে।
মই আপোনাৰ অধীনত ৰাজ্যৰ সেৱা কৰিব নোখোজো।
হা, হা! ভালেই হ'ল, মুক্তি পালো!

আৰু কোনোবা এওঁৰ লগত যাব খুজিছে যদি যাব পাৰে।
ৰাজসভাত বীৰসিংহ প্ৰায় অকলশৰীয়া হোৱা পৰিলক্ষিত হয়।
মানৱেন্দ্ৰই আন দিনাৰ দৰে পূজা কৰিবলৈ শিৱ মন্দিৰলৈ যায়।
ঘূৰি আহোঁতে তিনিজন লোকে তেওঁৰ অজ্ঞাতে তেওঁক অনুসৰণ কৰে।
তেওঁ দেখে যে বিজুলী গতিৰে অহা এখন তৰোৱালে সেই তিনিজন লোকক আঘাত কৰে। তিনিওৰে থিতাতে মৃত্যু হয়।
আপুনি?
কথা নক'বা! অমৃতপুৰলৈ গুচি যোৱা। খৰ কৰা।
ক্ৰমশঃ

জানো আহা নানা কথা

বিজ্ঞানৰ কত কথা

নিমখ আৰু তৃষ্ণাৰ কথা

তুমি নিশ্চয় মন কৰিছা যে খুব বেছি নিমখীয়া কিবা এটা খাই উঠি তোমাৰ পিয়াহ লাগে। নিমখে আমাৰ পিয়াহ লগোৱাৰ কথাটো সকলোৱে জানে।

নিমখতনো এনে কি আছে যাৰ বাবে আমাৰ পানী খাবলৈ মন যায়। উত্তৰটো সহজ। আমাৰ আটাইবোৰ খাদ্যত কিছু পৰিমাণে হ'লেও নিমখ থাকে, আৰু নিমখে পেশীবোৰৰপৰা পানী উলিয়াই মূত্ৰাশয়লৈ নিয়ে য'ত অলাগতিয়াল পানীৰ ফিল্টাৰ হয়। খাদ্যত নিমখ খুব বেছি হ'লে, নিমখে উলিয়াই লোৱা পানীৰ পৰিমাণ অস্বাভাৱিক হয় আৰু ফলত পেশীবোৰত পানী কমি আহে।

পেশীত পানী কমিলেই, পেশীবোৰে সেই কথা জিভাখন আৰু ডিঙিক জানিবলৈ দিয়ে আৰু ফলত মানুহে তেতিয়াই পানী খাব লগীয়া হয়।



তোমাৰ পৰিবেশ

নিৰাপত্তা-য'ত থাকে অগ্ৰাধিকাৰ

চৰাইবোৰে গছত কিয় বাহ সাজে এই কথা কেতিয়াবা ভাবি চাইছানে ? ইয়াৰ সাধাৰণ কাৰণটো হ'ল চৰাইবোৰে কণী ফুটি ওলোৱা পোৱালিবোৰ সহজে আনৰ চিকাৰ হ'বলৈ দিব নোখোজে।

পোৱালি চৰাইবোৰে উৰিব নোৱাৰে আৰু সেয়েহে সিহঁত সহজেই আনৰ আক্ৰমণৰ বলি হ'ব পাৰে। আৰু মেকুৰীৰ দৰে জন্তুবোৰে অনায়াসে গছত উঠি এই পোৱালিবোৰ ধৰি খাব পাৰে।

যদিহে গছৰ ডালবোৰ চিকাৰী জন্তুটোৰ ভৰ সহিব পৰাকৈ শক্তিশালী নহয় তেন্তে চিকাৰী জন্তুবোৰ ইমান ওপৰলৈকে উঠি নাহে।

সেয়েহে বুদ্ধিয়ক চৰাইবোৰে গছৰ যিমান ওপৰত পাৰে সিমান ওপৰলৈ গৈ বাহ সাজে।

সিহঁতে লগতে শত্ৰুৰ চকুত ধূলি মাৰিব পৰাকৈ বাহটো লুকুৱাই থবলৈ যৎপৰোনাস্তি চেষ্টা কৰে।

জানো আহা নানা কথা

তুমি বাৰু জানানে ?

কেতিয়াবা তোমালোকৰ এনেকুৱা হৈছেনে যে কাষতে কোনোবাই নাক বজাই শোৱাৰ কাৰণে ৰাতি ভাল টোপনি নহ'ল । ফলস্বৰূপে পিছদিনা পুৱা চকু জ্বলা-পোৰা কৰা, গা-বেয়া লগা ইত্যাদি বিভিন্ন উপসৰ্গই দেখা দিয়ে । নাক বজোৱাটো হাঁহিবলগীয়া কথা নহয়। বৰঞ্চ ই এটা ডাঙৰ সমস্যা । বিশেষকৈ যিসকলৰ এই সমস্যা আছে তেওঁলোকে এই কথা জানি লোৱা ভাল ।

মানুহে কিয় নাক বজায় ? সাধাৰণতে ডিঙি বা নাসৰন্ধ্ৰত হোৱা কিবা বাধাৰ বাবে এনে হয়। আৰু

এই বাধা প্ৰায়ে পানীলগা বা এলাৰ্জীৰ বাবে হয় । নাকৰ ঘোৰ্ঘোৰণি বেছিভাগ সময়তেই ওপৰমুৱাকৈ শুলে হয় । এনেকৈ শোওঁতে মানুহৰ মুখ কেতিয়াবা মেল খাই যায় । তেনে অৱস্থাত মুখেৰে উশাহ ল'লে ভিতৰলৈ যোৱা বতাহখিনিয়ে ডিঙিৰ পিছফালে ওলমি থকা মাংস টুকুৰাত কম্পনৰ সৃষ্টি কৰে আৰু ফলস্বৰূপে নাকৰ শব্দ হয় । গতিকে নাকৰ শব্দ হোৱা মানুহৰ বাবে নাক নহয় মুখখনহে আচল খলনায়ক । কেৰ্কেটুৱাই তামোল খায়, নেউলক ধৰি কিলায় ।

বঢ়াই তোলা বুদ্ধিমত্তা

জীৱ জন্তুৰ পৃথিৱী

১. কোনবিধ জন্তুৱে এবাৰ শোৱাৰ পিছত সেইখন বিছনা পুনৰবাৰ ব্যৱহাৰ নকৰে ?

২. গ্ৰীক সৈন্যসকলে এটা সাগৰীয় জন্তু দেখা পালে, তেওঁলোকে এই জন্তুক নাৰী বুলি ভাবিলে আৰু সেয়ে জলপৰী বুলি আখ্যা দিলে । এই জন্তুবিধৰ নাম কি ?

৩. মানুহৰ চকুৰে নেদেখা ৰং পতঙ্গৰ চকুৰে দেখা পায়নে ?

৪. প্ৰকৃতিৰ আটাইতকৈ নিৰ্মম আৰু নিৰ্ভুল আগজাননী দিওঁতা কোন ?

৫. এন্টাৰ্কটিকাত কিবা পোক-পতঙ্গ আছেনে ?

(উত্তৰ ৬৬ পৃষ্ঠাত)

ফটো নামকৰণ প্ৰতিযোগিতা

কেইটিমান শব্দেৰে এই ফটো
দুখন নামকৰণ কৰিব পাৰিবানে?

MAHANTESH C. MORABAD

SOURAA

সম্পূৰ্ণ নাম ঠিকনাসহ সাধাৰণ পোষ্ট কাৰ্ডত উত্তৰ লিখি পঠাবা ।
ফটো নামকৰণ প্ৰতিযোগিতা, চান্দমামা, ৮২, ডিফেন্স অফিচাৰ্চ কলোনী, একাডুথাঙ্গাল, চেন্নাই - ৬০০ ০৯৭

এই মাহৰ ২০ তাৰিখৰ ভিতৰত উত্তৰ পাব লাগিব । বিজয়ী প্ৰতিযোগীক ১০০ টকা পুৰস্কাৰ দিয়া হ'ব । পুৰস্কাৰ পাওঁতা জনৰ নাম এপ্ৰিল সংখ্যাত প্ৰকাশ কৰা হ'ব !

বিজয়ী বাক্য

মুখ গোমোঠা কৰি কিয় আছা বহি ।
একেলগে চাঁও আহা ভিতৰত আছে কি ॥

অভিনন্দন

ডিচেম্বৰ সংখ্যাৰ পুৰস্কাৰ বিজেতা
ৰুচালি দত্ত
মাৰফৎ : ৰজিত দত্ত, চলিহা নগৰ
তিনিচুকীয়া-৭৮৬১২৫

বড়াই তোলা বুদ্ধিমত্তা --উত্তৰ

১.গৰিলা, যি প্ৰতিদিনাই একোখনকৈ বিছনা কৰি লয় ।
২.দুগং
৩.পায় । যেনে মৌ মাখিয়ে অতি বেঙুনীয়া ৰঙ চাব পাৰে যিটো আমি নোৱাৰো ।
৪.মানুহ
৫.আছে । প্ৰায় ৪০টা বিভিন্ন প্ৰজাতিৰ ।

Printed and Published by B. Viswanatha Reddi at B.N.K. Press Pvt. Ltd., Chennai - 26 on behalf of Chandamama India Limited, No. 82, Defence Officers Colony, Ekkatuthangal, Chennai - 600 097. Editor : B. Viswanatha Reddi (Viswam)

AN IDEAL NEW YEAR GIFT

to your near and dear abroad

CHANDAMAMA

CHANDAMAMA **bilingual**

in Hindi-English, Telugu-English, Tamil-English
published for Indian families in
USA and Canada

Different from the Indian editions in size, layout and design

Helps the reader to keep in touch with mother tongue.

Remit only Rs.1,500 for an overseas GIFT subscription and save more than Rs.600

Special offer closes on February 29,2004

Remittances by D/D in favour of

Chandamama India Ltd.
82, Defence Officers Colony, Ekkaduthangal, Chennai - 600 097
Indicating the bilingual edition preferred and full name and address of friend / relative living abroad.

Send Rs.50 by M.O. for specimen copy

For residents in USA/Canada one-year subscription US $ 48.00.
Contact **Nataka** at rganesh@bellsouth.net

CHANDAMAMA (Assamese) **FEBRUARY 2004**
Regd. with Registrar of Newspaper for India No. 30278/76
Registered No. TN/PMG(CCR)
Licensed to post without prepayment
Foreign - WPP No. 370/03-05